
ৰমা দাশৰ গল্প ধৰ্মঘাট

# প্ৰান্তিক

১ম বছৰ ২য় সংখ্যা ১৬ ডিছেম্বৰ—৩১ ডিছেম্বৰ '৮১



December – 16 – 31 – 1981



## মদ আতংকৰ অথচ আদৰৰ

## দেশে দেশে বৰদিন



# প্ৰান্তিক

১ম বছৰ ২য় সংখ্যা ১৬ ডিছেম্বৰ—৩১ ডিছেম্বৰ '৮১ মূল্য ৩ টকা

মদ কিমানে খায় ? কিয় খায় ? মদ উপকাৰী ? অপকাৰী ? মদ নিবাৰণী অভিযান সাৰ্থক হৈছেনে ? এক সামাজিক ব্যাধিৰ কাৰণ হৈ পৰা মদৰ বিষয়ে এটা আলোচনা :

মদ ঃ আতংকৰ অথচ আদৰৰ ।১০।



স্বৰ্গীয় ৰমা দাশৰ অপ্ৰকাশিত গল্প : ধৰ্মৰাজ ।৩০।

'ৰামায়ণৰ সীতাৰ দৰে ময়ো যেন এক অগ্নি-পৰীক্ষাৰ মাজেদি গলোঁ। পুৰুষ প্ৰধান সমাজৰ নিষ্ঠুৰ স্বেচ্ছাচাৰিতা, গোড়া, ৰক্ষণশীল বিচাৰহীন সমাজৰ নিৰ্বিকাৰতা আৰু যুগসন্ধিৰ নিৰ্য্যাতনৰ বলি হৈছিল অখ্যাত আন দহজনী ছোৱালীৰ দৰে মোৰ জীৱনো।' ড. নিৰ্মল প্ৰভা বৰদলৈৰ ঃ সৃষ্টিৰ প্ৰেৰণা ।৩৪।

'আজিৰ বহু ন লেখকৰ ন পুথিত প্ৰতিফলিত হয় গতিবিহীন, দিকবিহীন, মৌলিকতাবিহীন দৃষ্টিভংগী বা প্ৰভুভক্ত কুকুৰৰ সাধু।'

দিলীপ কুমাৰ দত্তৰ প্ৰবন্ধ ঃ সৰাপাত সাৰিবৰ ৰতৰ ।১৯।

নীলমণি ফুকনৰ কবিতা ।৩৬

পত্ৰালাপ ।৪।
ঘটনা প্ৰবাহ ।৬।
কাৰ্টুন ।৯।
দৈনন্দিন ।১৮।
বিশ্ব পৰিক্ৰমা ।২১।
প্ৰজ্ঞা ।২৪।
দেশে দেশে বৰদিন ।২৬।
প্ৰণিধান ।২৮।
বাঘ-বাঘিণীৰ ৰণ ।৩৯।
কলা-সংস্কৃতি ।৪০।
ক্ৰীড়াংগন ।৪৩।
গুপ্তচৰ বিক্ৰম ।৪৭।

## অহা সংখ্যাত

মহিলাসকলে চাকৰী কৰাৰ কাৰণে ঘৰখনে আৰ্থিক দিশত কিমান সকাহ পায় ? সাংসাৰিক দিশত ঘৰখন কিমান ক্ষতিগ্ৰস্ত হয় ? মহিলা কৰ্মী থাকিলে কাৰ্য্যালয় এটাৰ কাৰ্য্যদক্ষতা বাঢ়েনে ? আৰ্থিক প্ৰয়োজন নাথাকিলেও কোনোবা মহিলাই চাকৰী কৰি প্ৰকৃত নিবনুৱাৰ পথ বন্ধ কৰেনে ?

এটি সমীক্ষা ঃ আমাৰ মহিলা আৰু চাকৰি

হৰেকৃষ্ণ ডেকাৰ কবিতা ঃ উজ্জীৱন

কুমুদ গোস্বামীৰ গল্প ঃ বুৰঞ্জী

ভুবন লহকৰৰ ঃ

'ভ্ৰান্তি' নামৰ চলচ্চিত্ৰখনে আমোদকৰ বেহাই পোৱা উচিত নে ?

বিভিন্নজনৰ চিকিৎসা কৰোঁতে কৰোঁতে ঘৰখনত বহুত ঔষধ গোটাই খায়, আমি বহুত ঔষধৰ নাম জনা হওঁ আৰু সেইবোৰৰ প্ৰয়োগ জানো বুলি ভাবোঁ। আমাৰ এই জ্ঞানেৰে ঔষধবোৰ ব্যৱহাৰ কৰা উচিত নে ?

মুখ্য সম্পাদক ঃ
ডঃ ভূপেন্দ্ৰ নাথ শইকীয়া

সম্পাদনা সমিতিৰ সদস্যসকল ঃ
নিৰোদ চৌধুৰী
ৰত্ন ওজা
ধীৰেন বেজবৰুৱা

সহকাৰী সম্পাদক ঃ
সমুদ্ৰ গুপ্ত কাশ্যপ

অংগ সজ্জা ঃ মানবেন্দ্ৰ বৰুৱা
আলোকচিত্ৰ ঃ দীপক বেজবৰুৱা

আঞ্চলিক প্ৰতিনিধি ঃ
বদন বৰুৱা
গণেশ দাস
ৰমেশ চন্দ্ৰ বৰা

গুৱাহাটীৰ ট্ৰিবিউন প্ৰেছত
প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

# পত্ৰালাপ

## ৰাইজৰ সেৱক ?

প্ৰকৃত গনতান্ত্ৰিক ব্যৱস্থাত বিধায়কসকল দৰাচলতেতেখেতসকলৰ সমষ্টিৰ নিৰ্বাচকসকলৰ (এতেকে ৰাইজৰ) সেৱক। তেনেস্থলত 'সেৱক'ৰ আন প্ৰতিশব্দবোৰ (যেনে ভৃত্য, চাকৰ, গোলাম, ইত্যাদি) সাধাৰণ নিৰক্ষৰ মানুহে প্ৰয়োগ কৰিলেও ওফোন্দ পাতিবৰ কোনো কাৰণ থাকিব নালাগে। ইংৰাজীত Servants of the people কথাষাৰৰ চলতি আছেই। আনকি এসময়ত Servants of India Society নামৰ ভালেকেইজন গুণী ব্যক্তিৰ এখন সন্থা বহু বছৰলৈ সমাজ সেৱাত ব্ৰতী আছিল। আজিৰ ভাৰতবৰ্ষৰ কথা অৱশ্যে সুকীয়া। মাত্ৰ কেইবছৰমানৰ আগতে লোকসভাৰ সদস্য এজনক কিবা অপকৰ্মৰ বাবে গৰিহণা দি "ৰাইজে কি বুলিব" বুলি সোধাত তেখেতে "To hell with the public" বুলি উত্তৰ দিছিল। ৰাইজক জহন্নামলৈ পঠিয়াব খোজা এই উক্তি লৈ সেই সময়ত বেচ কিছু চৰ্চা হৈছিল আৰু নানি পালকিৰালাৰ দৰে ব্যক্তিয়েও এই উক্তি লৈ বৰ্তমান বিধায়কসকলৰ বিচাৰ—চিন্তা সম্বন্ধে কটু মন্তব্য কৰিছিল।

অসমৰ যোৱা মন্ত্ৰীসভা দুখনত সেৱকৰ নাম ধাৰণ কৰি বাদশ্বাৰো বাদশ্বাৰ আচৰণেৰে তাঁৰ কাপোৰৰ সিফালৰপৰা কাম চলাই নিয়া এজন মন্ত্ৰীৰ কাৰ্য্য-কলাপ মন কৰিবলগীয়া। এই গৰাকী মন্ত্ৰী বজ্ৰলেপ। যি ৰাজনৈতিক দলেই ক্ষমতাত নাথাকক কিয়, তেখেতক বাদ দি যেন কিবা কাৰণত মন্ত্ৰীসভা গঠন কৰাটোৱেই অসম্ভৱ। অথচ তেখেতৰ ভাৰতীয় নাগৰিকত্ব সম্পৰ্কেও নানান ধৰণৰ গল্প-গুজৱ ওলোৱাৰ উপৰিও ৰাজ্যসভাত প্ৰশ্নও উত্থাপিত হৈছে। বাদ দিয়ক সেইবোৰ বিতৰ্ক। লাখে লাখে বিদেশী নাগৰিক য'ত অবাধে প্ৰৱেশ কৰিছে তাত এজনে কেনেবাকৈ মন্ত্ৰীসভাৰ বেহু ভেদ কৰাটো একো আচৰিত কথা নহয়। এতিয়াও দিছপুৰলৈ গ'লে অসমত আছোঁ নে অন্য এক চুবুৰিয়া দেশত আছোঁ এই বিষয়ে সন্দেহ হয়। প্ৰমাণ কৰিব নোৱাৰা কথা বাদ দিয়াই ভাল বুলি জ্ঞানীলোকে কয়। কাৰ্য্য-কলাপ, চাল-চলনৰ কথা কিন্তু ইমান সহজে বাদ দিব নোৱাৰি। মন্ত্ৰী আছিল অসমৰ, অথচ তেওঁৰ ক্ৰীড়া-ভূমি, লীলা-ভূমি হ'ল কলিকতা। খোৱা-লোৱা, বজাৰ-সমাৰ কৰা সৰহভাগ কলিকতাতেই সমাধা হয়।

এই গৰাকী প্ৰাক্তন মন্ত্ৰীৰ মতে অসমৰ বিদেশী নাগৰিক সংক্ৰান্ত সুদীৰ্ঘ আন্দোলনটো এজন মাৰ্কিন লেখকৰদ্বাৰা অনুপ্ৰাণিত, উচ্চ পদস্থ আমোলাসকলৰদ্বাৰা পৰিচালিত আৰু সন্দেহযুক্ত (বিদেশী ?) ধনেৰে পুষ্ট। অসমৰ যুৱ আৰু ছাত্ৰ শক্তি নিমিত্ত মাত্ৰ। অৱশ্যে মাৰ্কিন লেখকজনৰ নাম উল্লেখ কৰা হোৱা নাই। আইনজীৱি লোক, গতিকে তেওঁ সম্ভাব্য মামলা-মকৰ্দমাৰপৰা নিজকে গা বচাই চলিব জানে। এই প্ৰাক্তন মন্ত্ৰী গৰাকীয়ে চ'ততে কলিকতাৰ বিমান বন্দৰত দিয়া বিবৃতি মন কৰিবলগীয়া। তেখেতৰ মতে জাতীয় সংহতিৰ খাতিৰত চৰকাৰে হেনো অসমৰ সৰ্বভাৰতীয় সেৱাৰ বিষয়াসকলক বাহিৰলৈ পঠিয়াই বাহিৰৰপৰা তেনে বিষয়াক অসমলৈ আমদানি কৰাত গুৰুত্ব দিছে। যোৱা ৮ মাহে এই প্ৰাক্তন মন্ত্ৰীজন হেনো এনে চৰকাৰী নীতিৰ সুফল দেখি বিমুগ্ধ হৈছে।

এতিয়া চাগৈ পঞ্জাবৰ ক্ষেত্ৰতো একে নীতি অৱলম্বন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক তেওঁ পৰামৰ্শ দিছে! পিছে দিল্লীৰ দৰবাৰত তেখেতৰ আগৰ প্ৰভাৱ আছে নে নাই সন্দেহ। আমি শুনা মতে আজি কিছু দিনৰপৰা তেখেতৰ উগ্ৰ সাম্প্ৰদায়িকতাৰ প্ৰতি দিল্লীৰো নাক কোঁচ খাই আহিছে।—বি. ভু. শৰ্মা, তেজপুৰ

## বিকলাংগ বৰ্ষ

আন্তৰ্জাতিক শিশু বৰ্ষ গ'ল। অসমৰ শিশুৰ মানসিক আৰু শাৰীৰিক বিকাশৰ পথৰ পাথেয় স্বৰূপে একোৱেই নহ'ল।

বিকলাংগ বৰ্ষও যাওঁ যাওঁ। অসমৰ গাঁৱে-ভূয়ে হাজাৰ-বিজাৰ বিকলাংগই বহুতো আশাৰে চাকৰী আৰু জীৱিকাৰ সংস্থানৰ বাবে বাট চাই আছে। চৰকাৰেও বহুতো কিবাকিবি ঘোষণা কৰিছে। কিন্তু যিসকলে পোৱা উচিত তেওঁলোকে কিবা পাইছে জানো ? পোৱাৰ আশা আছে জানো ?

আমাৰ অনুৰোধ, বিকলাংগ বৰ্ষত শাৰীৰিকভাৱে অক্ষম অসমৰ যুৱক-যুৱতীয়ে কি লাভ কৰা উচিত, কেনেকৈ পাব পাৰে এই সম্পৰ্কে খা-খবৰ প্ৰকাশ কৰে যেন। বিকলাংগসকল এটা বিশেষ বছৰৰ বাবেহে যে ৰাইজৰ মৰমৰ পাত্ৰ হব লাগে সেইটো নহয়। তেওঁলোকে যাতে সদায় ৰাইজৰ সহায়-সমাদৰ পায় আৰু মানুহৰ স্বাৰ্থৰ বলি হৈ কোনো যাতে বিকলাংগ হব লগা নহয় এই ক্ষেত্ৰত আপোনালোকৰ কৰণীয় কৰে যেন।—মদন দত্ত, নগাওঁ

## ভয়াতুৰ নাগৰিক

সমুখতে মটৰ গাড়ীয়ে চাইকেলত অহা মানুহ এজনক খুন্দা মাৰিলে। মই যেনিবা ঠিক সেই ফালেই চাই আছিলোঁ, গতিকে ঘটনাটো পৰিষ্কাৰকৈ দেখিলোঁ। ছাইকেলত অহা মানুহজন মৃতপ্ৰায়, গতিকে দুৰ্ঘটনাটো ডাঙৰ। এতিয়া নিয়মমতে, দায়িত্বশীল নাগৰিক হিচাপে মই ঘটনাটোৰ সাক্ষী হব লাগে। মকৰ্দমা হলে মই যি দেখিছিলোঁ সেইটো কেছাৰীত কোৱাটো মোৰ কৰ্তব্য। সকলো কথা বুজোঁ। ঠিকেই। কিন্তু সঁচাসঁচিকৈ এনেকুৱা এটা পৰিস্থিতিত পৰিলে মই নেদেখা ভাও জুৰি পলাও কিয় ? ইয়াৰ কাৰণ হ'ল আমাৰ দেশত ক'ৰ্ট-কেছাৰী-মকৰ্দমা বুলিলে মানুহৰ যি লটি-ঘটি হয়, সকলো মানুহৰ স্নায়ুৱে সেই লটি-ঘটি সহ্য কৰিব নোৱাৰে। মাহৰ পাছত মাহ, কেতিয়াবা বছৰৰ পাছত বছৰ বিনা দোষত কেছাৰীলৈ দৌৰি থাকিব পাৰিনে ? তদুপৰি আমাৰ কেছাৰীবোৰৰ পৰিবেশ সন্মানজনকনে ? আৰু উকীলৰ জেৰাৰ কথাতো কবই নালাগে। মই হয়তো দেখিছিলোঁ মটৰ আৰু ছাইকেলৰ মাজত হোৱা সংঘৰ্ষ, মোক হয়তো কাঠগড়াত থিয় কৰি লৈ সোধা হল—ডাঙৰ জোঁৱাইটোৰ লগত মোৰ বৰ্তমান সম্পৰ্ক কেনেকুৱা, আমৰ আচাৰৰ প্ৰতি মোৰ দুৰ্বলতা আছে নে নাই! ভাবিলেই ভয় লাগে।

১৯৮১ চনৰ ৩০ জুন তাৰিখলৈকে ভাৰতবৰ্ষৰ হাইক'ৰ্টবিলাকতে সাত লাখ বাসত্তৰ হাজাৰ এটা কে'ছৰ বিচাৰ শেষ হ'বলৈ আছে। ল'ৱাৰ ক'ৰ্টবোৰত বা কেই কোটি ? সেইবোৰ কে'ছ ছিঙিবলৈ কিমান দিন লাগিব ? তাৰে কেইটামানৰ সাক্ষী হৈ ললে জীৱনত আৰু অইন চিন্তা কিবা থাকিবনে ?—প্ৰহ্লাদ ফুকন। শ্বিলং

## নিৰ্দোষ পাঠক

অসম আন্দোলনৰ বিভিন্ন কাৰ্য্যসূচী পালন কৰাৰ সময়ত আচলতে কি হয়, আমি নিজ চকুৰে কি দেখোঁ, তাৰ লগত আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ বাতৰিত প্ৰচাৰ কৰা কথাৰ মিল নাথাকে। মিল ইমানেই নাথাকে যে বাতৰি শুনি থাকোঁতে লাহে লাহে খং উঠি যায়, আৰু খংটো উঠে বাতৰি পঢ়া জনৰ ওপৰতে। কেতিয়াবা এনেকুৱা লাগে যেন এওঁক এই মুহূৰ্তত সমুখত পালে দিম এসেকা।

শ্ৰোতাৰ এই প্ৰতিক্ৰিয়াৰ কথা বাতৰি পঢ়া কেইজনেও ভালকৈ জানে। এজনে এদিন দুখ কৰি কৈছে, আমি পঢ়োঁহে, নিজেতো এটা শব্দও নিলিখোঁ। বৰ বেছি তেনেকুৱা দিনত ছুটি লব পাৰোঁ। কিন্তু কিমান দিন ছুটি লবা ?—এজন বাতৰি-পঢ়োঁতাৰ বন্ধু, গুৱাহাটী।

## বংশ-বৃক্ষ দিবস

মতিলাল নেহৰুৰ জন্ম নে মৃত্যু দিবসটো উকীলসকলৰ দিবস হিচাপে উদযাপন কৰাৰ কথা ওলাইছিল বুলি শুনিছিলোঁ। জৱাহৰলাল নেহৰুৰ জন্ম দিবস শিশু দিবস হিচাপে, ইন্দিৰা গান্ধীৰ জন্মদিবস সংহতি দিবস হিচাপে, সঞ্জয় গান্ধীৰ জন্ম দিবস যুব-দিবস হিচাপে পালন কৰিবলৈ লোৱা হৈছে। এই কথাবোৰ কালক্ৰমত বেয়া কথা বুলি পৰিগণিত হ'ব। এই বিশাল দেশৰ উত্তৰ-দক্ষিণ-পুব-পশ্চিম সকলো অঞ্চলত দেশখনৰ কাৰণে জীৱন উছৰ্গা কৰা বহু লোক আছিল—যাৰ নামৰ লগত সংহতি আৰু যুৱকৰ নাম জড়িত কৰি জনসাধাৰণক উদ্বুদ্ধ কৰিব পৰা গলহেঁতেন। নেহেৰুৰ নামৰ লগত শিশুক জড়িত কৰাটো গ্ৰহণযোগ্য, কাৰণ বংশ-বৃক্ষ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেখেত শিশু আছিল।

—মনোৰঞ্জন দাস। যোৰহাট।

## প্ৰতিশোধ লোৱাৰ শ্ৰেষ্ঠ উপায়

আপুনি কাৰোবাৰ ওপৰত প্ৰতিশোধ ল'ব খোজে নেকি ? যদি খোজে তেন্তেনো কি উপায় অৱলম্বন কৰিব সেই বিষয়ে ভাবি চাইছেনে ? ধৰক আপোনাৰ শৰীৰত যথেষ্ট শক্তি আছে, গতিকে এদিন তেওঁক আক্ৰমণ কৰিলে। বুকুত চুৰি বহুৱাই দিলে। তেওঁৰ মৃত্যু হ'ল। আইনৰ চকুত আপুনি অপৰাধী হ'ল। জীৱনটো জেইলত পচিল। কিন্তু সেয়া জানো প্ৰতিশোধ লোৱা হ'ল ? আপুনি নিজৰ জীৱনটোৰ ওপৰতেইচোন প্ৰতিশোধ ললে। কিন্তু বিন্দুমাত্ৰও প্ৰত্যাঘাত নোপোৱাকৈ প্ৰতিশোধ লোৱাৰ চিন্তা কেতিয়াবা কৰিছেনে ? শুনক, তেনে উপায় আছে। সেইটোৱেই সৰ্বশ্ৰেষ্ঠ উপায়। আপুনি নিজক প্ৰতিষ্ঠা কৰক। অভিজ্ঞতাৰ ভগ্নাংশও বাদ নিদিব। বুটলি লব। সংযমী হওক। লগে লগে আপোনাৰ মাজলৈ আহিব—উদ্দেশ্যত উদাৰতা, কৰ্মত স্থিৰতা, কাৰ্য্য সম্পাদনত মানৱতা। আপুনি যেতিয়াই এইকেইটা গুণৰ অধিকাৰী হ'ব, তেতিয়াই আপুনি যাৰ ওপৰত প্ৰতিশোধ লব খুজিছিল তেওঁৰ মূৰ আপোনাৰ ওচৰত নত হবলৈ বাধ্য।—সন্তোষ কুমাৰ শৰ্মা

## লঘু ক্ৰিয়া

অফিছত অনুপস্থিত থকাৰ দোষত নগাঁৱত ১১ জন কৰ্মচাৰীক নিলম্বিত কৰা বুলি শুনিছোঁ। আমাৰ চুবুৰীতে আমি ২৭ জনে চৰকাৰী চাকৰী কৰোঁ। সেইদিনা আমি কোনো কামলৈ যোৱা নাছিলোঁ। আমাৰ কাকো নিলম্বিত কৰা হোৱা নাই। ইয়াৰ কাৰণ হ'ল, ওপৰৰসকলে নিশ্চয় ৰেকৰ্ডত সেই দিনা মাত্ৰ ১১ জন অনুপস্থিত, বাকী সকলো উপস্থিত বুলি দেখুৱাই থৈছে। নহলে, অনুপস্থিত কৰ্মচাৰীৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা লোৱা হব বুলি ইমানকৈ তৰ্জন-গৰ্জন কৰাৰ পাছতো আমি সাৰি যাওঁ কেনেকৈ ?

—মাধৱ বৰা। নগাওঁ।

## স্থান নিৰ্বাচনৰ ভুল

গাঢ়োৱালৰ উপ-নিৰ্বাচন স্থগিত কৰাৰ কাৰণ হিচাপে কোৱা হল,—প্ৰয়োজনীয় সংখ্যক চিপাহী, জোৱান আদিৰ অভাৱ। উপ-নিৰ্বাচনৰ প্ৰস্তাৱিত সময় চোৱাত অসমৰ গাঁৱে-ভুঞে, নগৰে-চহৰে যিমান চিপাহী আৰু জোৱানে টহল দি ফুৰিছিল, সেইবোৰ দেখি কোনে বিশ্বাস কৰিব যে এইখন দেশত এটা উপ-নিৰ্বাচন চলাবলৈ চিপাহী-জোৱানৰ অভাৱ ?

— মুকুন্দ শৰ্মা। নলবাৰী।

OKDISCD

# ঘটনা প্ৰবাহ

## চীনত স্বপ্নভংগ ঃ আমেৰিকাত আশ্ৰয়

চানৰ কমিউনিষ্ট শাসনৰ ৰেহ-ৰূপ দেখি শুনি স্বপ্নভংগ হোৱা জন তৰুণ চীনা ইঞ্জিনিয়াৰে আমেৰিকাত ৰাজনৈতিক আশ্ৰয় বিচাৰিছে। বেইজিঙৰ বাসিন্দা ৪০ বছৰীয়া ইয়াও ছি চিয়াং এবছৰীয়া প্ৰশিক্ষণৰ কাৰণে যোৱা জানুৱাৰী মাহত আমেৰিকাত উপস্থিত হৈছিল। নেছনেলিষ্ট চীনৰ ছেণ্ট্ৰেল নিউজ এজেন্সিয়ে ছিকাগ'ৰপৰা দিয়া বাতৰিটোত উল্লেখ কৰিছে যে জলবিদ্যুৎ ইঞ্জিনিয়াৰ শ্ৰীইয়াওৱে হেনো কৈছে—চীনৰ প্ৰধান ভূখণ্ডত তেওঁৰ দৰে আন বহু লোকৰ কমিউনিষ্ট শাসনক লৈ ৰচা সুখস্বপ্ন সম্পূৰ্ণ ভাগি গৈছে। বাতৰিটো দিছে এ এফ পিয়ে টাইপেৰপৰা ॥

## গাদাফিৰ বোমা ঃ দি ফিফথ্ হৰ্ছমেনৰ চিত্ৰৰূপ

লিবিয়াৰ ৰাষ্ট্ৰপতি কৰ্ণেল গাদাফিয়ে নিউইয়ৰ্কত এটা আণবিক বোমা লুকুৱাই থৈছে আৰু মাৰ্কিন ৰাষ্ট্ৰপতিক ভাবুকি দিছে যে যদিহে তেওঁ ১৯৬৭ চনৰ যুদ্ধত জয় কৰা আৰব ৰাষ্ট্ৰাঞ্চলবোৰৰপৰা ইজ-ৰাইলীসকলক আঁতৰাই নানে তেতিয়াহলে বোমাটো ফুটুৱাই দিব। —এনেকুৱা এটা কাল্পনিক ঘটনাৰ অৱলম্বনত ৰচিত ডমিনিক লেপিয়েৰ আৰু লাৰি কলিন্সৰ শেহতীয়া গ্ৰন্থ 'দি ফিফথ হৰ্ছমেন'ৰ কাহিনীটো পেৰামাউণ্ট পিকচাৰ্ছে ১৫ নিযুত ডলাৰ ব্যয়ত চলচ্চিত্ৰলৈ ৰূপায়িত কৰিব। কৰ্ণেল গাদাফিৰ ভূমিকাত অৱতীৰ্ণ হোৱাৰ কথা ওমৰ শ্বেৰিফ। ফ্ৰিডম এট মিডনাইট, ইজ পেৰি বাৰ্ণিং, অ' জেৰুজালেম আদিৰ লেখীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সৰ্বাধিক বিক্ৰী হোৱা গ্ৰন্থৰ যুটীয়া লেখক ডমিনিক লেপিয়েৰে অলপতে নতুন দিল্লীত সাংবাদিকৰ আগত কয় যে আন্তঃৰাষ্ট্ৰীয় ৰাজনৈতিক প্লে কমেইলে ভয়াবহ ৰূপ লৈছে। কৰ্ণেল গাদাফিৰ তৰুণ গোড়ামি লিবিয়াৰ তেল সম্পদ আৰু আণবিক বোমা এটা বনাবলৈ তেওঁৰ আগ্ৰহ—এই আটাইবোৰ কথাই মিলি তেওঁ-লোকক 'দি ফিফথ হৰ্ছমেন' লিখিবলৈ উদগালে। অৱশ্যে তেওঁ-লোকৰ এজনেও কৰ্ণেল গাদাফিক লগ পোৱা নাই ;—তেওঁলোকে সেইবিষয়ে বিস্তৃত পঢ়াশুনা কৰিছে আৰু গাদাফিক জনা মানুহৰ লগত কথাবতৰা পাতিছে। ডমিনিকে কথা প্ৰসংগত ক'লে, গাদাফিয়ে হেনো জাৰ্মান পত্ৰিকা এখনক কৈছে যে কিতাপখনত তেওঁৰ বিষয়ে দিয়া ধাৰণাটো বৰ বঢ়িয়া ॥

## বছৰি ডেৰ লাখ টকা ঃ আবৰ্জনাৰপৰা সম্পদ

আবৰ্জনাক পেলনীয়া বস্তু নকৰিব ঃ ই শক্তিৰ মূল্যবান উৎস। উদ্যোগ, হস্পিটাল আৰু হোটেল আদিয়ে যিবোৰ আবৰ্জনা উলিয়াই দিয়ে (যেনে, ফটা কাপোৰ, তুলা বেণ্ডেজ, পেকিং বাকচ, কাগজ, খোৱা বস্তুৰ উচিছষ্ট আদি) সেইবোৰৰ প্ৰায় ১ টনত দুশ লিটাৰ প্ৰজ্বালক তেলৰ সমান শক্তি থাকে। আজিৰ দামত ধৰি হিচাপ কৰিলে প্ৰতি দিনে ১ টনকৈ আবৰ্জনাই আপোনাৰ বছৰি ১ লাখ ৫০ হেজাৰ টকা মূল্যৰ প্ৰজ্বালক ৰচাই দিব পাৰে। গতিকে আবৰ্জনাক পেলনীয়া বস্তু নকৰিব। কৰিলে আন বিপদো আছে ঃ আবৰ্জনাবোৰে বৰ দৰকাৰী ঠাই এৰেকাডোখৰ বন্দী কৰি ৰাখিব, স্বাস্থ্যৰ কাৰণেও সেইবোৰ বিপদ-জনক হব পাৰে, জুই-ছাই লগাৰ বিপদো হ'ব পাৰে আৰু ইটো-সিটো ইহাত সিহাতকৈ চুৰ কৰি নিয়াৰ থলো হৈ পৰিব পাৰে। বৰং আবৰ্জনা বিশেষ পদ্ধতিৰে জ্বলাই দি, ভস্মীভূত কৰি, তাৰপৰা শক্তি পুনৰুদ্ধাৰ কৰক। [বিশেষ পদ্ধতিৰে আবৰ্জনা জ্বলোৱা ব্যৱস্থা এটাৰ বিজ্ঞাপন]।

**ভাৰত আৰু ছোভিয়েট** দেশে যুটীয়াভাৱে জৱাহৰলাল নেহৰুৰ বিষয়ে নিৰ্মাণ কৰিবলৈ লোৱা চলচিত্ৰৰ কাম ১৯৮৩ চনত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে ছোভিয়েট আৰু ভাৰতীয় লেখকে লগ লাগি এই চলচিত্ৰৰ চিত্ৰ- নাট্য প্ৰস্তুত কৰিব। এজন ভাৰতীয় আৰু এজন ছোভিয়েট পৰিচালকে যুটীয়াভাৱে ছবিখন পৰিচালনা কৰিব।



লণ্ডনৰ বুকাৰ মেকোনেল পুৰস্কাৰ এইবাৰ লাভ কৰিছে ভাৰতীয় উপ-ন্যাসিক এজনে। নাম তেওঁৰ ছালমেন ৰাশ্বডাই। বম্বেত জন্ম গ্ৰহণ কৰা উপন্যাসিকজনে সম্প্ৰতি লণ্ডনত বসবাস কৰে। উপন্যাসৰ নাম 'মিড্‌নাইটছ চিলড্ৰেন'। প্ৰকাশ যে ভাৰতৰ স্বাধী-নতাৰ প্ৰাকমুহূৰ্তত জন্মগ্ৰহণ কৰা মানুহ এজনৰ জীৱনকালৰ সংঘাত আৰু সংকটেই উপন্যাসখনৰ উপজীব্য। লিখিবলৈ চাৰি বছৰ লগা এই উপ-ন্যাসখন বৃটেইনত প্ৰকাশ কৰিছে, জোনাথন কেপে। ছালমেন ৰাশ্বডাই ইয়াৰ আগতে লিখা উপন্যাসখনৰ নাম 'গ্ৰীমাছ'। সাম্প্ৰতিক উপন্যাসখনক ৰাজনৈতিক উপন্যাস বুলি কোৱা হৈছে।

### কলিকতাত ঃ এনিশাতে

২৭ নৱেম্বৰৰ নিশা কলিকতা মহা-নগৰীত পুলিছে চলোৱা এক অভিযানত ৮৭৩ জন অপৰাধীক বিভিন্ন অপৰাধত গ্ৰেপ্তাৰ কৰে বুলি তাৰ ডিটেকটি বিভাগৰ উপায়ুক্তই বাতৰিযোগনিয়াৰৰ আগত কয়। চোৰ, ডকাইত, জেপ-লুকুকাৰ উপৰিও বহু সংখ্যক বেয়া তিৰোতাক পুলিছ হেফাজতলৈ নিয়াৰ পাছত মহানগৰীখনে হেনো এতিয়া কিছু সকাহ পাইছে।

### অৰাজনৈতিক শ্ৰমিক সংগঠন

শ্ৰমিকসকলক ৰাজনৈতিক সংগঠন তথা ৰাজনৈতিক নেতাসকলৰ কবলৰ পৰা মুক্ত কৰি উদ্যোগ প্ৰতিষ্ঠান আৰু প্ৰতিষ্ঠানসমূহৰ শ্ৰমিকসকলৰ কল্যাণৰ বাবে কাম কৰিবলৈ শ্ৰমিক সংগনসমূহ পুনৰ গঠন কৰাৰ প্ৰচেষ্টা আৰম্ভ হৈছে অসমৰ নামৰূপত। প্ৰথমবাৰৰ বাবে চলোৱা এনে প্ৰচেষ্টাৰ আৰম্ভণি স্বৰূপে ডিছেম্বৰ মাহৰ ১২ আৰু ১৩ তাৰিখে নামৰূপৰ কেন্দ্ৰীয়, ৰাজ্যিক, অৰ্ধচৰকাৰী, বেচৰকাৰী উদ্যোগ আৰু বিভিন্ন প্ৰতিষ্ঠানৰ অৰাজনৈতিক শ্ৰমিক সংগঠনসমূহৰ উদ্যোগত এখন শ্ৰমিক অভিবৰ্তনৰ প্ৰস্তুতি চলিছে বুলি প্ৰকাশ। উদ্যোক্তা সংগঠনসমূহৰ ভিতৰত আছে নামৰূপ সাৰ নিগম শ্ৰমিক সংঘ, নামৰূপ তাপ-বিদ্যুৎ কৰ্মী সংঘ, অসম—মিজোৰাম—মেঘালয় বিজুলী যোগান শ্ৰমিক সংঘ আৰু নামৰূপ ঠিকাদাৰ শ্ৰমিক সংঘ।

### বড়ো শিল্পীলৈ একাডেমি বঁটা

সংগীত, নৃত্যকলা আৰু নাটকত বিশেষ ব্যুৎপত্তি দেখুউৱাসকলৰ বাবে এইবছৰ সংগীত নাটক একাডেমিয়ে ঘোষণা কৰা নামৰ তালিকাত অসমৰ বড়ো নৃত্যশিল্পী কামিণী কুমাৰ নাৰ্জাৰি আৰু মনিপুৰৰ নাট-সংকীৰ্তন শিল্পী কে ইবোমহা শৰ্মাও আছে। একা-ডেমিয়ে প্ৰতিবছৰে আগবঢ়োৱা ১৭টা পুৰস্কাৰৰ ঠাইত এইবছৰ ১৯ টা পুৰস্কাৰ দিয়াৰ দিহা কৰিছে। অতিৰিক্ত বঁটা দুটাৰ এটা আগবঢ়োৱা হৈছে অংগ-সজ্জাৰ পাৰদৰ্শিতাৰ বাবে।

### দক্ষিণ আফ্ৰিকাই কাৰাগাৰ ভাঙিব

দক্ষিণ আফ্ৰিকাত ১৯১৪ চনত সত্যাগ্ৰহ কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰি মোহনদাস কৰমচান্দ গান্ধীক যিটো কণমানি ফাটেকত বন্দী কৰি ৰখা হৈছিল, সেইটো অলপতে দক্ষিণ আফ্ৰিকা চৰকাৰে ভাঙি পেলাব বুলি বাতৰিত প্ৰকাশ। বিশ্বৰ লক্ষ লক্ষ লোকৰ বাবে আগ্ৰহ আৰু শ্ৰদ্ধাৰ বস্তু এই সৰু ফাটেকটো হোনো সেইদেশৰ গড় কাপ্তানি বিভাগৰ বাবে বিৰক্তিকৰ বিষয় হৈ পৰাত এই সিদ্ধান্ত লোৱা হৈছে। ট্ৰান্সভাল প্ৰদেশৰ ভেৰিনিং নামৰ সৰু উদ্যোগিক চহৰ এখনত অৱস্থিত এই ফাটেকটোত



চাকৰী আৰু টকাই সকলোৰে মনৰ হেঁপাহ পূৰণ নকৰে। ছিকাগ'ৰ এখন মেডিকেল স্কুলত ২৫ বছৰ মুখ্য টেকনিকেল বিষয়া হিচাপে কাম কৰাৰ পাছত লেৰয় য়েট্‌ছে মিচিগানৰ এটা শিশু-প্ৰতিষ্ঠানৰ পৰিচালকৰ দায়িত্ব গ্ৰহন কৰিবলৈ ওলাল। বন্ধু-বান্ধৱে ভাবিলে, অন্ততঃ টকা-পইচাৰ কথা ভাবি য়েট্‌ছে তেওঁৰ সিদ্ধান্ত সলনি কৰিব। য়েট্‌ছ কিন্তু বদ্ধপৰিকৰ। তেওঁৰ মতে, "মেডিকেল কলেজত মোৰ কামখিনি কৰিবলৈ আন এজন মানুহ ওলাব ; কিন্তু এই লৰা-ছোৱালীবিলাক, —ইহঁতৰ কাৰণে মোৰ প্ৰয়োজন আটাইতকৈ বেচি।"

গান্ধীজীক সুদীৰ্ঘ ৯ মাহকাল আৱদ্ধ কৰি ৰখা হৈছিল আৰু ইয়াৰপৰা মুক্ত হৈয়েই তেওঁ ভাৰতলৈ ঘূৰি আহি স্বাধীনতা আন্দোলনত যোগ দিছিল।

### গণতান্ত্ৰিক অধিকাৰ সুৰক্ষাৰ বাবে

পিপলছ কমিটি ফৰ ছিভিল লিবাৰটিজ এণ্ড ডেমক্ৰেটিক ৰাইটছ নামৰ সংগঠনটোৱে ডিছেম্বৰৰ প্ৰথম সপ্তাহত গুৱাহাটীত এখন দুদিনীয়া সন্মিলন পাতে। সন্মিলনৰ সভাপতিত্ব কৰে এডভোকেট ইকবাল আহমদ আনছাৰিয়ে। প্ৰবীন সংবাদসেৱী শ্ৰীসতীশ চন্দ্ৰ কাকতী, অসমৰ ভূতপূৰ্ব এডভোকেট জেনেৰেল শ্ৰীভবেশ চন্দ্ৰ বৰুৱা আৰু পিপলছ ইউনিয়ন ফৰ ডেমক্ৰেটিক ৰাইটছৰ সভাপতি শ্ৰীগোবিন্দ মহান্তিয়ে সন্মিলনত অংশ গ্ৰহণ কৰে।

সন্মিলনে ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ দৰে সকলো ক'লা আইন অবিলম্বে প্ৰত্যাহাৰ কৰাৰ দাবী জনায়। সকলো কমিউনিষ্ট বিপ্লৱী আৰু দেশৰ বিভিন্ন জেলত থকা বিচাৰধীন নগা, মিজো আৰু মণিপুৰী বন্দীক মুক্তি দিব লাগে বুলিও সন্মিলনে এটা প্ৰস্তাৱ গ্ৰহণ কৰে। আন এটা প্ৰস্তাৱ যোগে দীৰ্ঘদিন ধৰি আটক কৰি ৰখা লোকসকলৰ বিচাৰ সোনকালে শেষ কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনোৱা হয়। অসমৰ পৰা ছি. আৰ. পি ৰ চাউনীসমূহ তুলি নিয়া আৰু সকলো ধৰণৰ উচ্ছেদ কাৰ্য্য স্থগিত ৰাখিবলৈও সন্মিলনে দাবী জনায়।

### আমেৰিকালৈ ঃ উচ্চ শিক্ষাৰ বাবে

উদীয়মান আলোকচিত্ৰ শিল্পী পৰাণ চলিহাই উচ্চ শিক্ষাৰ বাবে অলপতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ব্ৰিজপৰ্ট বিশ্ববিদ্যালয়লৈ যাত্ৰা কৰিব। শিৱসাগৰৰ শ্ৰীসত্যব্ৰত চলিহাৰ পুত্ৰ শ্ৰী চলিহা অসম চৰকাৰৰ পৰ্যটন বিভাগৰ নিজা আলোকশিল্পী আৰু ছিন-টেক নামৰ নৱগঠিত যুৱ-ছিনে গোষ্ঠীৰ আলোকচিত্ৰ বিভাগৰ মূল সদস্য।

### এইবাৰ ক'ত সাৰিব!

পৰ্য্যটকৰ বাবে দেশৰ অন্যতম আকৰ্ষণীয় চহৰ চিমলাৰ অভিজাত মল ৰ'ডত বৃদ্ধি পাব ধৰা ছোৱালী-জোকোৱা কাৰ্য্য প্ৰতিৰোধ কৰিবৰ বাবে পুলিছ বিভাগৰ বিভিন্ন কৌশল ব্যৰ্থ হোৱাৰ পাছত এইবাৰ এটি ইলেকট্ৰনিক পদ্ধতি প্ৰয়োগ কৰাৰ কথা হিমাচল প্ৰদেশ পুলিছে চিন্তা কৰিছে। এই পদ্ধতিৰে পুলিছে কেন্দ্ৰীয় নিয়ন্ত্ৰণ কক্ষত বহি বহি পথটোৰ ওপৰত সংঘটিত যি কোনো কাৰ্য্য ক্ল'জ ছাৰ্কিট টেলিভিছনত দেখি থাকিব আৰু অপৰাধীক কৰায়ত্ত কৰাৰ বাবে "ফ্ৰ'জেন" ছবিৰ সহায় লোৱা হ'ব। জেপলুকা, ছাইকেল চোৰ ইত্যাদি বিভিন্ন ধৰণৰ অপৰাধী ধৰা পেলোৱাৰ এই কৌশল প্ৰয়োগ কৰাত চিমলাই হ'ব প্ৰথম ভাৰতীয় চহৰ। ইউ.এন.আই

### ১৮৯৪ চনৰ কৃষক হত্যা

গুৱাহাটীৰ শ্ৰীকেশৱ বৰুৱাই এখন চিঠিৰে জনোৱা মতে যোৱা শতিকাৰ শেষ ভাগত বৃটিছ চৰকাৰে মাটিৰ খাজানা বঢ়োৱাৰ সিদ্ধান্ত কৰোঁতে অসমৰ কৃষকে 'ৰাইজ মেল' পাতি তাৰ প্ৰতিবাদ কৰিছিল। গুৱাহাটীৰ পৰা ৬০ কিল'মিটাৰ নিলগৰ পাথৰিঘাট নামৰ ঠাইত ১৮৯৪ চনৰ ২৮ জানুৱাৰি তাৰিখে এনে এখন ৰাইজ মেল বহিছিল। দৰং জিলাৰ উপায়ুক্ত জে. ছি. এণ্ডাৰছনৰ নিৰ্দেশত পাথৰিঘাট ডাক বঙলাৰ সন্মুখৰপৰা পুলিছ চাহাব বেৰিংটনে গুলীচালনা কৰাই ১৪০ জন খেতিয়কক নিহত আৰু ১৫০ জনক চিৰজীৱনলৈ ঘুন্দীয়া কৰে। ১৪০ জন হিন্দু-মুছলমান খেতিয়কৰ সমাধিস্থান এতিয়া বেত কাঁইটৰ জোপোহা আদিৰে পৰিপূৰ্ণ হৈ আছে।

### আত্মসংস্কাৰ

দিল্লীৰ মতিনগৰ অঞ্চলৰ ৰাম কুমাৰ নামৰ জনৈক ব্যক্তিয়ে আত্মহত্যা কৰিবৰ বাবে চলোৱা প্ৰচেষ্টাৰ অভিযোগত পুলিছৰ ডায়েৰীত তেওঁৰ নাম অষ্টাদশ বাৰৰ বাবে তালিকাভুক্ত হয়। উল্লেখযোগ্য যে ইয়াৰ আগতে সোতৰ বাৰ চুৰি, ডকাইতি আদি কাৰ্য্যত লিপ্ত হোৱাৰ অন্তত তেওঁ আত্মসংস্কাৰ কৰাৰ সংকল্প লৈছিল। নিজাকৈ ব্যৱসায় প্ৰতিষ্ঠান এটা আৰম্ভ কৰিবৰ বাবে তেওঁ কৰ্তৃপক্ষৰপৰা এডোখৰ ঠাই পাইছিল। পিছে ব্যৱসায় আৰম্ভ কৰিবলৈ দেউতাকৰপৰা দুশটকা ধাৰে নোপোৱাৰ বেজাৰত তেওঁ ভঙা ব্লেডৰ টুকুৰা গিলি আপোনঘাটী হ'বলৈ চেষ্টা চলাওঁতেই ধৰা পৰে।


### পিয়লাৰ দেশত

যোৱা বছৰ ইৰাণত সৰ্বমুঠ ৪৫৩ জন 'আন্তৰ্জাতিক' মাদকদ্ৰব্য ব্যৱসায়ীক মৃত্যুদণ্ড বিহা হয় বুলি সেই দেশৰ ইছলামীয় বিপ্লৱী আদালতে অলপতে ঘোষণা কৰিছে। উল্লেখযোগ্য যে ইৰাণত ১৯৮১ চনৰ ১০ জানুৱাৰিৰপৰা ২৫ অক্টোবৰ পৰ্য্যন্ত এই ২৮৮ দিনৰ ভিতৰত ২৭ টনৰ মাদকদ্ৰব্য জব্দ কৰা হয়।

### পুথিগত বিদ্যা


দিল্লীৰ জৱাহৰলাল নেহেৰু বিশ্ববিদ্যালয়ৰ আৰু অন্যান্য কেইবাঠাইৰো গ্ৰন্থাগাৰৰপৰা ৩০০ ৰো অধিক কিতাপ চুৰ কৰাৰ অভিযোগত সেই বিশ্ববিদ্যালয়ৰ সত্যজিত পাণ্ডা, সীতাকান্ত মিশ্ৰ আৰু ৰঞ্জিত কুমাৰ পাণ্ডা নামৰ তিনিজন ওড়িয়া ছাত্ৰক বিশ্ববিদ্যালয় কৰ্তৃপক্ষই অলপতে হাতেলোটে ধৰা পেলায়। এই ৩০০ ৰে প্ৰায় ২০০ খনেই বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰৰপৰা চুৰ কৰা হৈছিল। কিছুদিনৰ আগতে প্ৰায় ৩৯৮ টকা মূল্যৰ কিতাপ চুৰ কৰাৰ অপৰাধত একেখন বিশ্ববিদ্যালয়ৰে আন এজন ছাত্ৰক ২ মাহৰ বাবে গ্ৰন্থাগাৰত প্ৰবেশ নকৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। অনুসন্ধান কৰি নিৰ্দেশ জাৰি কৰে মানে অৱশ্যে ছাত্ৰজনে শিক্ষা সাং কৰি যোৱা দুমাহ হৈছিল!

## কাৰ্টুন




OKDISCD

# মদ : আতংকৰ অথচ আদৰৰ




আজিয়েই দিয়া / কাইলৈ কিয় / কোনে জানে মোৰ / কালি কি হ'ব / হাজাৰ হাজাৰ / বছৰ বিয়পা / হয়তো অতীতে সামৰি থ'ব'' ঃ অথবা ''খায়ামৰ কথা সখি তুমিয়োতো শুনিছিলা / তুমিয়োতো বুজিছিলা হাফিজৰ সুৰ/, তোমাৰ ওঁঠতো আছে আঙু ৰৰ ৰঙা ৰস / কিয় তেনে অতীতক নকৰিবা দূৰ''—এই উচ্ছাসভৰা যতীন দুৱৰাৰ অভিব্যক্তি আৰু দৰদী কবি গণেশ গগৈৰ জীৱন দৰ্শনত ঠাই পোৱা ''বিচৰা বস্তু'' বা ''আঙু ৰৰ ৰঙাৰস'' কি সেয়া সচেতন পাঠক-পাঠিকাৰ বুজিবলৈ বাকী নাথাকে। মদ বা সুৰাৰ প্ৰশংসাত ভাৰতীয় কাব্য সাহিত্যত এনে চমকপ্ৰদ উদাহৰণ দেখাৰ । অইন নালাগে উৰ্দু কাব্য সাহিত্যৰ ভোটা তৰা মীৰ্জা গালিবৰ অসংখ্য শ্বায়েৰী মদ বা সুৰাৰ গুণানুকীৰ্তনত জ্যোতিষ্মান ।

কোনে পাহৰিব গালিবৰ সেই বিখ্যাত শ্বেৰক য'ত মছজিদৰ বাৰান্দাত গালিবে সুৰা-পান কৰি থকাত কোনো নীতিশাস্ত্ৰ মানি চলা ব্যক্তিয়ে বাধা দিয়াত হেনো কৈছিল ঃ 'হেৰা ধাৰ্মিক, মন্দিৰৰ ভিতৰত সুৰাপান কৰিলে মোক নিদিয়া ঠাই/এনে ঠাই মোক দেখুৱাই দিয়া য'ত ঈশ্বৰ নাই ।' এই ভাবাবেগৰ উচছাসভৰা বৰ্ণনাই মদক কৰি তোলে মহান, অপাৰ্থিৱ এক স্বৰ্গীয় প্ৰেৰণাৰ উৎসস্বৰূপ । ভাব হয় যেন সুৰাৰ সুৰময় পৃথিৱীখন অতীৱ সুন্দৰ । বৰ আদৰৰ ।

কিন্তু ! থমকি ৰ'ব লগা হয় । প্ৰশ্ন উঠে ঃ হয় জানো ইমান আদৰৰ ? উত্তৰ একেটাই ঃ মদ আতংকৰো । ভয়াবহ ভাৱে আতংকৰ । যি সুৰাৰ প্ৰশংসাত গালিব, গগৈ বা দুৱৰা ইমান উত্তেজিত, সেই মদে প্ৰতি বছৰে তিনি হাজাৰতো অধিক মানুহৰ মৃত্যু ঘটায়, হাজাৰ হাজাৰজনক বিষাক্ত মদে—য'ত মিহলি হৈ থাকে বাৰ্নিছ, টিংচাৰ আৰু বহু মাদকতা অনা দূষিত সামগ্ৰী—কৰে অন্ধ, জীৱনলৈ কঢ়িয়াই আনে এক আচৰিত দুখৰ বোজা । সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তনে আৰু জীৱনধাৰাৰ নতুন প্ৰবাহে মদক কৰি তুলিছে আৰু সমস্যা-সংকুল । সমস্যা কেৱল ব্যক্তিৰে নহয় । সমাজৰো । কথিত আছে, মদপীয়ে যুক্তিৰে সৈমান কৰায় এনেদৰে ঃ সোধা হয়, ধৰক এটা গাধৰ সমুখত এবাল্টি পানী আৰু এবাল্টি হুইস্কি থোৱা হ'ল, গাধটোৱে কি খাব ?

সকলোৱে ক'ব ঃ পানী । প্ৰশ্ন ঃ কিয় ? উত্তৰ ঃ কাৰণ সি গাধ । এই যুক্তি যিদৰে অকাট্য তেনেদৰেই এয়াও সঁচা যে মদৰ অধিকাৰ সাব্যস্ত কৰিবলৈ যিমানে জীৱন দান কৰিছে, সিমানে দেশৰ বাবে, কোনো আদৰ্শৰ বাবে বা প্ৰিয়জনৰ বাবেও কৰা নাই । এই উক্তি অলডাজ হাক্সলিৰ ।

মদৰ বিৰুদ্ধাচাৰণ কৰা সকলে কয় ঃ 'The bar room is a Bank : you deposit your money and lose it ; your time and lose it ; your manly independence and lose it : your character and lose it ; your home comfort and lose it ; your self control and lose it ; your children's happiness and lose it ; your soul and lose it'.



এয়া পৰিচিত দৃশ্য ঃ শাৰী শাৰী বিবিধ মদৰ বটল । গুৱাহাটীৰ এজন প্ৰাচীন মদ ব্যৱসায়ীৰ মতে জনতা চৰকাৰৰ দিনত যুক্তিহীনভাৱে বিবিধ কৰ লগাই বিলাতী মদক এনে 'বিলাতী' কৰি তুলিলে যে আজিকালি সৰহভাগেই এই মদ পৰিহাৰ কৰি 'দেশী' মদত ধৰিছে । সমীক্ষা মতে এইবোৰ নামতহে 'ফৰেন' লিকাৰ । গুণগত ভাৱে বেচ অধম

মদপীয়ে এই যুক্তি নামানে । ফুটুকাৰ ফেন । সৃষ্টিশীল মানুহ এই পৃথিৱীত যিমান আছে, যাৰ ভিতৰত আছে শিল্পী, কবি, গায়ক, ভাস্কৰ্য্যশিল্পী, অভিনেতা বা আন মৌলিক চিন্তাবিদ—সকলোৰে সৃষ্টিৰ মাই প্ৰেৰণা মদ । জে এছ ব্লেকিয়ে কৈছে ঃ 'মদ ভগবানৰ পানীয়, গাখীৰ শিশুৰ, চাহ নাৰীৰ আৰু পানী জীৱজন্তুৰ ।' সীমিত জোখত মদ খাব পাৰিলে হেনো বহু অসাধ্য কামো সাধন কৰিব পাৰি । স্বাভাৱিক অৱস্থাত মানুহে কৰিব নোৱৰা বহু কাম মদৰ ৰাগীত কৰি উঠাটো সম্ভৱ হয় । ডঃ জনছনে কৈছে ঃ 'ইট মেকছ মেন বেটাৰ প্লিজড উইথ হিমছেলফ ।' বহুতে বিশ্বাস কৰে যে মদৰ স'তে জীৱনৰ কৃতকাৰ্যতা অথবা পৰাজয়ৰ কোনো সম্পৰ্ক নাই । মদ খাইও বহু মানুহ জীৱনত উন্নতি তথা প্ৰাচুৰ্য্যৰ উচ্চ শিখৰলৈ গৈছে । অথচ পানীয়ৰ ক্ষেত্ৰত নিৰামিষ বহুজনৰ জীৱনত জমাৰ ঘৰত শূন্য দেখা গৈছে । অৱশ্যে এই আটাইবোৰ যুক্তিৰ নিজস্ব বিশ্লেষণ আছে । প্ৰথম মানুহে মদ খাবলৈ লোৱাৰেপৰা নিশ্চয় এই দুই পক্ষীয় যুক্তিৰ টাগ অব ৱাৰ । বাৰ্ট্ৰাণ্ড ৰাছেলৰ দৰে টিটোটেলাৰ এজনে যেতিয়া কয় যে মদ্যপানৰ আন এটি নাম হ'ল 'সাময়িক আত্মহত্যা' বা মদৰ ৰাগীত পোৱা আনন্দ 'খন্তেকীয়া আৰু নেতিবাচক' ; সমপৰ্যায়ৰ স্বনামধন্য ৰাজনীতিবিদ উইনষ্টন চাৰ্চিলে আকৌ কয় ঃ 'মইহে মদৰপৰা বেছি আহৰণ কৰিছোঁ, মদে মোৰ পৰা একো নিব পৰা নাই ।' কাৰ কথা মানিব ?

মদৰ বা মদ্যপানৰ বিৰোধিতা কৰা নীতিশাস্ত্ৰবিদৰ মাজতো মদ খোৱা নোখোৱা লৈ মতভেদ আছে । কোনোবাই কৈছিল মদ নিবাৰণী কথাটোৱে দেশখনক তিনিভাগত ভগালে । ড্ৰাই, ৱেট আৰু হিপ'ক্ৰিট । মদ খোৱাটো যেনেদৰে কাৰোবাৰ বাবে অভ্যাস আৰু জীৱনৰ একান্ত নিবিবিলি সংগী হৈ পৰে, কাৰোবাৰ বাবে সেয়া অপৰাধৰ, অপযশৰ আৰু অপকৰ্মৰ কালিকা লগা প্ৰতীক হৈ পৰে। অথচ লুকাই-চুৰকৈ বহুতেই মদ খায় । বহু মন্ত্ৰী,

OKDISCD

উপমন্ত্ৰী, পালি মন্ত্ৰী, বহু মদ নিবাৰণী আন্দোলনৰ হোতাই, বহু সমাজসেৱীয়ে লুকাই-চুৰকৈ মদ খোৱাৰ দেখাৰ প্ৰমাণ আছে। অথচ সাধাৰণ মানুহে মদৰ গিলাচত মুখ থ'লেই মহাভাৰত অশুদ্ধ হৈ পৰে। মদৰ ক্ষেত্ৰত এই দুমুখীয়া মনোভাৱে বহু অহিত সাধন কৰিছে।

প্ৰশ্ন উঠে আমাৰ দেশত মদৰ ক্ষেত্ৰত এনে মনোবৃত্তি কিয় ? পশ্চিমীয়া বহু দেশতে পানীৰ দৰে মদৰ ব্যৱহাৰ। সেইবোৰ দেশতো একেই সমস্যানে ? বিভিন্ন খতিয়ানৰপৰা জনা যায় যে আমেৰিকা, ইংলণ্ড, ছোভিয়েট ৰুছিয়া আদি উন্নত ধনী ৰাষ্ট্ৰসমূহতো মদ্যপান এক সামাজিক সমস্যা স্বৰূপ হৈ উঠিছে। যাৰ বাবে সেইবোৰ দেশতো আমাৰ দৰে মাদক দ্ৰব্য নিবাৰণী অভিযান নচলালেও বা সম্পূৰ্ণ মদ নিবাৰণৰ প্ৰসংগৰ উত্থাপন নহলেও, অতি বেছি মদ্যপান ৰোধ কৰিবলৈ নানান ব্যৱস্থা হাতত লোৱা হৈছে।

আমাৰ দেশত মদ্যপান বা আন মাদক দ্ৰব্যৰ ব্যৱহাৰৰ বিৰোধিতাৰ এক স্বকীয়া পটভূমি আছে। ভাৰতৰ নিচিনা এখন দুখীয়া দেশৰ জনসাধাৰণৰ আৰ্থিক, শাৰীৰিক, নৈতিক, পাৰিবাৰিক, সামাজিক আৰু আধ্যাত্মিক জগতত বিভিন্ন মাদক দ্ৰব্যই যি অপকাৰ অমংগলৰ সৃষ্টি কৰিছে, তালৈ লক্ষ্য ৰাখিয়েই স্বাধীন ভাৰতবৰ্ষৰ সংবিধানত নীতি নিৰ্দেশক অধ্যায়ৰ ৪৭ অনুচ্ছেদত মাদক দ্ৰব্য নিবাৰণৰ ব্যৱস্থা লবলৈ চৰকাৰক নিৰ্দেশ দিয়া হৈছে। গান্ধীজীয়ে জাতীয় কংগ্ৰেছৰ নেতৃত্ব বহন কৰি দেশবাসীক স্বাধীনতা সংগ্ৰামৰ বাবে প্ৰস্তুত কৰোঁতে মাদকতা বৰ্জন এটা অৱশ্য-পালনীয় কৰ্তব্য হিচাপে কাৰ্যসূচীৰ অন্তৰ্ভুক্ত কৰিছিল আৰু মাদক দ্ৰব্য বৰ্জন আন্দোলন স্বদেশী আন্দোলনত এটি বিশিষ্ট আৰু গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। গান্ধীজীয়ে মদ খোৱা অভ্যাসটো এটি ঘৃণনীয় অপৰাধ হিচাপে গণ্য কৰিছিল আৰু ইয়াক বেশ্যা বৃত্তি আৰু চুৰ কৰাতকৈ হীন আচৰণ বুলি নিন্দা কৰিছিল। গান্ধীজীয়ে কৈছিল : 'মোক যদি কেতিয়াবা এদিনৰ বাবেও ভাৰতৰ শাসনৰ দায়িত্বৰ সুবিধা দিয়া হয়, মই মোৰ শাসনৰ প্ৰথম ঘন্টাৰ ভিতৰতে দেশৰ সকলোবোৰ মদৰ দোকান বিনা ক্ষতি-পূৰণে বন্ধ কৰি দিম।'

গান্ধীজীৰ (গান্ধীৰ এটা পুতেক ঘোৰ মদপী আছিল) মদৰ প্ৰতি বীতৰাগৰ বৃদ্ধি আছিল স্পষ্ট। গান্ধীজীয়ে বুজিছিল, বৃটিছসকলে ভাৰতলৈ আহি শাসনৰ ৰাষ্ট্ৰজৰী হাতত লোৱাৰ উপৰিও ভাৰতীয় সৰৱ বাহ্যিক জীৱনৰ ৰীতি-নীতি, জীৱনধাৰণৰ গতি-প্ৰকৃতিৰ ওপৰতো প্ৰভাৱ পেলাইছিল। বৃটিছ শাসনৰ তলত মদ খোৱাটোৱে আভিজাত্য আৰু প্ৰগতিশীলতাৰ সন্মান পাইছিল। আনহাতে মদৰ প্ৰচলন যাতে বৃদ্ধি পায় আৰু ৰাজহ বৃদ্ধি পায় তাৰবাবে বৃটিছ চৰকাৰে মদ তৈয়াৰ কৰি বিক্ৰি কৰিবৰ বাবে নিলামৰ ব্যৱস্থা কৰিছিল। এটি খতিয়ান মতে বৃটিছৰ চক্ৰান্তত আবকাৰী ৰাজহ ১৮৬১ চনত আছিল ২ কোটি টকা, ১৯৩০ চনত হৈগৈ প্ৰায় ১৭ কোটি টকা। এনেদৰেই বিদেশী মদৰ প্ৰচলন বাঢ়ি আহিছিল। মদৰ অবাধ প্ৰচলনে দুখীয়া ৰাইজক শোষণ কৰি বিদেশী চৰকাৰৰ ৰাজহ বৃদ্ধি কৰাৰ উপৰিও শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক অধঃপতনৰ পথত জনসাধাৰণক আগুৱাই দিয়াত দেশৰ মংগলকামী লোকসকল চিন্তিত হৈ পৰিছিল। তিলক, গোখলে, ব্ৰাহ্ম সমাজৰ প্ৰতিষ্ঠাতা কেশৱ সেন আদিয়ে এই নীতিৰ বিৰোধিতা আৰু বহু অনুনয় বিনয় কৰাৰ পাছতো একো ফল নোপোৱাত হতাশ হৈ পৰিছিল। কিন্তু গান্ধীজীৰ নেতৃত্বত এই বিক্ষোভ আন্দোলনত পৰিণত হয়। ১৯২১ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ আহমেদাবাদ অধিবেশনতে দেশত সম্পূৰ্ণ মদ নিবাৰণ প্ৰস্তাৱ প্ৰথমে গৃহীত হয় আৰু সেই বছৰত আৰম্ভ হোৱা অসহযোগ আন্দোলনত মাদক দ্ৰব্য নিবাৰণ অভিযানত মদ, ভাং, কানিৰ বিক্ৰি বন্ধ কৰিবলৈ দোকানসমূহত পিকেটিং কৰা হয়। এই অভিযানতে অসমত কানি নিবাৰণৰ ক্ষেত্ৰত ভালেখিনি কৃতকাৰ্যতা আছে। ১৯৩১ চনৰ কৰাচী অধিবেশনত কংগ্ৰেছে দৰবৰ বাহিৰে সকলো মাদক দ্ৰব্য সম্পূৰ্ণ নিবাৰণৰ প্ৰস্তাৱ পুনৰ গ্ৰহণ কৰে। ১৯৩৫ চনৰ শাসন প্ৰণালী অনুসৰি ১৯৩৭ চনত প্ৰাদেশিক স্বায়ত্ব শাসন প্ৰবৰ্তন কৰাত যি সাতখন প্ৰদেশত কংগ্ৰেছে শাসনৰ দায়িত্ব লৈছিল সেইকেইখন প্ৰদেশত কংগ্ৰেছ-ঘোষিত নীতি অনুযায়ী মাদক দ্ৰব্য নিবাৰণ, বিশেষকৈ মদ নিবাৰণ কাৰ্যকৰী কৰাৰ ব্যৱস্থা লোৱা হৈছিল। ৰাজাজীৰ নেতৃত্বত মাদ্ৰাজে প্ৰথম মদ নিবাৰণ কাৰ্যকৰী কৰে আৰু আবকাৰী কৰৰ হানি সাধাৰণ বিক্ৰি কৰেৰে পূৰণ কৰে। কিন্তু এই অভিযানৰ সুফল নোপাওঁতেই দ্বিতীয় মহাসমৰে সকলো ওলট-পালট কৰি দিয়াত মদ নিবাৰণী অভিযান বাধাপ্ৰাপ্ত হয়। মদ আকৌ সংক্ৰামক ব্যাধিৰে দৰে বিয়পিবলৈ লয়।

১৯৪৭ চনত স্বাধীনতা লাভৰ পাছত প্ৰদেশবোৰত জনপ্ৰিয় চৰকাৰ গঠিত হোৱাতহে পুনৰ মদ নিবাৰণী ব্যৱস্থাৰ প্ৰবৰ্তন হয়। মাদ্ৰাজ, মহাৰাষ্ট্ৰ, কেৰেলা, মধ্য প্ৰদেশ, মহীশূৰ পঞ্জাব, উত্তৰ প্ৰদেশ, উৰিষ্যা আৰু অসমত সম্পূৰ্ণকৈ বা আংশিকভাৱে মদ নিবাৰণী ব্যৱস্থাৰ প্ৰচলন কৰা হয়। এই ব্যৱস্থাৰো নানান কেৰোণ। ফলত মদ নিবাৰণৰ যুক্তিযৌক্তিকতা লৈ বাদ-বিসম্বাদ, মতভেদৰ মূৰত মাত্ৰ মাদ্ৰাজ আৰু গুজৰাটতহে মদ নিবাৰণৰ ব্যৱস্থা থাকিল। আনবোৰ ৰাজ্যত মদ নিবাৰণী আইন নানান ধৰণে সংশোধন কৰি শিথিল কৰি দিয়া হ'ল। কোনো কোনো ৰাজ্যই (অসম) দুই এখন জিলাত মদ নিবাৰণৰ ব্যৱস্থা কৰি বাকী অঞ্চলত বাধানিষেধ নাৰাখি মদ নিবাৰণৰ প্ৰহসন কৰিছে। ফলত মদ নিবাৰণ নকৰা হ'লে যিমান মদৰ প্ৰচলন হ'লহেঁতেন তাতকৈ এতিয়া কোনো গুণে কম হোৱা নাই। এজনে আক্ষেপ সুৰত লেখিছে কৈছে : এনে আন্তৰিকতা-হীন ব্যৱস্থা মদ নিবাৰণী অভিযানৰ অগ্ৰগতিৰ অন্তৰায় হৈ আছে আৰু বাস্তৱত এই অভিযান ব্যৰ্থতাত পৰিণত হৈছে।

মদৰ একো উপকাৰ নাইনে ? বহুতে কয় যে মদে টনিকৰ দৰে কাম কৰে। কথাষাৰ কিন্তু সঁচা নহয়। ইয়াৰ অপকাৰিতা সকলোৱে স্বীকাৰ কৰে অথচ ই সমাজ জীৱনৰ এক অপৰিহাৰ্য্য অংগ স্বৰূপে জীয়াই আছে। মাদক দ্ৰব্যই অকল শাৰীৰিক স্বাস্থ্যৰে অৱনতি নঘটায়, ই মানসিক, নৈতিক আৰু অৰ্থনৈতিক দিশতো নানান সমস্যাৰ সৃষ্টি কৰে। মদে এলকহলজনিত নানান ৰোগৰ সৃষ্টি কৰে। মানসিক বিকৃতি ঘটায়, ঘৰুৱা অশান্তিৰ সৃষ্টি কৰে। বিবাহ বিচ্ছেদ, দাম্পত্য কলহ, শ্ৰমিকৰ কাম-কাজৰপৰা অনুপস্থিতিৰ বাবে আয় কৰ্তন, ঔদ্যোগিক উৎপাদনত ব্যাঘাত, যান বাহনৰ দুৰ্ঘটনাত জীৱন আৰু সম্পত্তি নাশ আদি এশ এটা কুফলৰ উদ্ভৱ কৰে। বিশেষকৈ নিম্ন আয়ৰ লোকসকলৰ অৰ্থনৈতিক দিশত মদে যথেষ্ট হানি কৰে। মদত কৰিবলগীয়া ব্যয়ৰ বাবে ঘৰ-সংসাৰৰ অত্যাৱশ্যকীয় অভাৱৰ প্ৰয়োজনীয় বস্তুকো আওকাণ কৰিবলগীয়া হয়। ফল স্বৰূপে, পৰিয়াল দুৰ্ভিক্ষৰ গ্ৰাসত পৰে। সামাজিকভাৱে বিচাৰ কৰি চালেও মদপী লোকসকল সহজে দুৰ্নীতিপৰায়ণ হৈ উঠে। আজিকালি যি কোনো কাম আদায় কৰিবলৈ মদৰ আশ্ৰয় লোৱা হয় আৰু এটি সমীক্ষা মতে মদৰ যোগেদি শতকৰা ৬৫ ভাগ নোহোৱা কামো হৈ উঠে। সাম্প্ৰতিক কালত সামাজিক শিষ্টাচাৰৰ পোছাকী নাম হ'ল 'পাৰ্টি'।

চিয়েৰচ ! গুৱাহাটীৰ বিয়েৰ বাৰ এখনৰ ভিতৰ চ'ৰা। ছফট ড্ৰিংক হিচাপে পৰিচিত বিয়েৰৰ চাহিদাও অধিক। বিয়েৰ শৰীৰৰ বাবে ক্ষতিকাৰক নহয় বুলি কোৱা যুক্তিও চিকিৎসকসকলে নামানে। গুৱাহাটীত লাইচেন্সযুক্ত বিয়েৰবাৰ তিনিখন। কিন্তু য'তে ত'তে সহজ দামত বিয়েৰ কিনিবলৈ পোৱা যায়। এঠাইৰ দামৰ স'তে আন এঠাইৰ দাম নিমিলে







খাওঁতাৰ বাবে নিজস্ব বাচনি থাকে। কিন্তু এই বটল ব্যৱসায়ীজনৰ বাবে কোনো বাচনি নাই। সন্তীয়া 'বক্সাৰ' ৰামৰ কাষতে দামী 'চেলাৰ ৱান ৱান ছেভেন' বা 'মেকডাৱেল ব্ৰেণ্ডিৰ' খালী বটল বিক্ৰিৰ বাবে মজুত। গুৱাহাটীত খালী বটলৰ ব্যৱসায় বিৰাট ব্যৱসায়। গুণগত বৈশিষ্ট্য লৈ বটলৰ দাম ত্ৰিছ পইচাৰপৰা সত্তৰ-আশী পইচালৈ উঠে



### মদাহী সন্মিলন ?

আজি কিছুদিনৰ আগতে 'মদাহী সন্মিলন' বুলি এটা বাতৰি খবৰ কাগজত প্ৰকাশ পাইছিল আৰু এই বাতৰিয়ে ৰাইজৰ মনত ভুল ধাৰণাৰ সৃষ্টি কৰিছিল। আচলতে 'মদাহী' বুলি এটা জনজাতি সম্প্ৰদায়ৰ উপজাতি আছে। তেওঁলোকে বৰঙনি তুলি এখন সন্মিলন পাতি তেওঁলোকৰ সম্প্ৰদায়ক কিছুমান সা-সুবিধা দিবলৈ চৰকাৰৰ ওচৰত দাবী জনাইছে। বাতৰি কাকতত "মদাহী সন্মিলন" বুলি বাতৰি প্ৰকাশ পোৱাত কিছুমান মন্তপায়ীয়েও হেনো কৈ ফুৰিছে যে মদপী সকলেও ৰক্ষনা-বেক্ষনৰ কাৰণে সংঘবদ্ধ হোৱা উচিত। ('জনকল্যাণ'ৰ পৰা)

ডাঃ শ্ৰীমতী সুশীলা নায়াৰে এঘাৰ সোণ-সেৰীয়া কথা কৈছে। তেওঁৰ মতে মদ নিবাৰণৰ এটি শক্তিশালী অন্তৰায় হৈছে বিশ্বজোৰা আধুনিকতা আৰু ব্যক্তি স্বাতন্ত্ৰ্যৰ মনোবৃত্তি। আমি ইমানেই পশ্চিমৰ অন্ধ অনুকৰণেৰে অনুপ্ৰাণিত হৈছোঁ যে আজিকালি নিজস্ব ঐতিহ্য, কৃষ্টি, সংস্কৃতি তাচপাতৰ দৰে দলিয়াই পাখী গুজি ম'ৰা হোৱাৰ চেষ্টাত মতলীয়া হৈ উঠিছোঁ। ফলত মদে আমাৰ ভিতৰজীৱনৰ চাৰিবেৰো ছুইছেগৈ। অইন নালাগে অসমীয়া মহিলা বা গাভৰুৰ পাৰ্মিট ৰুমত সাক্ষাত সৌভাগ্য আজি আৰু আকাশকুসুম হৈ থকা নাই।

মদৰ অপকাৰিতা সম্পৰ্কে জানিও ইয়াক কিয় পৰিহাৰ কৰা নহয় সেইটো চিন্তনীয় বিষয়। ১৯৩২ চনত হাৰবাৰ্ড ইয়েল, কলম্বিয়া বিশ্ববিদ্যালয় আৰু ৰকফেলাৰ ইনষ্টিটিউট অব মেডিকেল ৰিচাৰ্চত চলোৱা পৰীক্ষা-নিৰীক্ষাৰ ফলাফল হিচাপে প্ৰকাশ কৰা সুৰা আৰু মানুহ নামৰ পুস্তিকাত কেইবাজনো খ্যাতনামা চিকিৎসকে প্ৰবন্ধ লিখিছে আৰু মাৰ্কিন চিকিৎসক সন্মিলনৰ সভাপতি ডঃ আৰ্টাৰ বিভেনেই মতামত দি কৈছে যে মদ টনিক হ'ব নোৱাৰে। ই ক্ষন্তেকৰ কাৰণে উত্তেজনাৰ সৃষ্টি অৱশ্যে কৰিব পাৰে। কিন্তু ই ওলোটা ক্ৰিয়াহে কৰে। এটি জাপানী প্ৰবাদত আছে: প্ৰথমে মানুহে মদ খায়, পাছত মদে মদক খায়, তাৰ পাছত মদে মানুহটোক খায়।

চিকিৎসকসকলে মদৰ বাবে বিবিধ ৰোগ সৃষ্টি হোৱাৰ প্ৰমাণ পাইছে। অতিপাত মদ খোৱাৰ ফলত হৃদপিণ্ড, স্নায়ুমণ্ডলী, মস্তিষ্ক, যকৃত আদি শৰীৰৰ বিভিন্ন অংশত প্ৰায় পয়ত্ৰিছবিধ ৰোগ সৃষ্টি হ'ব পাৰে। তদুপৰি মদে নিদ্ৰাহীনতা, অকাল বাৰ্দ্ধক্য, চকু ৰঙা-পৰা, যক্ষ্মা, বহুমূত্ৰ আদি ৰোগৰ উদ্ভৱ হয়। তথাপি মদৰ স'তে পোনপটীয়াভাৱে জড়িত আৰু ক্ষতিগ্ৰস্ত হোৱা অংগ কেইটি হ'ল যকৃত, মগজু আৰু হৃদযন্ত্ৰ। বহু পৰীক্ষা-নিৰীক্ষাৰ পাছত চিকিৎসকসকল এটি সিদ্ধান্তলৈ আহিছে যে যি কোনো পৰিমাণৰ মদেই নহওক কিয়, ই শৰীৰত বিৰূপ ক্ৰিয়া কৰিবই। এই সন্দৰ্ভত যশস্বী মনস্তত্ত্ববিদ নিল কেছেল আৰু হেনৰি

### সুৰাপান আৰু জন্ম-নিয়ন্ত্ৰণ

সুৰাপানৰ অপকাৰিতা সম্পৰ্কে যেয়ে যি নকওক, ইয়াৰ উপকাৰো একেবাৰে নোহোৱা নহয়। মদ হয়তো এটি সৰ্বোৎকৃষ্ট জন্ম-নিয়ন্ত্ৰক হিচাপে মানুহৰ কামত আহিব পাৰে।

"ডায়েল্প" আলোচনীত প্ৰকাশ হোৱা এটা প্ৰতিবেদনৰ মতে পিটচবাৰ্গ বিশ্ববিদ্যালয়ৰ স্কুল অব মেডিচিনৰ ডেভিড ভেন থীল আৰু তেওঁৰ সহকৰ্মীসকলে প্ৰমাণ কৰিছে যে কোনোবাই পাঁচ বছৰতকৈ অধিক কাল দৈনিক এক পাইন্ট হুইস্কি, ব্ৰেণ্ডি বা ৰাম-জাতীয় আচল মদ গলাধঃকৰণ কৰে, তেন্তে ই মানুহৰ ক্ষেত্ৰত পুৰুষত্বহীনতা, বীৰ্যহীনতা আৰু স্ত্ৰীৰ লক্ষণ প্ৰাপ্তিৰ কাৰণ হয় আৰু তিৰোতা মানুহৰ ক্ষেত্ৰত অকালতে মাহেকীয়া বন্ধ [illegible] হয়।

কেইবাটাও পৰীক্ষাৰ পৰা দেখা গৈছে যে সুৰাপানৰ [illegible] আৰু [illegible] ফলত বীৰ্য উৎপাদন কমি যায় আৰু পুৰুষৰ প্ৰজনন ক্ষমতা হ্ৰাস পায়। [illegible] মদে ক্ষেত্ৰত থকা টেষ্টোষ্টেৰনৰ পৰিমাণ কমোৱাৰ লগতে পুৰুষৰ যৌন-ক্ষুধাও হ্ৰাস কৰে আৰু বহু ক্ষেত্ৰত অক্ষমতাও সৃষ্টি কৰে।

প্ৰতিবেদনখনৰ মতে মদ খোৱা মানুহৰ ছালৰ তলৰ কোষবিলাকত বিজ্ঞানীসকলে এষ্ট্ৰোজেন-জাতীয় কম্পাউণ্ডৰ আধিক্য দেখা পাইছে। ইয়াৰ লগতে শৰীৰত টেষ্টোষ্টেৰনৰ উৎপাদন কমি যোৱাৰ ফলত লিংগ ভেদৰ গৌণ লক্ষণবোৰৰ পৰিবৰ্তন দেখা যায়।

এই কথা অৱশ্যে প্ৰায় ৪০০ বছৰৰ আগতেই মহাকবি শেক্সপিয়াৰে মেকবেথৰ মদাহী দুৱৰীটোৰ মুখেদি কোৱাইছিল। মদৰ গুণা-গুণৰ কথা কওঁতে দুৱৰীটোৱে কৈছিল:

"Lechery, sir, it provokes and unprovokes: It provokes the desire, but it takes away the performance." অৰ্থাৎ "মদে [illegible] [illegible] আৰু লগতে [illegible]। [illegible] [illegible]।" [illegible] জন্ম-নিয়ন্ত্ৰণৰ উপায়ৰ [illegible] [illegible] কৰিব [illegible]

ৰাল্টনৰ 'এ'লকহলিজম' নামৰ গ্ৰন্থৰ এই কথাখিনি উল্লেখ কৰিব পাৰি:

it is difficult to separate the man from the disease because so much of his energy and his actions are bound up in the addictive drinking and its consequences.

মদ নিবাৰণী আন্দোলনৰ স'তে জড়িত ব্যক্তিয়েও মুক্তকণ্ঠে স্বীকাৰ কৰিছে যে মদ নিবাৰণী আইন প্ৰণয়ন কৰিও লেজুত ধৰি বল নিদিয়া নীতিয়ে মদৰ প্ৰচলন কমাওক চাৰি বঢ়ালেহে।....চাহ দোকান, পান দোকান, হোটেল আদিত মদ অবাধে বিক্ৰি হ'ব ধৰিছে। বনভোজ, প্ৰীতি ভোজত মদৰ প্ৰচলনৰ কথা আজি কোনেও নজনাকৈ থকা নাই। অনেক উচ্চশিক্ষিত লোকেও মদ খোৱা অভ্যাস আভিজাত্য আৰু সমাজত প্ৰাতষ্ঠাৰ লক্ষণ বুলি সাৰাত্মক আদৰ্শ প্ৰচাৰ কৰাত লাগিছে আৰু ফলত ই আন লোকলৈকো বিয়পিছে।





পাণবাৰীত পোৱা চুলাই মদৰ ঝাৰিকেন আৰু অন্যান্য সামগ্ৰীৰ একাংশ।
বৃহত্তৰ গুৱাহাটীৰ আশেপাশে বহুতো চুলাই মদৰ ঘাটি থকাৰ কথা শুনা যায়। কথাটো সঁচা নে মিছা, তাৰ আন প্ৰমাণ নালাগে, বিভিন্ন শ্ৰেণীৰ যিমান মদাহী বাটে-ঘাটে পোৱা যায়, সেই সংখ্যাটোৱেই তাৰ প্ৰমাণ। বাটে-ঘাটে প্ৰমাণে পিয়াঁপি দি ঘূৰি ফুৰিলেও সেই ঘাটিবোৰ ধৰা নপৰে। যিটো উদ্যমেৰে অসম-বন্ধ, পথ-বন্ধ আদিৰ দিনত বাটত মানুহ গ্ৰেপ্তাৰ কৰা হয়, তাৰ এশভাগৰ এভাগ উদ্যমেৰে মহাত্মা গান্ধীৰ মনোবাঞ্ছা এমাহতে আথৰে-আখৰে পূৰণ কৰিব পৰা যায়
( ছবি: ৰাঃ মাঃ নিঃ পঃ )

উল্লেখ কৰিব পাৰি যে মদৰ এই আতংকৰ কথা জানিয়েই সমগ্ৰ দেশতে মদ নিবাৰণৰ প্ৰস্তাৱো উঠিছে। কিন্তু এই ক্ষেত্ৰত যিটো সমস্যাই সদায়ে মূৰ দাঙি উঠিছে সেইটো হৈছে ইয়াৰ দ্বাৰা হেৰুৱাবলগীয়া আবকাৰী ৰাজহৰ আয়। ন্যায়াধীশ টেকচান্দৰ নেতৃত্বত গঠিত হোৱা অধ্যয়ণকাৰী দলে পৰিকল্পনা আয়োগক ১৯৬৪ চনত দাখিল কৰা প্ৰতিবেদন মতে সমগ্ৰ ভাৰতবৰ্ষত মদ নিবাৰণী আইন বলৱৎ কৰিলে মুঠতে প্ৰায় ৬৫ কোটি টকা আয় কমিব। কিন্তু আবকাৰী ৰাজহৰ এই ক্ষতি পূৰাবলৈ বিকল্প অন্য ব্যৱস্থা সহজে হাতত ল'ব পাৰি। ন্যায়াধীশ টেকচান্দৰ প্ৰতিবেদনতে উল্লেখ আছে যে সমগ্ৰ দেশতে মদ নিবাৰণী আইন বলবৎ কৰিলে বৰ্তমান ৰাজহৰ দেখাত ৪৬ কোটি টকা ঘাটি হ'ব, তাৰে ৩১ কোটি টকা সম্প্ৰতি মদ নিবাৰণ ব্যৱস্থা বলবৎ নথকা ৰাজ্যকেইখনত মদ কিনা খৰছো কমিব। অৰ্থাৎ ১৫ কোটি টকা ৰাজহৰ বছৰি ঘাটি হ'ব। জনসাধাৰণৰ মংগলৰ কাৰণে, উন্নয়নমুখী অৰ্থনীতিৰ অগ্ৰগতিৰ বাবে ৰাষ্ট্ৰই এই ঘাটি বহন কৰিবই লাগিব। এই পটভূমিত অন্য এটা দিশো বিবেচনা কৰি চাবলগীয়া। আবকাৰী ৰাজহ হ'ল মানুহৰ দুৰ্গতিৰ ওপৰত বহুৱা ৰাজহ আৰু মানসিক সুস্থিৰতা নথকা অৱস্থাত আদায় কৰা ৰাজহ। এটকা ৰাজহ পাবৰ বাবে চাৰি টকাৰ মদ খুউৱা হয় আৰু চৰকাৰে যদিও প্ৰতি চাৰি টকাত এটকা ৰাজহ পায়, মদ প্ৰচলনৰ পৰা হোৱা আয়ৰ মোটা অংশ উৎপাদনকাৰী ব্যৱসায়ী, দালাল আদিয়েহে পায়।

মদ নিবাৰণৰ পৰোক্ষ চেষ্টা হিচাপে এনে এটা মত পোষণ কৰা হয় যে মদৰ যদি দাম বাঢ়ে, মানুহে কমকৈ খাব। ধাৰণাটো বিভ্ৰান্তিকৰ। কিছু সংখ্যক মানুহে এই ক্ষেত্ৰত বাধা পাব ঠিকেই, কিন্তু যি মদৰ ৰাগীত মতলীয় তেনেজনে মদ খাবই, দাম যিয়ে নহওক। সেইবাবেই নিবাৰণৰ মূল লক্ষ্য হ'ব লাগিব যে মদ পাবই নালাগিব।

এই ক্ষেত্ৰত উত্তৰ হয় আন এটি সমস্যাৰ। বিলাতী মদৰ দাম বেছি বা বস্তুটো পোৱা দুৰূহ বাবে মদৰ প্ৰচলন কমিছেনে? নাই কমা। বৰং ইয়াৰ ফলত দেশী মদ বা বিভিন্ন নিচাযুক্ত সামগ্ৰীৰ সানমিহলিৰে নিৰ্মাণ কৰা মদৰ চাহিদা বৃদ্ধি পাইছে। এইবিধ দেশী মদৰ বিভিন্ন নাম। প্ৰচলিত নাম চুলাই। কোনো কোনোৱে কয় পাচুৱাই। এই মদ তৈয়াৰীৰ কাহিনী ৰহস্য উপন্যাসৰ দৰে চমকপ্ৰদ। যি এই মদ তৈয়াৰ কৰে তেওঁলোকৰ লক্ষ্য হ'ল সহজতে আৰু ক্ষিপ্ৰগতিত যাতে খাওঁতাৰ নিচা হয়। তাৰ বাবে তেওঁ-

### ক্ৰুশ্চভে মদ খোৱা নাছিল

১৯৫৫ চনত তেতিয়াৰ ছোভিয়েট প্ৰধান মন্ত্ৰী মিঃ নিকিতা ক্ৰুশ্চভ আৰু বুলগেনিন ভাৰত ভ্ৰমণলৈ আহোঁতে বম্বেলৈকো গৈছিল। প্ৰাক্তন প্ৰধান মন্ত্ৰী আৰু মদ নিবাৰণী অভিযানৰ গোড়া সমৰ্থক তথা প্ৰবক্তা মোৰাৰজী দেশাই তেতিয়া চৰকাৰৰ লগত জড়িত আছিল। শ্ৰীদেশাইৰ নিজৰ ভাষাত: 'ময়ে তেওঁলোকক সুৰাপানৰ অনুমতি-পত্ৰ দিছিলোঁ। আজিকালিও বিদেশী লোকক অনুমতি পত্ৰ দিয়া হয়। যেতিয়া মই অনুমতি পত্ৰ দিছিলোঁ মিঃ ক্ৰুশ্চভে কৈছিল: 'আমি ইয়াত সুৰা স্পৰ্শ নকৰোঁ। আপুনি যি কৰিছে তাৰ প্ৰতি আমি সন্মান প্ৰদৰ্শন কৰিম। আমিও আমাৰ তাত কৰিব পাৰিলে ভাল আছিল, কিন্তু আমি নোৱাৰোঁ; তাত প্ৰত্যেকেই মদ খায়; সেইবাবে বৰ অসুবিধা। আমি শুভেচ্ছা জনাইছোঁ আপুনি সফল হওক। বম্বেত থকা কালত আমি ইয়াক স্পৰ্শ নকৰোঁ।'

লোক যিকোনো ধৰণৰ সামগ্ৰী ব্যৱহাৰ কৰিবলৈ সাজু। স্পিৰিট, বাৰ্নিছ তেল, পুৰণি জোতা পানীত থৈ তাৰ পৰা ওলোৱা ৰস, পচা ফলৰ ৰস, পোকে ধৰা চাউলৰ পানী ইত্যাদি। এইবোৰ মিহলাবলৈ যি পানী ব্যৱহাৰ কৰা হয় সেই পানীও কোনো বন্ধ নৰ্দমা বা সহজে ওচৰতে পোৱা পুখুৰীৰ পৰা লোৱা হয়। এই চুলাই মদৰ দাম কম। গতিকে মদপীৰ বাবে সেয়াই অমৃত। কিন্তু এই বিষাক্ত মদৰ ক্ৰিয়াই মানুহৰ শৰীৰত যি অঘটন ঘটায় সেয়া কল্পনাৰ অতীত। বিষাক্ত মদ খাই বিভিন্ন ঠাইত শ শ মানুহৰ মৃত্যু ঘটাৰ বাতৰি কাৰো অজান নহয়। ইংৰাজীত ইয়াৰে নাম 'কিলাৰ ড্ৰিংক'। দেশৰ সৰ্বত্ৰ এই চুলাই মদৰ অবাধ প্ৰচলন কলিকতা, বম্বে, দিল্লী আদি মহানগৰীত এই চুলাই মদকে ৰং চালি ঠিক বিলাতী মদৰ দৰে ৰং-চঙীয়া লেবেলেৰে কৰ্কযুক্ত বটলত বিক্ৰী কৰাৰো উদাহৰণ আছে। সুবিধা অনুযায়ী এইবোৰৰ এটা নাম দি লোৱা হয়। যদি বস্তুটো ৰাম হয়, তেন্তে নাম দিয়া হ'ব 'ফাইভ এক্স ৰাম' (থ্ৰি এক্স ৰামৰ সতে মিল ৰাখি)। ব্ৰেণ্ডিৰ নাম থ'ব 'জয়পুৰ ব্ৰেণ্ডি'। হুইস্কিৰ নাম 'কছম'পলিটান'। এইবোৰ কৃত্ৰিম আৰু ভেজাল মদ সাধাৰণতে বিলাতী মদৰ দোকান-

গৰ্ভধাৰণৰ প্ৰথম চোৰাত তিৰোতা মানুহে আনকি এবাৰো যদি মাত্ৰাধিক সুৰাপান কৰে, তাৰ ফল গৰ্ভস্থ শিশুৰ বাবে মাৰাত্মক হ'ব পাৰে। নৰ্থ কেৰলাইনা বিশ্ববিদ্যালয়ৰ এটা গৱেষণাই অন্ততঃ এই কথাকে প্ৰতিপন্ন কৰিছে।


নিগনিক লৈ চলোৱা এটা গৱেষণাৰ ওপৰত ভিত্তি কৰি গৱেষক কেথলিন চুলিকে এই সিদ্ধান্তত উপনীত হৈছে যে নাৰীৰ গৰ্ভধাৰণৰ তৃতীয় সপ্তাহমানত এনে এটা সংকটপূৰ্ণ কাল থাকিব পাৰে যেতিয়া বাঢ়ি অহা ভ্ৰূণটো ফিটেল এলকহল ছিন্ড্ৰ'ম (Foetal alcohol syndrome) অৰ্থাৎ ভ্ৰূণৰ ওপৰত মদৰ প্ৰক্ৰিয়াজনিত সামূহিক লক্ষণত আটাইতকৈ গুৰুতৰ ভাৱে আক্ৰান্ত হয়।

'ছায়েন্স' নামৰ আলোচনীৰ শেহতীয়া সংখ্যাত এই গৱাকী গৱেষক আৰু তেখেতৰ সহকৰ্মীসকলে লিখা মতে:

"এইটো এনে এটা সময় যে সৰহসংখ্যক মহিলাই গৰ্ভধাৰণ হোৱাটো গমকে নাপায়। গম পোৱাসকলেও হয়তো উপলব্ধি নকৰে যে গৰ্ভধাৰণৰ আৰম্ভণীৰ কাল চোৱাত আনকি মাজে সময়ে পাৰ্টি আদিত মদ খোৱা বা এদিনমান সৰহীয়াকৈ মদ খোৱাটোও গৰ্ভস্থ শিশুৰ বাবে নিয়মীয়া অত্যধিক মদ্যপানৰ সমানেই অনিষ্টকৰ।"

ফিটেল এলকহল ছিন্ড্ৰ'ম বোলা সুৰাজনিত এই বিষ-ব্যাধিয়ে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰতি ৭৫০ টা নৱজাত শিশুৰ ভিতৰত এটাক আক্ৰান্ত কৰে। চেপেটা মুখ, সৰু নাক চকু, ঠেক কপাল, দীঘলীয়া ওপৰৰ ওঁঠ আৰু মানসিক বাধাগ্ৰস্ততা সৃষ্টি কৰিব পৰা জোখৰ স্নায়বিক বিকলতা, —এইবোৰেই হ'ল সুৰাপানে নৱজাত শিশুৰ চেহেৰাত আৰু মনত থৈ যোৱা স্বাক্ষৰ স্বৰূপ।

-খীঃ ৰেঃ




যোৱা ৫ আগষ্ট তাৰিখে তেজপুৰৰ গুপ্ত বাৰ্তা বিভাগৰ বিষয়া শ্ৰীবসন্ত কুমাৰ বৰুৱা আৰু তেখেতৰ দলৰ সহযোগত আবকাৰী সহকাৰী পৰিদৰ্শক শ্ৰীপুষ্পকান্ত শৰ্মাই তেওঁৰ চিপাহী সহ পাণবাৰী গাৱঁৰ এখন হাবিত এটা ডাঙৰ চুলাই মদৰ ভাটি নষ্ট কৰি দিয়ে আৰু অপৰাধী ছেৰপা দুজনক গ্ৰেপ্তাৰ কৰে

বোৰ নিৰ্দিষ্ট সময়ত বন্ধ হৈ যোৱাৰ পাছত বিক্ৰি হয়। চৰকাৰী মহলৰ মদৰ কথা স্বকীয়া। সেইবোৰৰ অন্ততঃ এটি নীতি-নিয়ম থাকে,—যদিও মহল লাভৰ ক্ষেত্ৰত প্ৰচলিত দুৰ্নীতি সৰ্বজনবিদিত। অসমত এখন অকংগ্ৰেছী চৰকাৰৰ পতনৰ মূলতেই বুলি খ্যাত এজন ক্ষুদ্ধ একছত্ৰী মদ ব্যৱসায়ীৰ কথা আজি কিম্বদন্তী হৈ গৈছে।

এই পটভূমিতে আৰু এটা কথা বিবেচ্য। অসমৰ ক্ষেত্ৰত এইটো গুৰুত্বপূৰ্ণ কথা। সেইটো হৈছে জনজাতীয় লোকসকলৰ মাজত মদ ব্যৱহাৰৰ ক্ষেত্ৰত থকা সামাজিক আৰু ধৰ্মীয় স্বীকৃতি। লাওপানী, আপং, কাকিয়াদ আদি বিভিন্ন নামেৰে আমাৰ জনজাতীয় ভাই-ভনীসকলে মদ তৈয়াৰ কৰি ইয়াৰ সামাজিক স্বীকৃতি আছে বুলি অবাধে সেইবোৰৰ প্ৰচলন





বটলৰ পাহাৰ। দাম ভৰ্তি বোতল বাকে মদ খোৱা কৰিছেনে? বটলটোৱে কওক কি ঢাকত প্ৰতিয়াত মদ্যপান চলি থাকে। তভ্ত টুৰৈৰীয়া ভূটান আৰু মেঘালয়কেন্দ্ৰিক চক্ৰটো সুকীয়াকৈ মাজত লোকা মদ চোৰাংকৈ সৰ্বত্ৰ বিক্ৰী পাৰিছে

কৰি আছে। যিহেতু এই ব্যৱস্থা পৰম্পৰাগত গতিকে ইয়াৰ কুফল বুজিবলৈ সময় লাগিব। কিছু কিছুৱে এইটো বুজিছে। বুজি পৰিহাৰো কৰিছে। কিন্তু মূল সমস্যাটো অন্যত্ৰ। জনজাতীয় লোকৰ মদ্যপান আৰু উৎপাদন পদ্ধতিৰ গইনা লৈ অজনজাতীয় লোকৰ মাজত এই মদৰ প্ৰচলনৰ ব্যাপকতা ক্ৰমাগত বাঢ়ি গৈছে। বিলাতী মদৰ ক্ৰমবৰ্দ্ধমান দাম বৃদ্ধিয়ে কম খৰচত অনায়াসে পোৱা, ঘৰতে তৈয়াৰী এনেবিধ মদৰ চাহিদা বৃদ্ধি কৰি তুলিছে। জনজাতীয় গাৱঁৰপৰা কলহে কলহে মদ আনি মুকলিভাৱে মদ খোৱাৰ ফেচন আজি নগৰ-সভ্যতাৰ অংশ হৈ পৰিছে। অইন নালাগে অকল গুৱাহাটীতে কিছু কিছু অঞ্চলত এনে মদ বিক্ৰিৰ ঘাটি ১০০ৰ পৰা ২০০লৈ। এটি সমীক্ষা মতে অসমত মদ তৈয়াৰ কৰোঁতে বছৰি প্ৰায় ১৫ লাখ মোন ধান নষ্ট হয়। তেনেদৰে গুড়ৰ খৰছো আছে। চোৰাং মদৰ ব্যৱসায় বন্ধ কৰিব নোৱৰা হেতুকে মদ নিবাৰণী প্ৰচেষ্টাও বাধাপ্ৰাপ্ত হৈ পৰিছে। এইটো ৰাষ্ট্ৰৰ বাবে দুৰ্ভাগ্যজনক।

অসমত মদ প্ৰচলনৰ আৰু দুটা সুঁতিৰ সংযোগত হাহাঁকাৰৰ সৃষ্টি হৈছে। সেই দুটা সুঁতিৰ উৎস হৈছে মেঘালয় আৰু দাঁতি কাষৰীয়া ভুটান। ভুটানৰ নিজস্ব মদ নিৰ্মাণৰ কাৰখানা আছে আৰু অতি উন্নতমানৰ লেবেলযুক্ত আকৰ্ষণীয় নামেৰে তেওঁলোকৰ উৎপাদিত বাবে বহণীয়া মদ অসমৰ প্ৰতি চহৰতে অবাধে সোমাই পৰিছে। ভুটানী মদৰ প্ৰতি মানুহ বেছি আকৰ্ষিত হয় কাৰণ ইয়াৰ দাম বৰ কম। চোৰাং ব্যৱসায়ীয়ে কোনো বাধা নোহোৱাকৈ বটলে বটলে ভুটানী মদ আনি সৰ্বত্ৰ মেলি দিছে। অইন নালাগে গুৱাহাটীৰ এক বিশেষ অঞ্চলৰ বেটোৱা ('ধাবা'।) সমূহত নিশা ছয় বজাৰপৰা যেন ভুটানী মদৰ ফোৱাৰাৰ সৃষ্টি হয় এই কথা আবকাৰী বিভাগেও জানে, পুলিচেও জানে। তথাপি সকলো নিৰ্বিকাৰ। দেখুৱাই মেলি দুই এবাৰ মাজতে 'ৰেইড' কৰে। সেয়াও মিছা। খবৰ দি থয় আগতে। তেনেদৰে শ্বিলঙৰপৰাও বিলাতী মদ বাকচে বাকচে আহে। কাৰণ মেঘালয় চৰকাৰৰ টেক্স নিয়মীয়া আৰু মাৰ্জিত। ফলত যিটো ৰামৰ বটলৰ দাম গুৱাহাটীৰ দোকানত ৩৭ টকা, শ্বিলঙত সেইটো ২৫ টকাতে পোৱা যায়। পানবজাৰৰ এখন প্ৰাচীন মদ ব্যৱসায়ী প্ৰতিষ্ঠানৰ মালিকে দুখেৰে কৈছিল: 'আমাৰ দোকানতকৈ আজিকালি বাহিৰতহে সস্তা।' অসমত মদৰ ইমান দাম হোৱাৰ গুৰিতে জনতা চৰকাৰৰ দিনৰ এজন বিত্তমন্ত্ৰীৰ আকোৰগোজ মনোভাৱ বুলি বহুতেই ক'ব খোজে ●●

॥ প্ৰবন্ধটি যুগুত কৰোঁতে ভূপৰাজ সিং, মিচু মাহালি, শ্ৰীগ্ৰাম নাৰায়ণ, দীনা মেহতা, ডাঃ সুশীলা শাস্ত্ৰী, শৰৎ চন্দ্ৰ গোস্বামীৰ লেখনী আৰু অসম সামাজিক মাধ্যক্ষ্য নিবাৰণী সমিতিৰ বিভিন্ন পুস্তিকাৰ সহায় লোৱা হৈছে ॥

কলহৰ মউ: জনজাতীয়সকলৰ মাজত মদ এতিয়াও ধৰ্মীয় আৰু সামাজিক স্বীকৃতিপ্ৰাপ্ত বস্তু। কিন্তু তাতো ঘুণে ধৰিছে। সুলভতে পোৱাত আৰু তৈয়াৰ কৰোঁতে বিশেষ অসুবিধা নোহোৱাত মদ নগৰ জীৱনৰ চাৰিসেৰৰ মাজতো সোমাই পৰিছে। গুৱাহাটীৰ বেলতলা, খানাপাৰা, বশিষ্ঠ, গণেশগুৰি, আজাৰা, উলুবাৰী, টকোবাৰী অঞ্চলত এনে মদৰ তৈয়াৰী কৰি বিক্ৰী কৰাটো এটি লাভজনক ব্যৱসায় হৈ পৰিছে



# দৈনন্দিন

## বজাৰ চোলা

পুৰাবেলা ৰাস্তাত যান-বাহন কম, বতৰ ভাল, মন-মিজাজো ভাল ;— এখন ৰিক্সাত উঠিলোঁ। মতলব,— গোপীনাথ বৰদলৈ পথেদি লাহে-ধীৰে গন্তব্যস্থললৈ গৈ থাকিম।



এবাৰ ৰিক্সাৱালাৰ পিঠিখনত চকু পৰিল। নীলা ৰঙৰ, খদ্দৰৰ নিচিনা কাপোৰৰ নতুন চোলা এটা। চোলাটোৰ হাত চুটি, কিন্তু ৰিক্সাৱালাটোৰ কিলাকুটি ঢাক খাই গৈছে। তাৰ নিচিনা আৰু দুখনমান হাত চোলাটোৰ হাতেদি সোমাই যাব। গাটোও হলো-মলো। এনেকুৱা চোলা মই একশ্ৰেণী চৰকাৰী চাকৰিয়ালৰ গাত দেখিছোঁ। ক'ত দেখিছোঁ, কাৰ গাত দেখিছোঁ,—হয়, ঠিক মনত পৰিছে, ৰেল বিভাগৰ চাফাইৱালাৰ গাত দেখিছোঁ।

ৰিক্সাৱালাটোক সুধিলোঁ, "তুমি এইটো চোলা ক'ত পালাহে ?"

"কিনি লৈছোঁ।"

"কিনি লৈছা ? ক'ৰপৰা কিনিছা ?"

"চাহ দোকান এখনৰপৰা।"

মই আমোদ পালোঁ। চাহ দোকানৰপৰা সি ৰেল বিভাগৰ চোলা এটা কিনিলে ? সুধিলোঁ, "চাহ দোকানত আকৌ চোলা কিনিবলৈ পালা কেনেকৈ ?"

ৰিক্সাৱালাই ঘটনাটো বৰ্ণালে। এদিন এক চাফাইৱালা চৰকাৰী চোলা পিন্ধি হোটেলখনত চাহ খাবলৈ সোমাল। সময় পুৱাবেলাৰ আঠ-ন বজাৰ ভিতৰত, তেতিয়াই চাফাইৱালা অলপ ৰজা-ৰজা ভাবত। সি ৰজাৰ মছলা লৈ আহিছে, তথাপি সি চাহ, পুৰী-তৰকাৰী খাব। খালে, কিন্তু পইচা দিবৰ সময়ত সি কথা নকয়। দোকানৰ মহাজনে পেৰাপেৰি কৰোঁতে যেতিয়া সি কথা কলে, তেতিয়া তাৰ মুখৰপৰা ৰজাৰ ভাষা, ৰজাৰ সুৰহে বেছিকৈ ওলাল। মহাজনে কলে, সেইবোৰ ফাংফুং নহব, চোলা খোল, নহলে ইয়াৰপৰা পলাই যাব নোৱাৰ। মহাজনে লক্ষ্য কৰিছিল, চোলাটো নতুন, অফিছৰপৰা ইছু কৰা দুদিনো হোৱা নাই চাগৈ।

ইমান সহজে সমস্যাটো সমাধান হ'ব বুলি চাফাইৱালাই ভবাই নাছিল। সি তৎক্ষণাত চোলাটো খুলি, মহাজনৰ সমুখৰ টেবুলত পেলাই দিলে।

মহাজনে কলে, "কাইলৈ আবেলিৰ ভিতৰত চাহৰ পইচা দি যাবি, চোলা লৈ যাবি। নহলে চোলা বিক্ৰি কৰি দিম।"

"ঠিক আছে" বুলি চাফাইৱালা ওলাই গল।

ৰিক্সাৱালাটোৱে সেই সময়ত অইন এটা চুকত বহি চাহ-পুৰী খাই আছিল।

পাছদিনা ৰাতি দোকান বন্ধ কৰাৰ সময়ত ৰিক্সাৱালা দোকানখনত হাজিৰ।

"সি পইচা দিলেনে ? চোলাটো নিলেনে ?"

নাই, তাৰ দেখাদেখিয়েই নাই।

"চোলাটো বেচিবনে কি ?" ৰিক্সাৱালাই সুধিলে।

"বেচিম।"

"দাম ?"

"তিনি টকা।"

তিনিটা টকা খোঁচনিৰপৰা উলিয়াই



ৰিক্সাৱালাই মহাজনৰ হাতত দিলে আৰু পিন্ধি থকা চোলাটোৰ ওপৰতে চাফাইৱালাৰ চোলাটো পিন্ধি ললে।

সুকুমাৰ দত্ত

## সম্পাদকৰ কোঠালিত

সম্পাদক : তোমাৰ টোপনি গল নেকি ?

বন্ধু : হুঁ ? নাই, নাই যোৱা। ছিগাৰেট এটা দিয়া। এটা কথা ভাবি পাইছোঁ।

সম্পাদক : কি ?

বন্ধু : গৰীবী হাটাও বোলা কথাষাৰ শুনিছা ?


সম্পাদক : শুনিছোঁ। কিয় ?

বন্ধু : পাছলৈ এদলে কবলৈ আৰম্ভ কৰিলে—গৰীবী হাটাওটো এটা শ্ল'গান। তেতিয়া প্ৰথম পক্ষই জোৰ দি কবলৈ আৰম্ভ কৰিলে—গৰীবী হাটাও এটা কেৱল শ্ল'গান নহয়। হয়নে নহয় ?

সম্পাদক : হয়।

বন্ধু : মই ভাবি পাইছোঁ,—গৰীবী হাটাও এটা কেৱল শ্ল'গান নহয়— এইটোৱেই এতিয়া এটা শ্ল'গান। That Garibi Hatao is not a mere slogan is a slogan.





# সৰাপাত সাৰিবৰ বতৰ

আমেৰিকাত ঋতু চাৰিটা—গ্ৰীষ্ম, শৰৎ, শীত আৰু বসন্ত। সাধাৰণতে ছেপ্টেম্বৰ মাহৰ একৈছ তাৰিখৰপৰা শৰৎ কাল আৰম্ভ হয়। শৰৎ কালৰ আৰম্ভণিৰ লগে লগে ইয়াৰ গছ-গছনিবিলাকৰ পাতবোৰে নানা ৰং ধৰিবলৈ আৰম্ভ কৰে। গ্ৰীষ্মৰ সেউজীয়া ৰং এৰি পাতবোৰে লাহে লাহে হালধীয়া, ৰঙা, তাম বৰণীয়া, মেৰুণ আদি বৰণ লয় ;—এনেহে লাগে যেন কোনোবাই গছবিলাকত নানা ৰঙৰ ফাকু ছটিয়াই দিলে। ৰং ৰং—নানা ৰঙৰ এই উপভোগ্য মেলা অৰণ্যে অতিশয় খন্তেকীয়া ; কিয়নো দুদিনমান পাছতেই শৰৎকালৰ শুকান বতাহত পাতবিলাক এটি দুটিকৈ সৰি পৰে। এইকাৰণে শৰৎকালক ফল (Fall) অৰ্থাৎ সৰিপৰা ঋতু বুলিয়েই সকলোৱে কয়।

সৰাপাতৰ ঋতু যদিও শৰৎ কালটো কিন্তু আমেৰিকাৰ মানুহৰ কাৰণে বিশেষ উদ্যমৰ সময়। ছেপ্টেম্বৰ মাহৰ আগ ভাগতেই ইয়াৰ স্কুল কলেজ আৰু বিশ্ববিদ্যালয়বিলাকত শিক্ষাৰ নতুন বছৰ তথা শৰৎকালীন অধিৱেশন আৰম্ভ হয়। গ্ৰীষ্মকালৰ একপ্ৰকাৰ এলেহুৱা হৈ পৰি থকা বিশ্ববিদ্যালয়বিলাকত ছাত্ৰ-ছাত্ৰীসকলৰ নতুন উদ্যম আৰু ব্যতিব্যস্ততাই পুনৰ গতিবেগ সঞ্চাৰ কৰে। এই উদ্যম, এই ব্যস্ততা আৰু এই গতিবেগ সৃষ্টি হোৱাৰ এটা কাৰণ হৈছে ইয়াৰ বিশ্ববিদ্যালয়বিলাকে শিক্ষালাভৰ কাৰণে কৰা বিশেষভাৱে মুক্ত আৰু মুকলিমুৰীয়া ব্যৱস্থা।

আমাৰ দেশত এজন ছাত্ৰই কি ডিগ্ৰিৰ কাৰণে কি বিষয় পঢ়িব তাক বাচি লোৱাৰ পাছত তেওঁ বিশেষভাৱে নিৰ্ধাৰিত এক পথেৰে গাধা খাটনি খটাৰ বাহিৰে আন একো ভাবিবলগীয়া নহয়। তদুপৰি আমাৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰত্যেক ডিগ্ৰিৰ কাৰণে ল'বলগীয়া কিছুমান নিৰ্ধাৰিত আৰু বাধ্যতামূলক বিষয় থাকে। ইয়াত কিন্তু তেনে নহয়। ইয়াত প্ৰত্যেকটো মাই বিষয়ক নানা পাঠ্যপথত (course) ভাগ কৰা থাকে। এই পাঠ্যপথবিলাক বিষয়বস্তু, কোনটো বেছি টান বা টিলা আদি বিচাৰেৰেই তৈয়াৰ কৰা হয়। এই পাঠ্যপথবিলাকৰ পাঠ্যক্ৰম, কোনটো কিমান টান তাৰ সাংকেতিক সংখ্যা আৰু কোনটো কোন কোন শিক্ষকে কেতিয়া পঢ়াব আদি সকলো কথা ছাত্ৰ-ছাত্ৰীসকলক জনোৱা হয়। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ অৰ্হতা অনুসৰি শিক্ষক বা উপদেষ্টাৰ লগত আলোচনা কৰি একো একোটা পাঠ্যপথ বাচি লয়। নিজৰ বিষয় আৰু ডিগ্ৰিটো বাচি লৈয়েই ছাত্ৰ-ছাত্ৰীসকল এটা বাধ্যতামূলক পথেৰে গাধাৰ দৰে চকু কাণ মুদি গৈ থাকিব নালাগে। উদাহৰণ স্বৰূপে ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়ত গণিতত বি-এছ-ছি ডিগ্ৰি লাভ কৰিবলৈ ইচ্ছা কৰা ছাত্ৰ এজনে গণিতৰ মুঠ তেৰটা পাঠ্যপথ পাছ কৰিব লাগে। এই তেৰটা পাঠ্যপথৰ কেইটামান বাধ্যতামূলক কিন্তু বেছি ভাগৰ ক্ষেত্ৰতে ছাত্ৰসকলে নিজৰ অৰ্হতা অনুসৰি বেলেগ বেলেগ পাঠ্যপথ বাচি ল'ব পাৰে। বহু ক্ষেত্ৰত পাৰদৰ্শী ছাত্ৰই টান আৰু এম-এছ-ছি মহলাৰ পাঠ্যপথ অধ্যয়ন কৰে, আনহাতে পঢ়াশুনাত অলপ পিছ পৰা ছাত্ৰ-ছাত্ৰীয়ে আপেক্ষিকভাৱে সহজ পাঠ্যপথ বাচি লয়।

আমাৰ দেশত কিন্তু একেবাৰে পিছপৰাৰপৰা আৰম্ভ কৰি অতিশয় মেধাবীলৈকে আটায়ে একে পাঠ্যপথকে অধ্যয়ন কৰি একে পৰীক্ষাকে দিব লাগে। ইয়াৰ দ্বাৰা এপিনে পঢ়াশুনাত বেয়াসকলৰ ওপৰত বহন কৰিব পৰাতকৈ অধিক গধুৰ বোজা জাপি দি তেওঁলোকৰ জীৱন দুৰ্বহ কৰা হয়, আৰু আনপিনে মেধাৱী ছাত্ৰসকলক নিজৰ সামৰ্থ্য অনুসৰি অগ্ৰসৰ হোৱাত বাধা দিয়া হয়। ইংৰাজসকলে কেৰাণীমহৰী সৃষ্টি কৰিবলৈ প্ৰৱৰ্তন কৰি যোৱা এক নিৰূপিত মানদণ্ডৰ বিচাৰেৰেই আজিও আমাৰ শিক্ষা পদ্ধতিৰ ৰাজদণ্ড হৈ আছে।

আমেৰিকাৰ বিশ্ববিদ্যালয়বিলাকৰ একোটা পাঠ্যপথত নিৰ্দেশিত জ্ঞানখিনি ছাত্ৰসকলক ভালদৰে আহৰণ কৰিবলৈ সুবিধা দিয়াৰ ওপৰতে সদায় গুৰুত্ব দিয়া হয়,—পৰীক্ষাৰ ওপৰত নহয়। ইয়াত পৰীক্ষাটো শিক্ষকৰ এক গাইগুটীয়া দায়িত্ব। প্ৰত্যেক শিক্ষকে নিজৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক পোনপটীয়াভাৱে পৰীক্ষা কৰি একোটা 'গ্ৰেড' অৰ্থাৎ যোগ্যতাৰ মাপ দিয়াটো ইয়াৰ প্ৰত্যেক শিক্ষকৰে দায়িত্ব। এই যোগ্যতাৰ মাপ সাধাৰণতে আখৰেৰে দিয়া হয় ; যেনে—A (মানে অতি উচ্চ), B (মানে সাধাৰণতকৈ উচ্চতৰ), C (মানে সাধাৰণ), D (মানে সাধাৰণতকৈ নিম্নতৰ) আৰু F (মানে অযোগ্য)। যিহওক, পৰীক্ষা বা আন উপায়েৰে কাক কি যোগ্যতাৰ মাপ দিব সেইবিষয়ে শিক্ষকজন সম্পূৰ্ণ মুক্ত। ছাত্ৰ-ছাত্ৰীৰ বাহিৰে আন কাৰো এজন শিক্ষকক তেওঁ দিয়া যোগ্যতাৰ মাপৰ বিষয়ে প্ৰশ্ন কৰিবৰ অধিকাৰ নাই। এনে কৰাৰ




OKDISCD

প্ৰধান কাৰণ এয়েই যে গোটেই বছৰটো শিক্ষা দিয়াৰ দায়িত্বটো এদিন পৰীক্ষা লৈ যোগ্যতাৰ মাপ দিয়া দায়িত্বতকৈ বহুত বেছি মহত্বপূৰ্ণ। যিজন শিক্ষকক গোটেই বছৰটো শিক্ষকতা কৰিবলৈ বিশ্বাস কৰা হ'ল, তেওঁক এদিনৰ পৰীক্ষা এটা ল'বলৈ বিশ্বাস নকৰাৰ কোনো কাৰণ নাই ;—যদি অবিশ্বাস কৰাৰ কিবা কাৰণ আছে তেনেহলে তেওঁক শিক্ষকতা কৰিবলৈ দিয়াই উচিত নহয়।

আমাৰ দেশত কিন্তু ইংৰাজসকলে ভাৰতীয়সকলক বিশ্বাস নকৰাৰ কাৰণে বা দায়িত্বৰে কাম কৰিবলৈ সুবিধা দিবলৈ চেষ্টা নকৰাৰ কাৰণে কিছুমান অতি লাজ লগা প্ৰথা প্ৰৱৰ্তন কৰিছিল। এতিয়া এইটো অতি দুখৰ কথা যে স্বাধীনতাৰ ডেৰ কুৰি বছৰ পাছতো ভাৰতীয়সকলে সেই প্ৰথাবিলাক সাৰটি ধৰি আছে। আমাৰ শিক্ষকসকলক ল'ৰা-ছোৱালীক শিক্ষা দিয়াৰ দায়িত্ব দিয়া হয় যদিও সাধাৰণতে তেওঁলোকক পৰীক্ষা লোৱাৰ দায়িত্ব দিয়া নহয়। তাৰ ফলস্বৰূপে বিশ্ববিদ্যালয়বিলাকে বা উচ্চ কৰ্তৃপক্ষই পৰীক্ষা সংক্ৰান্তত অনাহকতে লাখ লাখ টকা খৰছ কৰিবলগীয়া হোৱাৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত অযথা মানসিক হেঁচা দি তেওঁলোকৰ ভৱিষ্যতৰ লগত একপ্ৰকাৰ পাশা খেলে। আমাৰ ছাত্ৰ-ছাত্ৰীসকলক এজনে পঢ়ায়, আন এজনে তেওঁলোকৰ বাবে পৰীক্ষাৰ প্ৰশ্ন কাকত তৈয়াৰ কৰে আৰু আন কোনোবা এজনে সেইবিলাকৰ উত্তৰ পৰীক্ষা কৰে,— এই প্ৰথা আমেৰিকাৰ শিক্ষাবিদসকলৰ মতে অতিশয় নিন্দনীয়।

পাঠ্যপুথিৰ বাচনিৰ ক্ষেত্ৰতো আমেৰিকাৰ স্কুল-কলেজবিলাকৰ শিক্ষকসকলৰ ওপৰতে সম্পূৰ্ণ দায়িত্ব এৰি দিয়া হয়। ইয়াৰ প্ৰত্যেক শিক্ষকে নিজে পঢ়ুৱাবলগীয়া পাঠ্যপথ বা বিষয়ত কি পাঠ্যপুথি ব্যৱহাৰ কৰিব তাক নিজেই ঠিক কৰিব লাগে। বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই কেৱল পাঠ্যপথ আৰু বিষয় বাচনিহে নিৰ্দেশ কৰে। সেইকাৰণে ইয়াত পাঠ্যপুথিৰ লিখকসকলৰ মাজত ইজনে সিজনক চেৰ পেলাবলৈ খুব প্ৰতিযোগিতা হয়। তদুপৰি প্ৰকাশকসকলে কৃতকাৰ্য্য হ'ব পৰা পুথি প্ৰকাশ কৰিবলৈ বিশেষ প্ৰতিযোগিতা চলায়। গতিকে শিক্ষকসকলেও ন পুথিবিলাকৰ কোনখন ভাল বা কোনখন বেয়া তাক বিচাৰ কৰিবৰ কাৰণে সদায় অধ্যয়ন কৰিব লাগে। প্ৰগতিমূলক শিক্ষাজগতত সদায় খোজ মিলাই চলিবলৈ বা এখোজ আগবাঢ়ি থাকিবলৈ এনে বাতাবৰণৰ বিশেষ আৱশ্যক।



❝ আমাৰ ছাত্ৰ-ছাত্ৰীসকলক এজনে পঢ়ায়, আন এজনে তেওঁলোকৰ বাবে পৰীক্ষাৰ প্ৰশ্ন কাকত তৈয়াৰ কৰে আৰু আন কোনোবা এজনে সেইবিলাকৰ উত্তৰ পৰীক্ষা কৰে,— এই প্ৰথা আমেৰিকাৰ শিক্ষাবিদসকলৰ মতে অতিশয় নিন্দনীয়। ❞

আমাৰ দেশৰ স্কুল-কলেজৰ পাঠ্যপুথিৰ ক্ষেত্ৰতো ইংৰাজসকলে শিকাই যোৱা এক অবিশ্বাস আৰু গোলামীৰ জ্ঞানৰহে পৰিচয় পোৱা যায় ; কিয়নো অসম তথা ভাৰতত সকলো পাঠ্যপুথি বাচনিৰ দায়িত্ব হয় ডি-পি-আইৰ দৰে উচ্চ বিষয়াৰ নহয় বিশ্ববিদ্যালয়ৰ এমুঠি অধ্যাপকেৰে গঠিত এটা কমিটিৰ ওপৰতে ন্যস্ত থাকে ; অৰ্থাৎ দুজনমানে 'আমিয়েই সকলো জানো, আমাৰ মতেই শ্ৰেয়' এনে মনোভাবেৰেই এতিয়াও পাঠ্যপুথি নিৰ্ণয় কৰে। বিদেশী চৰকাৰে যে ইংৰাজ বা তেওঁলোকৰ মনঃপূত হোৱা ভাৰতীয় বিষয়াসকলৰ হাততে সকলো দায়িত্ব ৰাখিবৰ কাৰণেই এই প্ৰথাৰ প্ৰৱৰ্তন কৰিছিল তাত সন্দেহ নাই ;—তেওঁলোকে শিক্ষকসকলক নিম্ন বেতন পোৱা খানচামা-বাবুৰচিৰ দৰেই বনুৱা বুলি জ্ঞান কৰিছিল। ই অতি দুখ লগা কথা। এনে প্ৰথাৰ মনোভাব আজিও বিৰাজ কৰা কাৰণে আমাৰ দেশৰ পাঠ্যপুথিৰ মাজত আজিও এনে পুথি দেখা যায় যিবিলাক আন দেশৰ যাদুঘৰতো উৰ্ঁলি গৈছে ; আৰু আজিৰ বহু ন লেখাৰুৰ ন পুথিত প্ৰতিফলিত হয় গতিবিহীন, দিকবিহীন, মৌলিকতাবিহীন দৃষ্টিভংগী বা 'প্ৰভুভক্ত কুকুৰ'ৰ সাধু।

সেয়েহে আমেৰিকাৰ বিশ্ববিদ্যালয়ত শৰৎকালীন উদ্যম দেখি মোৰ প্ৰাণ অশান্ত হয় আমাৰ শিক্ষা জগতত 'পৰি থকা ঋতু'ৰ কেতিয়া অৱসান হ'ব তাকে ভাবি। এইটো নিঃসন্দেহ যে আমাৰ শিক্ষাজগতত গতিবেগ সঞ্চাৰ কৰিবলৈ প্ৰয়োজন হৈছে ইংৰাজসকলে প্ৰৱৰ্তন কৰা অবিশ্বাস, গোলামী আৰু নিস্তেজ শিক্ষা পদ্ধতিৰ সৰাপাতবিলাক সাৰি এনে এক প্ৰথা অৱলম্বন কৰা যাৰ ঘাই দৰ্শন হৈছে বিশ্বাস, দায়িত্ব-জ্ঞান আৰু সুস্থ প্ৰতিযোগিতা।

দিলীপ কুমাৰ দত্ত
২৬ অক্টোবৰ ১৯৮১
ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়

# বিশ্বপৰিক্ৰমা

## ইংলণ্ডত নৱগঠিত দলৰ জয়যাত্ৰা

সম্প্ৰতি পশ্চিম ইউৰোপত উদাৰপন্থীসকলৰ জয়যাত্ৰা আন্তৰ্জাতিক ৰাজনীতিত আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনা বুলি ক'ব পাৰি। ইটালি আৰু স্পেইনত গণতান্ত্ৰিক আৰু বাওঁপন্থীসকলৰ দৃঢ় পদক্ষেপ, ফ্ৰান্সত ছছিয়েলিষ্ট আৰু কমিউনিষ্টসকলৰ যুটীয়া চৰকাৰ গঠন, গ্ৰীচত ছছিয়েলিষ্ট আৰু কমিউনিষ্টসকলৰ বিজয় আৰু আন্দ্ৰিয়াছ পপেন্দ্ৰুৰ নেতৃত্বত ছছিয়েলিষ্টসকলৰ চৰকাৰ গঠন ; —এইবোৰ নিঃসন্দেহে কেৱল ইউৰোপৰ কাৰণেই নহয়, সমগ্ৰ বিশ্বৰ কাৰণেই গুৰুত্বপূৰ্ণ ঐতিহাসিক ঘটনা। পশ্চিম জাৰ্মেনিত যোৱা কেইবাটাও নিৰ্বাচনত ৰক্ষণশীলসকল পৰাজিত হৈ অহাটো আৰু একেৰাহে কেইবাটাও নিৰ্বাচনত ছছিয়েল ডেমক্ৰেটিক দলে জয়লাভ কৰি অহাটোও এই একেটা পৰিপ্ৰেক্ষিততে উল্লেখযোগ্য। এই ঘটনাবোৰে যে ইংলণ্ডতো প্ৰভাৱ পেলাব সেইটো সহজেই অনুমেয়। ইয়াৰ প্ৰমাণ দেখা গৈছে ইতিমধ্যে ইংলণ্ডত হৈ যোৱা দুটা উপনিৰ্বাচনত। যোৱা অক্টোবৰ মাহত উত্তৰ-পশ্চিম ক্ৰয়ডনৰ উপনিৰ্বাচনত প্ৰধানমন্ত্ৰী শ্ৰীমতী মাৰ্গাৰেট থেচাৰৰ ৰক্ষণশীল দলৰ আসনখন উদাৰপন্থীসকলৰ হাতলৈ আহে। এই উপনিৰ্বাচনত বিজয়ী মিঃ ৱিলিয়াম পিট যোৱা সাধাৰণ নিৰ্বাচনত পৰাজিত হৈছিল। নৱগঠিত উদাৰপন্থী দল ছছিয়েল ডেমক্ৰেটিক পাৰ্টি (এছ, ডি, পি)ৰ নেতা মিঃ ডেভিড ষ্টিলে তেতিয়াই ঘোষণা কৰিছিল—তেওঁলোকৰ এই জয়যাত্ৰা অপ্ৰতিৰোধ্য বুলি। তেওঁৰ এই উক্তিৰ সত্যতা প্ৰমাণিত হ'ল নৱেম্বৰৰ শেষত হোৱা ক্ৰছবি উপনিৰ্বাচনত শাসনাধিষ্ঠ ৰক্ষণশীল দলৰ পুনৰ পৰাজয় আৰু উদাৰপন্থী প্ৰাৰ্থী শ্ৰীমতী শ্বাৰ্লি ৱিলিয়ামছৰ বিজয়ত। শ্ৰীমতী ৱিলিয়ামছো যোৱা সাধাৰণ নিৰ্বাচনত ৰক্ষণশীলসকলৰ হাতত পৰাজিত হৈছিল। এইখিনিতে আন এটা তাৎপৰ্যপূৰ্ণ ঘটনাৰ কথা উল্লেখ কৰা আৱশ্যক। ইতিমধ্যে জয়লাভ কৰা দুয়োগৰাকী প্ৰাৰ্থীয়েই ছছিয়েল ডেমক্ৰেট দলৰ। এই দলটো গঠন হোৱাও বেছি দিন হোৱা নাই। 'শ্ৰমিক' (লেবৰ) দলৰপৰা বিদ্ৰোহ কৰি ওলাই অহা চাৰিগৰাকী নেতাই এই বছৰৰ প্ৰথম ভাগত নতুন দল এছ, ডি, পি গঠন কৰে। শ্ৰমিক দলৰ বিদ্ৰোহীসকলক লৈ




ইংলণ্ডৰ নতুন দল এছ-ডি-পিৰ প্ৰাৰ্থী শ্বাৰ্লি ৱিলিয়ামছ উপনিৰ্বাচনত জয়ী হোৱাৰ পিছত।

গঠিত এই দলৰ বৰ্তমান বৃটিছ পাৰ্লিয়ামেন্টত সদস্যৰ সংখ্যা ২৫ জনলৈ বৃদ্ধি পাইছে। এছ, ডি, পিৰ নেতাসকলৰ অভিযোগবোৰ হ'ল 'শ্ৰমিক' দলটো শাসনাধিষ্ঠ ৰক্ষণশীল দলৰ উপযুক্ত বিকল্প নহয় ; এই দলটোৰ কাৰ্য্যসূচীও কমিউনিষ্ট দলৰ ইস্তাহাৰৰ অনুকৰণ কৰা, ইত্যাদি। নৱগঠিত দল এছ, ডি, পিয়ে ৰাজহুৱা আৰু ব্যক্তিগত দুয়োটা খণ্ডতে উৎপাদন ব্যৱস্থা চলাই ৰখাটো বিশ্বাস কৰে। অৰ্থাৎ আমাৰ শ্ৰীমতী ইন্দিৰা গান্ধীৰ দৰে এওঁলোকেও মিশ্ৰ অৰ্থনীতিত বিশ্বাস কৰে।


দুয়োটা উপ নিৰ্বাচনতে প্ৰধানমন্ত্ৰী শ্ৰীমতী থেচাৰৰ দলৰ পৰাজয়ে বৰ্ণবৈষম্যবাদীসকলৰ হাতত পীড়িত আৰু লাঞ্ছিত হোৱা এছীয় লোকসকলৰ মনলৈ নিশ্চয় কিছু শান্তি আৰু নিৰাপত্তাৰ ভাব আনিব। তদুপৰি অহা ১৯৮৪ চনৰ সাধাৰণ নিৰ্বাচনত ৰক্ষণশীলসকল পৰাজিত হোৱাৰ সম্ভাৱনাই দেখা দিছে। ইতিমধ্যে ইংলণ্ডৰ ভালেমান সংখ্যক কল-কাৰখানা বন্ধ হৈ পৰিছে ; ফলত শ্ৰমিক অশান্তি বাঢ়িছে, নিবনুৱা সমস্যা বাঢ়িছে। ইংলণ্ডৰ ট্ৰেড ইউনিয়নৰ নেতাসকলৰ মতে বৰ্তমান ইংলণ্ডৰ আটাইতকৈ গধুৰ সমস্যা হৈছে নিবনুৱা সমস্যা। দুই নিযুত নিবনুৱাই ইংলণ্ডৰ ৰাজনীতিবিদ আৰু অৰ্থনীতিবিদ উভয়কে চিন্তাত পেলাইছে। তদুপৰি উৎপাদন হ্ৰাস পোৱা, আন্তৰ্জাতিক বজাৰত ইংলণ্ডৰ বয়বস্তুৰ চাহিদা কমি যোৱা ঘটনাবোৰে বৰ্তমান ইয়াৰ অৰ্থনৈতিক দুৰৱস্থাৰ পৰিচয় দিয়ে। ফলত শ্ৰীমতী থেচাৰ চৰকাৰে ৰাজহুৱা সেৱাৰ

ইংলণ্ডত এতিয়া দুই নিযুত নিবনুৱা। কোনো এক কাৰ্য্যালয়ৰ সন্মুখত সাক্ষাৎকাৰৰ কাৰণে বৈ থকা দুগৰাকী প্ৰাৰ্থী।



ব্যয় ২০০ নিযুত ডলাৰ কৰ্তন কৰিছে আৰু ই ইংৰাজ ৰাইজৰ ক্ষোভ তীব্ৰতৰ কৰিছে। শ্ৰীমতী থেচচাৰক সেয়ে ইংৰাজসকলে সমালোচনা কৰিছে 'ম্লাণ্ডাৰ ৱ'মেন' বুলি।

ইতিমধ্যে হৈ যোৱা দুয়োটা উপনিৰ্বাচনতে ৰক্ষণশীলসকলৰ পৰাজয় আৰু নৱগঠিত ছছিয়েল ডেমক্ৰেটিক দলৰ বিজয়ে ১৯৮৪ চনৰ সাধাৰণ নিৰ্বাচনত নিশ্চয় প্ৰভাৱ পেলাব। দুটাৰ ঠাইত এতিয়া ইংলণ্ডত তিনিটা প্ৰধান দল হৈ পৰিছে। ইংলণ্ডৰ ইতিহাসত ই অভূতপূৰ্ব ঘটনা।



পোলেণ্ডৰ শ্ৰমিক বিদ্ৰোহৰ নেতা লেচ ৱালেচা তেওঁৰ পত্নী আৰু সন্তান-সন্ততিৰ সৈতে

## পোলেণ্ডত ৰুছ হস্তক্ষেপ অনিবাৰ্য্য?

এই মাহৰ প্ৰথম সপ্তাহত পোলেণ্ডৰ ৯ নিযুত শ্ৰমিকৰ স্বাধীন ট্ৰেড ইউনিয়ন 'ছলিডাৰিটি' (Solidarity)ৰ ১৯ জন নেতৃস্থানীয় সদস্যই পদত্যাগ কৰিছে। ছলিডাৰিটিৰ এই বিদ্ৰোহী সদস্যসকল হ'ল ইয়াৰ সোঁপন্থী গোষ্ঠীটোৰ উগ্ৰ সমৰ্থক। তেওঁলোকৰ মতে লেচ ৱালেচাৰ নেতৃত্বত ছলিডাৰিটিয়ে পোলেণ্ডৰ কমিউনিষ্ট চৰকাৰৰ সৈতে আপোচৰ নীতি গ্ৰহণ কৰিছে। আচল কথা হ'ল ছলিডাৰিটি সংগঠনটো আৰম্ভণিৰে পৰাই তলে তলে দুটা গোষ্ঠীৰ মাজত বিভক্ত। ইতিমধ্যে হৈ যোৱা ইয়াৰ বাৰ্ষিক অধিবেশনত ছলিডাৰিটিৰ নেতা লেচ ৱালেচাই পুনৰ্বাৰ মুৰব্বী নিৰ্বাচিত হৈছে যদিও তেওঁৰ প্ৰতিপক্ষৰ প্ৰাৰ্থীজনে ৪৫ শতাংশ ভোট পাইছিল। প্ৰকৃততে ৱালেচাৰ বিৰোধীসকলেই যে পোলেণ্ডত কমিউনিষ্ট চৰকাৰ ওফৰাই এটা কমিউনিষ্টবিৰোধী সোঁপন্থী চৰকাৰ গঠন কৰাৰ কাৰণে খৰ-ধৰ লগাইছে তাত সন্দেহ নাই। যোৱা ১৯৮০ চনৰ জুলাই মাহতেই আৰম্ভ হোৱা পোলেণ্ডৰ শ্ৰমিক ধৰ্মঘট আজিও বন্ধ নোহোৱাৰ কাৰণো নিশ্চয় প্ৰধানতঃ ৰাজনৈতিকহে। মাংসৰ মূল্য বৃদ্ধিক কেন্দ্ৰ কৰি আৰম্ভ হোৱা পোলেণ্ডৰ শ্ৰমিক সংগঠন ছলিডাৰিটিৰ ধৰ্মঘটৰ প্ৰথম আৰু প্ৰধান দাবী আছিল স্বাধীন ট্ৰেড ইউনিয়ন গঠন কৰাৰ অধিকাৰ, দৰমহা বৃদ্ধি, স্বাধীন ইউনিয়ন নিৰ্বাচন পতাৰ অধিকাৰ, প্ৰেছ ছেন্সৰশ্বিপ প্ৰত্যাহাৰ আদি। এই সকলোবোৰ দাবী ইতিমধ্যে চৰকাৰে মানি লোৱাটো কমিউনিষ্ট ৰাষ্ট্ৰবোৰৰ ইতিহাসত অভূতপূৰ্ব, অতুলনীয়। অৱশ্যে কাৰখানাবোৰৰ মেনেজাৰকো চৰকাৰে নিযুক্ত কৰাৰ পৰিবৰ্তে শ্ৰমিকসকলৰ মুক্ত নিৰ্বাচনৰ যোগেদি নিৰ্বাচিত আৰু নিযুক্ত কৰিব লাগে বুলি কৰা দাবী চৰকাৰে মানি লোৱা নাই যদিও শ্ৰমিকে মুক্তভাৱে নিৰ্বাচিত কৰা প্ৰতিনিধিয়ে ৰাষ্ট্ৰৰ নীতি নিৰ্ধাৰণত সৰ্বোচ্চ ক্ষমতা থকা পলিটবুৰোত আসন ইতিমধ্যে পাইছে। পোলেণ্ডৰ শ্ৰমিকসকলে কাৰখানাবোৰৰ মেনেজাৰক মুক্ত নিৰ্বাচনৰ যোগেদি নিযুক্ত কৰাৰ দাবী ইমান বেছি জোৰেৰে তুলিছে কিয়? আৰু এনে দাবীক পোলেণ্ডৰ প্ৰায় সকলো শ্ৰমিকে সমৰ্থন দিছে কিয়? বিশেষকৈ কমিউনিষ্ট পাৰ্টিৰ ক্ষমতাশালী সদস্য তথা আমোলাসকলৰ কৰ্তৃত্ববাদী অপকৰ্ম আৰু আচৰণবোৰত অতিষ্ঠ হৈয়েই যে শ্ৰমিকসকলে এই দাবী তুলিছে সেইটো স্পষ্ট। এই একে উদ্দেশ্যেৰেই তেওঁলোকে ছেলফ মেনেজমেণ্টৰ দাবীও সজোৰে তুলিছে। চৰকাৰে নিযুক্ত কৰা কমিউনিষ্ট আমোলাসকল কিমান ভণ্ড আৰু আত্মকেন্দ্ৰিক হৈ পৰিছে তাৰ এটা উদাহৰণ হ'ল মাচিয়েজ চচেপানস্কি নামৰ কমিউনিষ্ট ভদ্ৰলোকজন।

এই কমিউনিষ্ট ভদ্ৰলোকজনৰ বয়স বৰ্তমান ৫৩ বছৰ হৈছে। তেওঁক সৌ সিদিনাখন চৰকাৰে গ্ৰেপ্তাৰ কৰাৰ আগমুহূৰ্তলৈকে তেওঁ আছিল পোলেণ্ডৰ চৰকাৰ-নিয়ন্ত্ৰিত ৰেডিঅ' আৰু টেলিভিছনৰ মুৰব্বী। শ্ৰমিক আন্দোলনৰ ফলতেই যে তেওঁৰ অপসাৰণ আৰু ২১টা অভিযোগত গ্ৰেপ্তাৰ কৰিবলৈ চৰকাৰ কৰ্তৃপক্ষই ব্যৱস্থা ললে তাত কোনো সন্দেহ নাই। এইজন ব্যক্তিয়ে প্ৰধানমন্ত্ৰী এডৱাৰ্ড জিয়েৰেকৰ ৰাজহুৱা বক্তৃতাও লিখি দিছিল আৰু ১৯৭৭ চনত জিয়েৰেকৰ ইচ্ছা অনুসৰিয়েই তেওঁক ৰেডিঅ' আৰু টেলিভিছনৰ মুৰব্বী পতা হৈছিল। চচেপানস্কিৰ কেলেংকাৰীক পোলেণ্ডৰ মানুহে কয়---'আমাৰ ৱাটাৰগেট' বুলি। নক'বনো কিয়? পোলেণ্ডতে তেওঁৰ দহটা ব্যক্তিগত ব্যয়বহুল আধুনিক অট্টালিকা হ'ল। ইয়াৰে এটা হ'ল 'ফৰেষ্ট লজ'---যিটোত এক নিযুত ডলাৰ মূল্যৰ পুৰণি সম্পদ পোৱা গৈছে। তেওঁৰ আছে ৯৬ বিঘা মাটিৰ এখন ভেড়াৰ ফাৰ্ম আৰু ৰাজধানী ৱাৰ্শ্বত ৪০ টা শোৱনি কোঠাযুক্ত এটা ৰাজপ্ৰাসাদ। গ্ৰিছৰ দ্বীপতো তেওঁ গোপন প্ৰমোদ গৃহ কিনিছিল। ৱাৰ্শ্বৰ বাহিৰত তেওঁৰ পাঁচটা কোঠাযুক্ত প্ৰাসাদটোত আছে গ্লাছেৰে পাৰ বন্ধোৱা এটা ছুইমিং পুল। তদুপৰি নিজৰ বাসগৃহতেই চাৰিজনী দেহোপজীৱীনীও তেওঁ ৰাখিছিল। তেওঁৰ ৱাৰ্শ্বৰ কাৰ্য্যালয়তো এটা ছুইমিং পুল আৰু গা মালিচ কৰা লোক ৰাখিছিল। ৱাৰ্শ্বত চৰকাৰী অনুসন্ধানকাৰী লোকে আৱিষ্কাৰ কৰিছে যে চচেপানস্কিৰ এটা গোপন প্ৰজেকছন কোঠা আছিল আৰু তাৰ পৰা ৯০০ টা যৌন উত্তেজক ভিডিঅ' কেছেট (Video Cassette) উদ্ধাৰ কৰা হৈছে। তেওঁ ৰেডিঅ' আৰু টেলিভিছনৰ মুৰব্বী হৈ থকা কালছোৱাত ভালেমান মনে সজা কৰ্মচাৰীৰ নামত দৰমহা উলিয়াই সেইবোৰ নিজৰ জেপত ভৰাইছিল। পোলেণ্ডৰ টেলিভিছনত প্ৰদৰ্শিত বহুতো বস্তু গোপনে ইংলণ্ডৰ টেলিভিছনক বিক্ৰি কৰি তেওঁ এক নিযুত ডলাৰ সংগ্ৰহ কৰিছিল।




চচেপানস্কি : পোলেণ্ডৰ ৱাটাৰগেট

এখন কমিউনিষ্ট ৰাষ্ট্ৰতো যে এজন উচ্চপদস্থ চৰকাৰী বিষয়া এনেধৰণে অসৎ, দুৰ্নীতিপৰায়ণ, আত্মকেন্দ্ৰিক হ'ব পাৰে তাক ভাবিবলৈকে টান লাগে। চচেপানস্কিক চেৰ পেলাব নোৱাৰিলেও পোলেণ্ডত যে তেওঁৰ অনুগামীৰ সংখ্যা কম নহয় সেইটো ইতিমধ্যে প্ৰকাশ পাই গৈছে। নেতৃস্থানীয় কমিউনিষ্ট সদস্য তথা চৰকাৰী বিষয়াবৰ্গই আমোলাতান্ত্ৰিক আৰু কৰ্তৃত্ববাদী শাসন ব্যৱস্থা গঢ়ি তোলাৰ ফলতেই চচেপানস্কিহঁতৰ জন্ম হৈছে। শ্ৰমিক আন্দোলনে জিয়েৰেক আৰু আন ভালেমান মন্ত্ৰীক ক্ষমতাচ্যুত কৰিছে। গতিকে ছেল্‌ফ মেনেজমেণ্টৰ দাবীত, শ্ৰমিকৰ দ্বাৰা নিৰ্বাচিত মেনেজাৰৰ দাবীত পোলেণ্ডৰ শ্ৰমিকে আজিও নেবানেপেৰা ধৰ্মঘট চলাই থকাত আচৰিত হ'বলগীয়া একো নাই। তেওঁলোকে অৰ্থনৈতিক আৰু ৰাজনৈতিক---দুয়োটা ক্ষেত্ৰতে সুদূৰপ্ৰসাৰী পৰিবৰ্তন বিচাৰিছে। কিন্তু এই পৰিবৰ্তন সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাৰ বিনিময়ত বিচাৰিলে প্ৰগতিশীল, শোষণমুক্ত মানৱ সমাজ বিচৰা কোনো সৎলোকেই ভাল নাপাব, সমৰ্থন নকৰিব। অথচ ৱালেচাৰ নেতৃত্বত ছলিডাৰিটিৰ একাংশ সদস্যই তাকে কৰিবলৈ ওলাইছে। তেওঁলোকৰ লগ লাগিছে পোলেণ্ডৰ ব্যক্তিগত কৃষিপাম থকা খেতিয়কসকল। ইতিমধ্যে এই গোষ্ঠীটোৱে সমাজতন্ত্ৰ আৰু মাৰ্ক্সবাদৰ বিৰুদ্ধে আন্দোলন পৰিচালিত কৰিছে। মন কৰিবলগীয়া কথা যে সমাজতন্ত্ৰৰ বিৰুদ্ধে ছলিডাৰিটিৰ মুৰব্বী ৱালেচাই মাত মতা নাই যদিও তেওঁ যে সমাজতন্ত্ৰৰ ভাল সমৰ্থক নহয় তাক আমি জানিব পাৰিছোঁ আমেৰিকাৰপৰা প্ৰকাশিত এখন বিশ্ববিখ্যাত কাকতৰ প্ৰতিনিধিৰে সৈতে হোৱা এটা সাক্ষাৎকাৰত তেওঁ দিয়া মতামতৰপৰা। ৱালেচাই কেনেধৰণৰ সমাজব্যৱস্থা গঢ়িব খোজে বুলি কৰা এটা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে সেই বিষয়ে তেওঁৰ কোনো স্পষ্ট ধাৰণা নাই। কিন্তু লগতে তেওঁ দুখনমান তথাকথিত কল্যাণকামী পুঁজিবাদী ৰাষ্ট্ৰৰ নাম ক'লে যিকেইখনক তেওঁ আদৰ্শ ৰাষ্ট্ৰ হিচাপে অনুকৰণ কৰিব খোজে। তেওঁৰ এনে মতামতে নিশ্চয় এইটোকে ইংগিত দিয়ে যে পোলেণ্ডৰ দুবছৰীয়া শ্ৰমিক ধৰ্মঘটে চূড়ান্ত পৰ্য্যায়ত সমাজতন্ত্ৰৰ বিৰুদ্ধেই গতি কৰিবগৈ। ইয়াৰ অৰ্থ হ'ল গৃহযুদ্ধ আৰু ছোভিয়েটৰ সামৰিক হস্তক্ষেপ।

## মিৰাজ যুঁজাৰু আৰু আন্তৰ্জাতিক ধন ভাণ্ডাৰ

অলপতে কানকুনত অনুষ্ঠিত উত্তৰ দক্ষিণ সন্মিলনত (তথাকথিত নৰ্থ-ছাউথ ডায়েলগ) ফ্ৰান্সৰ সমাজতন্ত্ৰবাদী ৰাষ্ট্ৰপতি ফ্ৰাছোঁৱা মিটেৰঁই আন্তৰ্জাতিক ধনভাণ্ডাৰৰ পৰা ভাৰতে বিচৰা পৰিমাণৰ টকা দিব লাগে বুলি ওকালতি কৰাটো হেনো নিস্বাৰ্থ নাছিল। বিশেষকৈ আমেৰিকাৰ ছিনেটৰসকলেই প্ৰকাশ কৰা এই কথা উৰাই দিবলগীয়াও নহয়।



কিয়নো আন্তৰ্জাতিক ধন ভাণ্ডাৰৰ পৰা ৫০০০ (পাঁচ হাজাৰ) কোটি টকাৰ বৃহৎ ঋণ লাভ টকা আমেৰিকাৰহে। এই ধন ভাণ্ডাৰৰপৰা ভাৰতে ঋণ লোৱাৰ ফলত যিবোৰ চৰ্ত ৰক্ষা কৰিব লাগিব সেইবোৰ গোপনে থকা নাই। কৰি প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীয়ে ফ্ৰান্সৰপৰা মিৰাজ-২০০০ বিমান কিনাৰ সিদ্ধান্ত পকা কৰি পেলালে। পাকিস্তানে আমেৰিকাৰপৰা অত্যাধুনিক এফ-১৬ যুঁজাৰু বিমান ক্ৰয় কৰাৰ প্ৰতিব্যৱস্থা হিচাপেই শ্ৰীমতী গান্ধীয়ে ফ্ৰান্সৰপৰা মিৰাজ-২০০০ যুঁজাৰু বিমান ক্ৰয় কৰাৰ যো-জা কৰিছে। মিৰাজ-২০০০ বিমান ক্ৰয় কৰোঁতে ভাৰতৰ বিপুল পৰিমাণৰ ধন ব্যয় হ'ব। ইতিমধ্যে ভাৰতৰ বিৰোধী সংসদী সদস্যসকলে আন্তৰ্জাতিক ধন ভাণ্ডাৰ (আই-এম-এফ)ৰ টকা ঋণ লোৱাৰ চৰ্তবোৰৰ প্ৰতিবাদত এদিন সভাকক্ষ ত্যাগ কৰিছে। আন্তৰ্জাতিক ধন ভাণ্ডাৰৰ টকা ঋণ লোৱা মানেই হ'ল পশ্চিমীয়া পুঁজিবাদী ৰাষ্ট্ৰবোৰৰ ওচৰত ঋণ লোৱা দেশে মূৰ তল কৰি থকা। উল্লেখ্য যে আন্তৰ্জাতিক ধন ভাণ্ডাৰৰ সৰহখিনি এই চৰ্তবোৰ এনে ধৰণৰ : (১) চৰকাৰৰ বেচৰকাৰী সংস্থাবোৰৰ ওপৰত কোনো নিয়ন্ত্ৰণ থাকিব নোৱাৰিব (২) বিদেশী সংস্থাবোৰলৈ আৰু বেছি সা-সুবিধা আগবঢ়াব লাগিব (৩) ৰপ্তানিতকৈ আমদানিৰ পৰিমাণ বৃদ্ধি কৰিব লাগিব অৰ্থাৎ আই-এম-এফৰ নিৰ্দেশক্ৰমে বেছি পৰিমাণৰ বিদেশী বস্তু ভাৰতলৈ আনিব লাগিব, (৪) জনসাধাৰণৰ কল্যাণমূলক কামসমূহ—যেনে 'কামৰ বিনিময়ত খাদ্য' আদি আচনি বন্ধ কৰিব লাগিব (৫) দেশৰ ৰাজনীতি নিৰ্ধাৰণ কৰাৰ পূৰ্বে আই, এম, এফৰ মুৰব্বী কৰ্মকৰ্তাসকলৰ লগত আলোচনা কৰিব লাগিব আৰু প্ৰতি ছমাহৰ অন্তৰে অন্তৰে তাৰ সমীক্ষা চলাব লাগিব। আটাইতকৈ ভয়ংকৰ চৰ্ত হ'ল (৬) এবাৰ আই, এম, এফৰপৰা ঋণ লোৱাৰ পাছত দেশখনে আন কোনো সংস্থা বা ৰাষ্ট্ৰৰপৰা ঋণ গ্ৰহণ কৰিব নোৱাৰিব (৭) আই, এম, এফৰ বিনা অনুমতিত ভাৰতবৰ্ষই কোনো দ্বিপাক্ষিক চুক্তিত চহী কৰাটোও আনকি সহজ নহ'ব। এইবোৰ চৰ্ত মানি চলা মানে বিদেশী শক্তিৰ ওচৰত ভাৰতক বন্ধকত থোৱাৰ দৰেই নহ'লনে? শ্ৰীমতী গান্ধীয়ে পাঁচহাজাৰ কোটি টকা ঋণ লৈ এতিয়া এইবোৰ চৰ্ত অমান্য কৰিব পাৰিবনে?

● ধনী ৰৰা

# প্ৰজ্ঞা

১। এঘৰত আঠজন মানুহ একেলগ হোৱাৰ পাছত প্ৰত্যেকেই আন কেইজনৰ লগত কৰমৰ্দন কৰে। মুঠতে কেইবাৰ কৰমৰ্দন কৰা হয় বাৰু ?

২। দীঘলকৈ উশাহ এটা লৈ তলৰ কথাখিনি পঢ়ি যাওক। কাৰণ পঢ়ি শেষ কৰাৰ লগে লগেই প্ৰশ্নটোৰ উত্তৰ দিব লাগিব। তুনাই এবাৰ পঢ়ি লোৱাটো হ'লে নচ'লিব।

এখন খালী ছিটি বাছ পুৱাতে ওলায়েই প্ৰথম বাছ ষ্টপটোত ৰৈ ১০ জন যাত্ৰী তুলি ল'লে। তাৰ পিছৰ ষ্টপটোত ৰৈ পাঁচজন যাত্ৰী নমাই লৈ আৰু ১২ জন তুলি ল'লে। তাৰ পিছৰ ষ্টপটোত আৰু আঠজন যাত্ৰী উঠিল কিন্তু দুজন নামিল। তাৰ পিছৰবাৰত ১৪ জন উঠিল আৰু নজন নামিল। শেহৰ বাৰত দুজন উঠিল আৰু এজন নামিল।


উত্তৰটো লৈ সাজু হৈ আছেনে বাৰু ?

এতিয়া প্ৰশ্নটো হ'ল : বাছখন কেইবাৰ ৰৈছিল ?


৩। তলৰ খালী ঠাইৰ সংখ্যা কেইটা পূৰণ কৰক।





ক





খ





গ




ঘ





ঙ





৪। তলত পাঁচটা ( ক, খ, গ, ঘ, ঙ নক্সাৰ সমষ্টি দিয়া হৈছে। প্ৰতিটো সমষ্টিত এটাকৈ বিসদৃশ, আচহুৱা নক্সা আছে। সেইকেইটা বিচাৰি উলিয়াব পাৰিবনে ?


ক





খ





গ





ঘ




ঙ





# দেশেদেশে বৰদিন

খ্রিষ্ট ধৰ্মীসকলৰ পবিত্ৰ উৎসৱ আকৌ পালেহি। যিশুৰ জন্মদিৱস পালনৰ ইতিহাস বিচাৰিলে আমি তৃতীয় শতিকা পৰ্যন্ত উভতি যাব পাৰোঁ। কিন্তু ২৫ ডিছেম্বৰ দিনটোতেই এই দিৱস পালন কৰাটো প্ৰকৃততে পঞ্চম শতিকাৰপৰাহে আৰম্ভ হয়। কোনো কোনোৰ মতে খ্রিষ্টমাছ পালন আনকি খ্রিষ্টপূৰ্ব কালৰপৰাই প্ৰচলিত এক উৎসৱ। ৰোমানসকলে তেওঁলোকৰ মন্দিৰবিলাক সেউজীয়া লতা আৰু ৰঙ বিৰঙৰ ফুলেৰে সজাই তুলি এই দিৱস উদযাপন কৰিছিল। ছেক্সন-সকলে আইভিলতা আদিৰে ঘৰদুৱাৰ সজাই-পৰাই বৰদিন পালন কৰিছিল।



আমেৰিকাৰ ছাণ্টা ক্ল'ছ

'খ্রিষ্টমাছ ট্ৰি' প্ৰচলনৰ বাটকটীয়া বুলি বনিফেইছ নামৰ এগৰাকী অষ্টম শতিকাৰ জাৰ্মান মিছনাৰি জনাজাত। এই দোলাকৃতি গছত মমবাতি ব্যৱহাৰ আৰম্ভ কৰা প্ৰথম ব্যক্তি বুলি মাৰ্টিন লুথাৰক খ্রিষ্টানসকলে সন্মান কৰে।

সংগীতে যুগ যুগ ধৰি বৰদিন পালনত মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। সংগীতৰ লগত গীত (খ্রিষ্টমাছ কেৰল) সংযোজিত কৰে তেৰ শতিকাত ফ্ৰান্সিছ নামৰ জনৈক ইটালিয়ানে। ইটালিৰপৰা এই কেৰল বিয়পি পৰিল ক্ৰমে ফ্ৰান্স, জাৰ্মানি, ইংলণ্ড আৰু অন্যান্য ইউৰোপীয় দেশসমূহত। খ্রিষ্টধৰ্ম সাধাৰণ মানুহৰ মাজত বিয়পি পৰাত এই সুন্দৰ কেৰল গীতে যথেষ্ট সহায় কৰিছিল।

বৰদিনৰ সবাতোকৈ আকৰ্ষণীয় চৰিত্ৰ হ'ল ছাণ্টা ক্ল'ছ। ফাদাৰ খ্রিষ্টমাছ নামেৰেও জনপ্ৰিয় এই কাল্পনিক চৰিত্ৰই বৰদিনৰ নিশা আহি ভাল ল'ৰা-ছোৱালীবিলাকৰ বাবে সুন্দৰ সুন্দৰ উপহাৰ থৈ যায় বুলি খ্রিষ্টধৰ্মী শিশুসকলে বিশ্বাস কৰে। দুষ্ট ল'ৰা-ছোৱালীৰ বাবে কিন্তু ছাণ্টা ক্লছে উপহাৰ নানে, বৰঞ্চ খেৰ, এঙাৰ আদিহে থৈ যায়!

ছাণ্টা ক্ল'ছ নামটোৰ উৎপত্তিও বেছ উল্লেখযোগ্য। তেৰ শতিকাত ছেইণ্ট নিক'লাছ নামৰ এজন অতি মৰমীয়াল বিছপ আছিল। তেওঁ গীৰ্জা-ঘৰলৈ অহা শিশুহঁতক বৰ মৰম কৰিছিল আৰু নানান খেলাবস্তু উপহাৰ দিছিল। পাছলৈ তেওঁ এই উপহাৰ-বোৰ কেৱল বৰদিনৰ নিশাহে দিবলৈ ধৰিলে। পাছদিনা পুৱা উঠি ল'ৰা-ছোৱালীবোৰে ছেইণ্ট নিকলাছে কি উপহাৰ দিয়ে তাৰ বিচাৰ লয়। এই ছেইণ্ট নিকলাছৰপৰা ছাণ্টা ক্ল'ছ নামৰ উৎপত্তি।



খ্রিষ্টমাছ ট্ৰি জোপা সজোৱা পৰোৱাটো দেশে দেশে বেলেগ বেলেগ ধৰণৰ। ইটালিত দোলাকৃতি এই গছৰ ব্যৱহাৰ আতাইতকৈ বেছি। মম বা বিজুলিবাতিৰে গছজোপা সজাই তোলাটো অৱশ্যে প্ৰায়বোৰ দেশৰ খ্রিষ্টিয়ানসকলৰ মাজতেই জনপ্ৰিয়।




ফ্রান্সৰ ছাণ্টা ক্ল'ছ


উপহাৰ দিয়া বা লোৱাৰ অন্য এটা দিন হ'ল ৬ জানুৱাৰি। সেইদিনা লা বেফানা নামৰ এগৰাকী "ভাল" ডাইনীয়ে শিশুহঁতৰ বাবে বিভিন্ন উপহাৰ আনে বুলি বিশ্বাস কৰা হয়। ফ্রান্সত আকৌ সেইদিনা পিয়েৰ নইল নামে এজন ছাণ্টা ক্ল'ছৰ লেখিয়া পকা ডাড়ি-চুলিৰ মানুহে গাধৰ পিঠিত উঠি খেলাবস্তু আৰু মিঠাই বিলাই ফুৰে।

ছুইডেনত আকৌ বৰদিন পালন ডিছেম্বৰ মাহৰ ১৩ তাৰিখৰপৰাই আৰম্ভ হয়। সেইদিনা ছাণ্টা লুছিয়া নামৰ এগৰাকী সেৱিকাই উত্তৰ ইউৰোপীয় দেশসমূহৰ দুখীয়া ৰাইজৰ মাজত খাদ্য আৰু বিবিধ উপহাৰ বিতৰণ কৰিছিল বাবে তেওঁৰ স্মৃতিত এই দিৱসক গুৰুত্ব দিয়া হয়। চুইডিছসকলে প্ৰায় এমাহ কাল ধৰি খ্রিষ্টমাছ উদ্‌যাপন কৰে।

জাৰ্মানিত হোৱা দোলাকৃতি গছবোৰৰ ডালবোৰ ইংলণ্ড আদিত হোৱাবোৰতকৈ অলপ সেৰেঙা হোৱাৰ বাবে এইদেশত খ্রিষ্টমাছ ট্ৰিত চাকি মমৰ ব্যৱহাৰ অলপ বেছি। আয়াৰলেণ্ডত বৰদিন



বেলজিয়ামৰ ছাণ্টা ক্ল'ছ



ইংলণ্ডৰ দোকান-বজাৰ সজোৱাতো বৰ্তমানে বহুলভাৱে ব্যৱহৃত হোৱা খ্রিষ্টমাছ ট্ৰি ইংলণ্ডত জনপ্ৰিয় হয় মহাৰাণী ভিক্টোৰিয়াৰ স্বামী প্ৰিন্স কনছৰ্টে ১৮৪১ চনত উইণ্ডছৰ কেছেলত ল'ৰা-ছোৱালীহঁতক এজোপা গছ উপহাৰ দিয়াৰ পাছৰপৰা।




উপলক্ষে বিশেষভাৱে প্ৰস্তুত পুডিং খোৱাটো অন্যতম কাৰ্য্যসূচী। আমাৰ ইয়াত ঘৰে ঘৰে পৈ গুচৰি গোৱাৰ দৰে আইৰিছসকলে বৰদিনৰ গীত পৰিবেশন কৰে।

ব্ৰাজিল আৰু আফ্ৰিকীয় দেশৰ খ্রিষ্টধৰ্মীসকলে নাৰিকল আৰু তামোল জাতীয় ফলেৰে সজ্জিত 'পেনট'ন (PANETONE) নামৰ এবিধ বিশেষ কটিৰে বৰদিনৰ আলহীক আপ্যায়িত কৰে। বন্ধু-বান্ধৱসকলক পাচিভৰা মিঠাই, কেক আৰু ফলমূল উপহাৰ দিয়াটো ব্ৰাজিলীয় খ্রিষ্টান-সকলৰ বিশেষত্ব।

আমেৰিকান আৰু বহুপৰিমাণে ভাৰতীয় খ্রিষ্টধৰ্মীসকলৰ মাজত বিশ্বৰ বিভিন্ন ধৰণৰ বৰদিন পালনৰ বৈশিষ্ট্য-সমূহ সানমিহলি ৰূপত প্ৰকাশ হোৱাটো মন কৰিবলগীয়া। সঃ কাঃ

# প্ৰণিধান

## ডঃ ঘনশ্যাম দাস



পত্নীৰ সৈতে ডঃ ঘনশ্যাম দাস

বৰ বৰ হৰফেৰে ছপা হোৱা দুৰ্নীতি-দুস্কৰ্মৰ বাতৰিবিলাক পঢ়ি পুলকিত হোৱাটো, আমোদ পোৱাটো আজিকালি আমাৰ মানসিক ব্যাধিত পৰিণত হ'লনে কি ? আজি সমাজ-খনত দুৰ্নীতিৰ পৰিমাণ আকাশলংঘী হোৱাৰ বাবে সৎকাৰ্য্যৰ কথা শুনাটোহে দুৰ্নীতি বুলি ধৰি লব পৰা হ'ল নেকি? অমুক বিভাগত তমুক চুৰি, অমুকে টকা আত্মসাৎ কৰাৰ অভিযোগ, পুলিচৰ জিম্মাত গাভৰুৰ ৰহস্য-জনক মৃত্যু,—ইত্যাদি বাতৰিক গৰম কৰি তোলাৰ বাবে আজি ইমান তাপ খৰছ কৰা হয় যে অতি মুল্যবান দলিল-পত্ৰসহ দুহাজাৰ টকাৰ বেগ এটা বাছ কণ্ডাক্টৰে অফিছত জমা দিয়াৰ নিচিনা বাতৰিৰ ভাগত বৰফৰ শীতলতাতকৈ বেছি একো নপৰে ।

যিটো বিষয়ৰ বাবে ইমানখিনি ক'ব লগা হ'ল, সেই বিষয়টোৰেও প্ৰাধান্য পোৱা নাছিল ; প্ৰকাশ পাইছিল মাজৰ পৃষ্ঠা এটাৰ এচুকত, তেৰ ছেণ্টিমিটাৰমান ঠাইত ;"চকু-চিকিৎসা কেন্দ্ৰৰ বাবে ঘৰ-মাটি দান" ! আমি ভাবোঁ, ই প্ৰথম পৃষ্ঠাত স্থান পাবলগীয়া, সকলোৰে চকুত পৰিবলগীয়া এটা উল্লেখ-যোগ্য বাতৰি । সেয়ে দৌৰি গৈছিলোঁ ডঃ ঘনশ্যাম দাস ডাঙৰীয়াৰ চেনিকুঠিৰ বাস-ভৱনলৈ ;—কিয়, কেনেকৈ, কেতিয়াৰ পৰা, কাৰ বাবে ইত্যাদি বহুতো প্ৰশ্নৰ দীঘলীয়া তালিকা হাতত লৈ ।

গুৱাহাটী হেন মহানগৰী—য'ত এটুকুৰা মাটি কিনি সৰুকৈ হ'লেও এটা ঘৰ সজাটো প্ৰতিজন অসমীয়াৰ চূড়ান্ত আকাংক্ষ্যা—এই মহানগৰীৰ মাজমজিয়া, মাণিক চন্দ্ৰ পথত একঠা সোতৰ লেচাকৈ মাটি ৰাইজৰ বাবে দান দিবলৈ ওলোৱাতো মুখৰ কথাঁ নহয়। যোৱা প্ৰায় ছটা দশক অক্লান্তভাৱে বিভিন্ন সমাজসেৱী অনুষ্ঠানৰ সৈতে জড়িত হৈ থকা ডঃ দাস ডাঙৰীয়াক সুধিছিলোঁ এই সিদ্ধান্ত তেওঁ কিয় ললে ?

আমাৰ ৰাজ্যখনতেই হওক বা পৃথিৱীৰ আন ঠাইতেই হওক, লাখ লাখ দুখীয়া লোকৰ বহু টকা ভাঙি চচমা লোৱাৰ সামৰ্থ্য আছে জানো ? চকু ভালে থকা অৱস্থাতেই জানো মানুহক দৃষ্টিশক্তি সংৰক্ষণ সম্পৰ্কে জ্ঞান দিব নোৱাৰি ? চকুৰে নেদেখা হোৱাৰ পাছত অন্ধ-বিদ্যালয়ত ভৰ্তি হ'বলৈ দিয়াতকৈ শিশু অৱস্থাতে জানো চকুৰ প্ৰতি যত্ন লোৱাৰ ক্ষেত্ৰত শিক্ষাদান কৰিব নোৱাৰি ? চিকিৎসাত শ শ টকা ভঙাতকৈ ৰোগ-প্ৰতিৰোধৰ বাবে ব্যৱস্থা লোৱাটো জানো শ্ৰেষ্ঠ নহয় ?—এনে-বোৰ প্ৰশ্নই জুমুৰি দি ধৰে ডঃ দাসক, যাৰ উত্তৰ হিচাপেই তেখেতে চকু চিকিৎসা কেন্দ্ৰ এটাৰ কথা চিন্তা কৰি ঘৰে-মাটিয়ে ইয়াৰ বাবে দান দিবলৈ সিদ্ধান্ত লয় ।

দান দিয়া এই মাটিখিনিৰ বৰ্তমান মূল্য কিমান ? ১৯৩৫ চনতে ডঃ দাসে প্ৰসন্ন ঘোষ নামৰ গোৱালপাৰাৰ মানুহ এজনৰপৰা এই মাটিডোখৰ লয় । তেতিয়া ৯ বিঘা মাটিৰ লিজৰ বাবদ দিবলগা আছিল মাত্ৰ ৬০ টকা। বৰ্তমান মহানগৰীৰ মাটিৰ ক্ৰমবৰ্ধমান দামৰ হিচাপত কেৱল দান দিয়া এক কঠা সোতৰ লেচাৰ দামেই ৮০,০০০ টকাৰ কম নহ'ব । সৰুকৈ হ'লেও যিটো ঘৰ মাটিডোখৰত বৰ্তমান আছে, তাৰ মূল্য ধৰি কমেও দেড় লাখ টকাৰ সম্পত্তি ডঃ দাসে এটা মহৎ উদ্দেশ্যত দান কৰিলে ।


এই দেড় লাখ টকাৰ সম্পত্তি এৰি দিবলৈ ওলোৱা কাৰ্য্যত ডঃ দাসক বিনাবাক্যেই সমৰ্থন জনায় তেখেতৰ আঠাইবে উজন পুত্ৰই। তেওঁলোকৰ ত্যাগৰ মনোভাৱত পিতৃ হিচাপে ডঃ দাসে গৌৰৱ বোধ কৰে । ডঃ দাস আৰু তেওঁৰ পত্নীৰ নামত কৰা এটা ট্ৰাষ্টৰদ্বাৰা পৰিচালিত হ'বলগীয়া এই চিকিৎসা কেন্দ্ৰৰ লগত কেইবাজনো চিকিৎসক ইতিমধ্যে জড়িত হৈ পৰিছে । তেওঁলোকৰ ভিতৰত ডঃ লক্ষণ দত্ত, ডঃ বিনোদলাল দাস, ডঃবীৰেন্দ্ৰ নাথ চৌধুৰী আৰু চৰকাৰী স্বাস্থ্য বিভাগৰ সঞ্চালকো আছে ।

স্বাধীনতা আন্দোলনৰ যুঁজাৰু, গান্ধীজীৰ অস্পৃশ্যতা দূৰীকৰণৰ আদৰ্শ আৰু জন-কল্যাণমূলক আঁচনিসমূহৰ দ্বাৰা প্ৰবলভাৱে আকৃষ্ট আৰু অনুপ্ৰাণিত ডঃ দাসৰ দানৰ উদাহৰণ এয়াই প্ৰথম নহয় । বিনোবা ভাৱেই আৰম্ভ কৰা ভূদান আন্দোলনত তেখেতে গোৱালপাৰা জিলাৰ টেঙাবাৰী অঞ্চলত ৬ বিঘা মাটি দান কৰিছিল । এই মাটিখিনি দুজন ভূমিহীন কৃষক—এজন জনজাতীয় আৰু এজন মুছলমানৰ মাজত বিতৰণ কৰা হয়।

১৯৪৮ চনত ধুপধৰা অঞ্চলত আৰম্ভ হোৱা টাইফয়ড মহামাৰীত চিকিৎসা আৰু সাহায্যদান কৰিবলৈ যাওঁতে তাতো ডঃ দাসে বজাৰ আৰু হাইস্কুল স্থাপনৰ বাবে দুকঠা মাটি দান কৰিছিল ।


১৯২৬ চনত ডিব্ৰুগড়ৰ বেৰি হোৱাইট মেডিকেল স্কুলৰ পৰা এল এম পি ডিগ্ৰিলৈ পাব্লিক হেল্থ বিভাগত অস্থায়ীভাৱে চাকৰি কৰি থকা সময়ত গোৱালপাৰাৰ কচুগাওঁ আৰু অসমৰ অন্যান্য ঠাইত মেলেৰিয়া ৰোগ সম্পৰ্কত যথেষ্ট অনুসন্ধান কৰি এই ৰোগ যে মহৰ কামোৰৰপৰাই অসমত ব্যাপক হাৰত বৃদ্ধি পাব ধৰিছে সেই কথা প্ৰতিপন্ন কৰা-তোৰেঁই প্ৰথম ব্যক্তি । এই সাফল্যৰ পাছতহে ডঃ দাসে পঞ্জাৱৰ ৰ'ড ফিল্ড এক্সপেৰিমেণ্টেল ছেণ্টাৰত মেলেৰিয়া সম্পৰ্কীয় উচ্চ শিক্ষাৰ পাঠ্যক্ৰমত যোগদান কৰে আৰু দিল্লীত চকু চিকিৎসাৰ কিছু প্ৰশিক্ষণ লয়। অসম মেডিকেল কাউন্সিলৰ এই পৰ্য্যন্ত সদস্য হৈ থকা ডঃ দাস দুবাৰকৈ অসম চিকিৎসা শিক্ষা সমিতিৰ সদস্য হৈছিল । ডিব্ৰুগড় আৰু গুৱাহাটীৰ চিকিৎসা মহাবিদ্যাললয় দুখন স্থাপন কৰাত তেওঁৰ যথেষ্ট অৰিহণা আছে ।

ওৰেটো জীৱন মেডিকেল এছোছিয়েছন, বিভিন্ন চিকিৎসা সাহায্য সমিতি, মূক-বধিৰ বিদ্যালয়, ৰেডক্ৰছ, আৰু বিশেষকৈ মাদকদ্ৰব্য নিবাৰণী পৰিষদৰ অন্যতম প্ৰধান উদ্যোক্তা ডঃ ঘনশ্যাম দাসে চকু চিকিৎসা বিষয়ৰ প্ৰতি যে হঠাতে আগ্ৰহান্বিত হৈ পৰিছে এনে নহয় । ইতিমধ্যে তেওঁৰ উপদেশ আৰু প্ৰেৰণাত কেইবাজনো যুৱকে চকু চিকিৎসা বিষয়ত বিশেষ পাঠ্যক্ৰম সমাপ্ত কৰি গুৱাহাটীত আৰু অসমৰ অন্যান্য চহৰত কৃতিত্ব আৰু সফলতাৰে জনসেৱা কৰি আছে।


বৰ্তমান মহানগৰীৰ মাটিৰ ক্ৰমবৰ্ধমান দামৰ হিচাপত কেৱল দান দিয়া এক কঠা সোতৰ লেচাৰ দামেই ৮০,০০০ টকাৰ কম নহ'ব । সৰুকৈ হ'লেও যিটো ঘৰ মাটিডোখৰত বৰ্তমান আছে, তাৰ মূল্য ধৰি কমেও দেড় লাখ টকাৰ সম্পত্তি ডঃ দাসে এটা মহৎ উদ্দেশ্যত দান কৰিলে ।

ডঃ দাস ডাঙৰীয়াৰপৰা বিদায় মাগি ওলাই আহোঁতে মনটোক এটা প্ৰশ্নই আমনি কৰিছে—আজিৰ সমাজখনত তেখেত এজন ব্যতিক্ৰম নে বহুতো প্ৰকৃত অথচ অস্বীকৃত সমাজসেৱীৰ এক শক্তিশালী প্ৰতিনিধি ?

—সমুদ্ৰগুপ্ত কাশ্যপ ।



OKDISCD

# ধৰ্মৰাজ



ৰমা দাস

ৰাতিপুৱা মই কথাটো কোৱাৰ লগেলগেই সকলোৰে চকুবোৰ যেন থিয় হৈ গ'ল আৰু সকলোৱে মুখেৰে যেন অলপ ইছ-ইছ আছ-আছ কৰি দেখুৱালে ।

মুখেৰে কোনেও খুলি নকলেও, ইংগিতেৰে যেন বুজাবলৈ বিচাৰিলে যে ঘটনাৰ সময়টো বৰ বেয়া হল । এনে সময়ত, এনে এটি ঘটনা কেতিয়াও ঘটিব নালাগিছিল ।

কিয়নো আজি এক সপ্তাহ হল, নিকটতম আত্মীয়ৰ পৰিয়াল এটি, ঘৰখনত আলহী হৈ আছেহি । অইনতো নহয় স্বয়ং ঘৰৰ গৃহিণীৰেই বিবাহিতা ভনীয়েক, আৰু তেওঁৰেই স্বামী । তেওঁলোকৰ তিনিটা ল'ৰা-ছোৱালী আৰু সিহঁতৰে আলপৈচান ধৰাৰ কাৰণে অনা এটা ঘৰত কাম-কৰা দেচোৱালী ল'ৰা । অতি নিকট হলেও আজি-কালিৰ দিনত ইমানবোৰ আলহীৰ হেঁচা কাৰো কাৰণে সুখাৱহ নহয় । সেয়েহে হঠাতে আঙঠি এটা নোহোৱা হোৱা কথাটো কাৰোবাৰ গাত এনেয়ে অলপ অপযশ দি, আলহী খেদাৰ এটা নতুন ফন্দী বুলিও মানুহে ভাবিব পাৰে আৰু হয়তো তেনেকৈ কোনোবাই কবও পাৰে ।

কিন্তু কলেওতো আৰু উপায় নাই ।

আঙঠিটো যেতিয়া নোহোৱা হৈছে, তাক নোহোৱা হোৱা বুলিয়েই কব লাগিব । আনৰ হাতৰপৰা ই নোহোৱা হলে, তাক কৰবাত অসাৱধানতাত পেলাই অহা বুলি কব পৰা গ'লহেঁতেন ।

কিন্তু ই নোহোৱা হল হঠাতে মোৰ নিজৰ হাতৰপৰাই ।

ৰাতিপুৱা যেতিয়া মই শুই উঠোঁ, আঙঠিটো হাতত দেখা মোৰ স্পষ্ট মনত আছে । চাহ খোৱাৰ সময়তো ই মোৰ হাততেই আছিল ।

চাহ খাই উঠি, গা ধোৱাৰ আগতে, মই মোৰ নিত্য অভ্যাস মতে, বাৰীত কৰি খেতিখন চোৱাৰ কাৰণে এবেলি অলপ সোমাইছিলোঁগৈ আৰু কবি গছৰ গুৰিবোৰ অলপ খুচৰি দিছিলোঁ । তেতিয়াও হাতত আঙঠিটো দেখা মোৰ মনত পৰে ।

এনেতে কোনোবাই আহি মোক খবৰ দিলেহি যে অফিছৰে কি এটা কামত মানুহ এজনে মোক অলপ লগ পাবলৈ বিচাৰিছে । সেয়ে মই হাতখন ধুবৰ কাৰণে লৰালৰিকৈ বাথৰুমত সোমালোঁ । আৰু হাতখন ধুই মানুহজনক গৈ লগ পালোঁ । তেওঁক বিদায় দি গাটো ধোৱাৰ কাৰণে মই আকৌ বাথৰুমত সোমাইছিলোঁগৈ । মূৰত তেল অকন লবলৈ মই হাতখন পাতি চাই দেখোঁ, আঙঠিটো চোন তাত নাই ! ই ৰাম ! গল কলৈ ?

মানুহজনক লগ পাবলৈ যোৱাৰ আগতে হাতখন ধোৱা কথাটোলৈ মোৰ তৎক্ষণাৎ মনত পৰিল। ভাবিলোঁ, আঙঠিটো মোৰ হাতত অলপ সোলোক-ঢোলোক যেন আছিল । কিয়নো, তাক মোৰ হাতৰ আঙুলিৰ জোখাৰে বনোৱা হোৱা নাছিল । হৈছিল মোৰ ঘৈণীৰ আঙুলিৰ জোখাৰেহে । ঘৈণীৰ হাতৰ পৰা আঙঠিটো কেনেকৈ মোৰ হাতলৈ আহিল, সেইটো অলপ গল্পৰ নিচিনাই ।

মোৰ ঘৈণী মানুহজনী মোৰ তুলনাত অলপ বেছি শকত-আৱত আৰু দেখাত বেছ থোলোকা যেন আছিল । কিন্তু কি হল, কিছুদিনৰপৰা তেওঁ মানুহজনী লাহে লাহে যেন অলপ জামৰি আহিবলৈ ধৰিলে আৰু তেওঁৰ এটা নহয় এটা কিবা অথন্তৰ যেন গাৰ পৰা নুগুচাই হল ।

সকলোৱে মোক পৰামৰ্শ দিলে, এজন গ্ৰহ-বিদৰ ওচৰলৈ যাবলৈ আৰু তেওঁৰ গ্ৰহসমাৱেশটো ভালদৰে চোৱাবলৈ ।

এদিন মই তাকে কৰিবলৈ এজন অতি প্ৰখ্যাত গ্ৰহ-বিদৰ ওচৰ পালোঁগৈ।

তেওঁ ঘৈণীৰ ৰাশিচক্ৰটো বহুপৰ গণনা কৰি চাই কলে যে কেইবাটাও গ্ৰহৰ অৱস্থিতি হেনো বৰ্তমানে তেওঁৰ কাৰণে অশুভ হৈ পৰিছে । তেওঁ তাৰ কাৰণে এটা ব্যৱস্থা দিব পাৰে । ব্যৱস্থাটো হল, আঠৰতি ওজনৰ এটি পোখৰাজ পাথৰ মগাই আনি, আঙঠি এটি কৰি, তাকে তেওঁক ধাৰণ কৰিবলৈ দিয়া । ক'ত আচল পোখৰাজ পাথৰ পোৱা যাব, মানুহজনে মোক তাৰো ঠিকনাটো দিলে । গতিকে মই সেই ব্যৱস্থা মতেই বহু টকা-পইচা খৰচ কৰি, একেবাৰে সুদূৰ মহীশূৰৰ-পৰা সেই পাথৰটো মগাই অনাই আঙঠি এটা কৰি মোৰ ঘৈণীক তাকে ধাৰণ কৰিবলৈ দিছিলোঁ ।

আঙঠিটো ধাৰণ কৰাৰ দিনাখনেই, ঘৈণীয়ে আমাৰ পাৰাতে থকা এগৰাকী-ভদ্ৰমহিলাৰ সৈতে, তেওঁবিলাকৰ গাড়ীতে উঠি ৰাতিৰ শ্ব'ত ছিনেমা চাবলৈ গৈছিল । কি গ্ৰহৰ ফেৰ নাজানো, ছিনেমা চাই অহাৰ পাছতেই, বাটতে তেওঁবিলাকৰ ডাঙৰ মটৰ দুৰ্ঘটনা । মটাৰখনতো ছিটিকি গৈ বহুদূৰত পৰিলেই, তাৰপৰা দুয়োজনী মানুহেই ওলাই বাটত তেনেই মুখ থেকেচা খালে । হাত-ভৰি যদিও কাৰো নাভাগিল, দুয়োজনী মানুহৰে গাৰ ছাল-চৰ্মঠীবোৰ তেনেই যেন উঠি গৈ নোহোৱা হল ।

এই ঘটনাৰ পাছত ঘৈণীয়ে আৰু সেই আঙঠিটো কেতিয়াও তেওঁৰ হাতত ৰাখিবলৈ নিবিচাৰিলে । তেওঁ হেনো আৰু এজন কোনোবা গ্ৰহ-বিদৰ ওচৰলৈ গৈ তেওঁৰ পৰামৰ্শটোও লৈছিলেগৈ । তেওঁৰ হেনো অভিমত হল, যে পোখৰাজ পাথৰটো ঘৈণীৰ কেতিয়াও হিতাকাংখী হব নোৱাৰে । হয়তো মটৰ দুৰ্ঘটনাটোৱে তাকেই সূচাইছে । তেওঁৰ গণনা মতে ঘৈণীৰ দেহৰ কাৰণে গোমেদ পাথৰটোহে বেছি শুভাকাংখী হোৱাৰ সম্ভাৱনা আছে । যাহওক, ইমানবোৰ টকা খৰচ-ভৰচ কৰি এটা পাথৰ অনাই এই অভিজ্ঞতা হোৱাৰ পাছত ঘৈণীয়ে আকৌ এটা নতুন পাথৰ অনাৰ কাৰণে মোক কোনো অনুৰোধ নজনালে । আৰু সেই আঙঠিটো কেতিয়াও তেওঁ ধাৰণ নকৰোঁ বুলিয়েই তাক খুলি থলে । কেইবা দিনো তাক আমাৰ ড্ৰেছিং টেবুল খনৰ ওপৰতে এনেয়ে পৰি থকা দেখি, মোৰ জানো কিয় অলপ বেয়া লাগিল; আৰু নিজেই ধাৰণ কৰিলেনো তাৰ ফলাফলটো কি হয় তাকে চাবলৈ যেন ধাৰণ কৰিবলৈ আৰম্ভ কৰিলোঁ ।

বোধকৰোঁ এইদৰে ধাৰণ কৰাৰ একসপ্তাহ মান পাছতেই, আজি হঠাৎ আঙঠিটো মোৰ হাতৰপৰা নোহোৱা হল ।

মোৰ স্পষ্ট মনত পৰিল যে শাকনি বাৰীৰপৰা গৈ মই চাবোন অকন ঘঁহিলৈ বাথৰুমতে থকা আমাৰ বাল্টিটোৰ পানীত হাতখন জুবুৰিয়াই ধুইছিলোঁ । আৰু তাকে লৰালৰিকৈ মচিলৈ মানুহজনৰ সৈতে দেখা কৰিছিলোঁ । মোৰ অনুমান হল, আঙুলিত চাবোন লাগি, আঙঠিটো হয়তো পিছলি ওলাই বাল্টিটোৰ পানীৰ মাজতে পৰিব পাৰে । সেয়ে বাল্টিটো চাবলৈ মই আকৌ বাথৰুমৰ ভিতৰ সোমালোঁগৈ ।

দেখিলোঁ বাল্টিটো তাত আছে হয়, কিন্তু মই চাবোন ঘঁহি হাতখন ধোৱা, সেই পানীখিনি তাত নাই ।

সেয়ে কথাটোৰ গম লবলৈ, মই ঘৈণীৰ ওচৰ পালোঁগৈ আৰু মই ওলাই যোৱাৰ পাছত বাথৰুমৰ ভিতৰত কোনোবা সোমাইছিলনে নাই তাৰে সন্ধেদ ললোঁ ।

ঘৈণীয়ে কলে, তেওঁ জনাত, তাৰ পাছত কাকো তেওঁ বাথৰুমত সোমোৱা দেখা নাই । ঘৈণীয়ে কথাটো অৰুণিমাকো সুধিলে। অৰুণিমাই কলে, কেঁচুৱাটোৰ কাপোৰ কেইডোখৰমান ধোৱাৰ কাৰণে, সিহঁতৰ ধৰ্মৰাজ নামৰ লৰাটোক এবেলি তেওঁ বাথৰুমলৈ যোৱা দেখিছিল ।

কথাটো শুনি, ধৰ্মৰাজৰ ওপৰতেই মোৰ যেন সন্দেহটো ঘনীভূত হৈ পৰিল। কিয়নো অহাৰ দিনাখনৰ পৰাই লৰাটো



OKDISCD



যে অলপ লুভীয়া সেই কথাটো মোৰ বেছ ভালকৈয়ে চকুত পৰিছিল। সেয়ে তাৰ নামটো ধৰ্মৰাজ বুলি শুনি, অৰুণিমাৰ আগত মই অলপ ধেমালি কৰি এদিন কৈছিলোঁ,

—অৰু! ইয়াৰ নামটোতো দেখিছোঁ বেছ ভাল, কিন্তু ধৰ্মৰ প্ৰতি ইয়াৰ মতি-গতি কেনে কিবা গম পাইছানে?

অৰুৱে হাঁহি হাঁহি কৈছিল, “বৰ ভালকৈ পোৱা নাই। কিয়নো আমাৰ ঘৰলৈ অহা ইয়াৰ মাত্ৰ তিনিমাহ মানহে হৈছে। কিন্তু অহাৰ এসপ্তাহ পাছতেই এদিন ৰাতি মাছ ভাজিবলৈ দিওঁতে সি চকুৰ পৰাই মনে মনে মাছ অকন মুখত দিয়া মোৰ চকুত পৰিছিল। মই তাকে দেখি তাক বেছ ধমকি দিছিলোঁ। তাৰ পাছত মই আৰু তাক তেনে কাম কৰা দেখা নাই।”

সি যি নহওক, মই মোৰ মনৰ সন্দেহৰ কথাটো সিদিনা খোলাখুলি-কৈয়ে অৰু আৰু ঘৈণীৰ আগত কৈ অফিছলৈ আহিলোঁ। দুয়োকো এই বিষয়ে যি পাৰে, অলপ অনুসন্ধান চলোৱাৰো কথা কলোঁ।

তেওঁবিলাকে হেনো মই অহাৰ পাছতেই বিনন্দকো কথাটো কলে। তিনিও লগলাগি ডাঙৰ ল'ৰা-ছোৱালী দুটাক পাৰ্কলৈ নিবলৈ বুলি ধৰ্মৰাজক ঘৰৰপৰা উলিয়াই পঠিয়াই, তাৰ বয়-বস্তুবোৰ খানাতালাচ কৰি চালে। মোৰ আঙঠিটো অৱশ্যে কাৰো হাতত নপৰিল। কিন্তু তেওঁবিলাকে বহুত নতুন ধৰণৰ কথাৰ সন্ধেদ পালে। ধৰ্মৰাজৰ কাপোৰ-কানি আৰু বয়-বস্তুবোৰ ভৰাই থোৱা ছামৰাৰ বেগটো খুলি চাওঁতে দেখা গ'ল যে তাৰ তলত অৰুইতে ইমানদিনে হেৰোৱা বুলি ভাবি থকা ঘৰৰ ভালে কেইপদ সৰু-সুৰা লামলাকটি বস্তু লুকাই আছে; যেনে বিনন্দৰ মিক্সাৰ খোৱা পাইপ এডাল, অৰুৰ ধুনীয়া ফণি এখন, ডাঙৰ ল'ৰাটোৰ হেৰোৱা ফাউণ্টেন পেন এটা, ইত্যাদি। এইবোৰ দেখি তেওঁবিলাক তিনিওৰে মনৰ ভাবটো অলপ দৃঢ় হ'ল যে এনেবোৰ বস্তুৰে মায়া যেতিয়া ধৰ্মৰাজে সামৰিব পৰা নাই, সিয়েই নিশ্চয় আঙঠিটো পাই কৰবাত লুকুৱাই থৈছে। কিন্তু থৈছে কত? তাক বিচাৰি উলিওৱাটোহে অলপ টান কথা। যি বুজা যায়, ধৰ্মৰাজে হয়তো আঙঠিটো ইমান সোনকালে তাৰ বেগৰ ভিতৰলৈ নাইবা জেপৰ ভিতৰলৈ নিয়া নাই। সি হয়তো বাহিৰৰে কৰবাৰ এঠাইত লুকুৱাই থৈছে। কথাটো অলপ তলপৰা যেন দেখিলে নাইবা যোৱাৰ সময় হলে সি হয়তো তাৰপৰা উলিয়াই আনি তাৰ বেগত ভৰাবহি।

অফিছৰপৰা আহি, কথাখিনি শুনি মোৰ মনটো অলপ ফৰকাল যেন লাগিল। ভাবিলোঁ পোখৰাজ পাথৰৰ সৈতে মোৰ বাহিটো বোধকৰোঁ বৰ বেছি বেয়া নহয়। সেয়ে কিছু চেষ্টা কৰিলে, বুদ্ধি খটুৱালে, সি হয়তো আকৌ উভতি মোৰ ওচৰলৈ আহিব পাৰে।

এইবোৰকে ভাবি ভাবি, সেইদিনা মই আৰু বিনন্দই দুয়ো লগলাগি, সন্ধিয়া ভালেখিনি ফুৰিলোঁ। এটা বিষয়ে আমি দুয়ো সোনকালে একমত হলোঁ যে ধৰ্মৰাজ ল'ৰাটো বৰ লুভীয়া হলেও, সি অকনো টেঙৰ নহয়। বৰঞ্চ কিবা যেন অলপ ভেবা আৰু ভয়াতুৰ ধৰণৰ। সেয়ে যাদু-মন্ত্ৰৰ কথা কৈ, তাক অলপ ভয় খুৱাব পাৰিলেই, সি কিজানি আঙঠিটো নিজে-নিজেই উলিয়াই দিব।

গতিকে সেইদিনা সন্ধিয়া তেনে ধৰণৰ প্লেন এটিকে কৰি লৈ আমি মন্ত্ৰ-তন্ত্ৰ পঢ়ি, আমাক চাৰিটা বেল পাত জাৰি দিলে আৰু কলে—আমি গৈয়েই যেন এই পাত চাৰিটা আমাৰ ঘৰটোৰ চাৰি মূৰে পুতি থওঁ।

আমি আহিয়েই সেই পাত চাৰিটা সেইদৰে পুতি থৈছোঁ।

বাবাজীয়ে কৈছে যে আমি তেনে কৰাৰ পাছত ঘৰৰ ভিতৰত থকা যিজন মানুহে আঙঠিটো লুকুৱাই থৈছে, সি ঠিক চাৰি ঘণ্টাৰ ভিতৰতে হয় কথাটো আমাৰ আগত খুলি কব লাগিব নহলে আঙঠিটো য'ৰপৰা আনিছিল তাতে আকৌ মনে মনে থৈ দিব লাগিব। তাকে নকৰিলে বা পলম কৰিলে তাৰ মৃত্যু একেবাৰে সুনিশ্চিত। তাৰ পেটটো ভীষণভাৱে ওফন্দি আহিব, সি খাব নোৱাৰিব, শুব নোৱাৰিব আৰু তেজ বতিয়াই বতিয়াই ঠিক

সেইদিনা আমি সোনকালে খোৱা-বোৱা কৰিলোঁ আৰু খাই উঠিয়েই নিজ নিজ শোৱা কোঠালিত সোমালোঁ। মোৰ কিন্তু বাৰে বাৰে ধৰ্মৰাজৰ অৱস্থাটোৰ কথা মনলৈ আহি থাকিল।

ধৰ্মৰাজৰ বিচনাখন অৰু আৰু বিনন্দক শুবলৈ দিয়া কোঠাটোৰ কাষতে থকা কৰিড'ৰটোত এখন বাঁহৰ চাৰিৰ ওপৰত কৰি দিছিলোঁ। এসময়ত মোৰ কৌতুহল ইমান বেছি হ'ল যে মই আৰু ভিতৰত থাকিব নোৱাৰিলোঁ, মনে মনে কৰিড'ৰটোৰ এচুকলৈ ওলাই আহিলোঁ। গাটো আঁৰত ৰাখি কোনোমতে চকু দুটা আগবঢ়াই দেখোঁ—ধৰ্মৰাজ এবাৰ বহে, এবাৰ উঠে, বিনন্দহঁতৰ শোৱা কোঠাৰ দুৱাৰখনৰ ওচৰলৈ যায়, আকৌ আহি বহে, বহি দুৱাৰখনৰ ফালে চাই থাকে।

কথাখিনি কোৰাৰ লগে লগে, আমি লক্ষ্য কৰিলোঁ, তাৰ যেন প্ৰতিক্ৰিয়া— ধৰ্মৰাজৰ মুখত বেছ স্পষ্টভাৱেই ~~[illegible]~~। তাৰ যেন মুখখন ভয়তে শুকাই তেনেই টেমি যেন হ'ল। আৰু সি যেন মানুহটো দেখাদেখিকৈয়ে বেছ দুৰ্বল হৈ পৰিল, কথা আৰু কামবোৰ কিবা থৰকবৰক কৈ কৰলৈ বা কৰিবলৈ আৰম্ভ কৰিলে।

ঘৰ পালেঁহি। ৰাতি ভাতৰ পাতত বহি, ধৰ্মৰাজক শুনাই শুনাই মই নিজেই সকলোৰে আগত বেছ ৰস লগাই কথাবোৰ কবলৈ আৰম্ভ কৰিলোঁ।

কলোঁ, মই আৰু বিনন্দই দুয়ো লগলাগি, সন্ধিয়া, আঙঠিটো পোৱাৰ চেষ্টাতেই, বৰ বেছি যাদু-মন্ত্ৰ জনা এজন ডাঙৰ বাবাজীৰ ওচৰলৈ গৈছিলোঁ আৰু তেওঁক কথাটো অলপ গণনা কৰি চাবলৈ অনুৰোধ জনাইছিলোঁ।

বাবাই বহুপৰে ধ্যান কৰি কথাটো বৰ দকৈ ভাবি চিন্তি চাই আমাক কলে যে আঙঠিটো হেনো আমাৰ ঘৰৰ ভিতৰতেই আছে আৰু ঘৰৰে হেনো কোনোবা এজনে মনে মনে তাক লুকুৱাই থৈছে।

আঙঠিটো আমি কেনেকৈ পাম সেই কথা তেওঁক সোধোঁতে তেওঁ বহু চাৰি ঘণ্টাৰ মূৰত মৰি থাকিব।

কথাখিনি কোৱাৰ লগে লগে, আমি লক্ষ্য কৰিলোঁ, তাৰ যেন প্ৰতিক্ৰিয়া ধৰ্মৰাজৰ মুখত বেছ স্পষ্টভাৱেই ধৰা পৰিল। তাৰ যেন মুখখন ভয়তে শুকাই তেনেই টেমি যেন হ'ল। আৰু সি যেন মানুহটো দেখাদেখিকৈয়ে বেছ দুৰ্বল হৈ পৰি, কথা আৰু কামবোৰ কিবা থৰকবৰক কৈ কৰলৈ বা কৰিবলৈ আৰম্ভ কৰিলে।

আমি বোধ স্পষ্টভাৱেই দেখিলোঁ যে সেইদিনা ৰাতি, সি তাৰ ভোকৰ ভাত কেইটাও যেন সমূলি তৃপ্তিৰে খাব নোৱাৰিলে। দুগৰাহমান খায়েই সি থালখন ধুবলৈ কলৰ পাৰলৈ গ'লগৈ। তাৰপৰা বাৰে বাৰে আহি আমাৰ বহা কোঠালিটোলৈ গৈ, তাতে থকা দেৱৰ ডাঙৰ ঘড়িটোত, কিমান বাজিছে, তাকে যেন চাবলৈ ধৰিলে।

কিছুসময়ৰ পাছত মই আৰু ধৈৰ্য্য ধৰিব নোৱাৰিলোঁ। কৰিড'ৰত সি দেখাকৈ থিয় দিলোঁ। মোক দেখি সি চক খাই উঠিল। মই তাক ওচৰলৈ আহিবলৈ ইংগিত দিলোঁ। সি অহাৰ পাছত ফুচফুচাই সুধিলোঁ, “কি হৈছে তোৰ? কি কৰিছ?”

সি কলে, “মোৰ বৰ ভয় লাগিছে।

“ভয়? কিয়?”

“বাইদেউ যদি সঁচাকৈ মৰি যায়!” আতুৰভাৱে কলে।

“বাইদেউ? কোন বাইদেউ?” মই আচৰিত হৈ সুধিলোঁ।

“আমাৰ বাইদেউ!”





OKDISCD

# সৃষ্টিৰ প্ৰেৰণা

ডঃ নিৰ্মলপ্ৰভা বৰদলৈ

সৃষ্টিৰ মোৰ প্ৰেৰণা কি ? কি ইয়াৰ উৎস ? কথাষাৰ গভীৰভাৱে ভাবিছোঁ আজিৰ এই প্ৰশ্নটোতহে। বহুতো সংবাদ পত্ৰই আৰু ব্যক্তি-বিশেষে এই প্ৰশ্ন আংশিকভাৱে মোক বহুতবাৰ সুধিছে। "আপোনাৰ লিখাৰ প্ৰথম প্ৰেৰণা ক'ত পাইছিল, কি আছিল, কবনে ?'' আঠ-ন বছৰ মান বয়সত এক অজ্ঞান প্ৰেৰণাত লিখা মোৰ প্ৰথম পদ্যটো পঢ়ি মোৰ দেউতাই মোক অসীম উৎসাহ দিছিল। সেয়েই ছাগৈ আছিল মোৰ কাৰণে প্ৰথম প্ৰেৰণা। তাৰ পাছত সাহিত্য প্ৰতিযোগিতাৰ কৃতিত্বময় ফলাফলবোৰে নিশ্চয় মোক প্ৰেৰণা দিছিল আৰু প্ৰেৰণা দিছিল মোৰ শিক্ষাগুৰু তথা শুভকাংখীসকলৰ উৎসাহেও। উত্তৰ আছিল সিমানেই।

আজি মোৰ লগত মই মুখামুখি হৈছোঁ। প্ৰশ্ন কৰিছোঁ নিজকে, মই কি লিখি আছোঁ ? কিহৰ প্ৰেৰণাত লিখি আছোঁ ? সৃষ্টিৰ কাৰণে প্ৰেৰ-ণাৰ প্ৰয়োজননে ? মোৰ লিখাবোৰ প্ৰেৰণামণ্ডিত সৃষ্টি নে ?

সঁচাই-মিছাই কিতাপ লেখত আঠাইছ-ত্ৰিছখনেই হলহি। কবিতা সংকলন হল ছখন। তাৰে এখন ইংৰাজী। দিল্লীৰ ডাঙৰ প্ৰতিষ্ঠান এটাই ছপাইছে। গীতো হল হাজাৰ বাৰশতাকৈ ওপৰ। এই সৃষ্টিৰ অন্ত-ৰালত কিহে কাম কৰিছে ? ইয়াৰ উৎস ক'ত ?


সঁচা কথা কবলৈ হলে "কবিতাৰ উপাদান সদায় মনৰ একাধিক ৰূপ বা উৎসৰপৰাই আহে। সৃষ্টিৰ পট-ভূমিত থাকে সামগ্ৰিক মনটো। শূন্যৰপৰা একো সৃষ্টি নহয়।'' * ঘৰুৱা পৰিৱেশ, শৈশৱত পোৱা অভিজ্ঞতাই মানুহৰ মন আৰু দৃষ্টি-ভংগীৰ গঢ় দিয়ে। তেজত থাকে ঐতিহ্য, সংস্কাৰ, পিতৃ-মাতৃৰ আবেগ অনুভূতি, চিন্তা। অতি বেছি আলসুৱাকৈ ডাঙৰ হোৱা মই হলোঁ বৰ স্পৰ্শকাতৰ। টোপনি ভাঙিবৰ কাৰণে ভাত-চৰুৰ কাষত বহুৱাই মোৰ মাই চিলনীৰ জীয়েক, তুলা-তেজা, ফুলকোঁৱৰৰ সাধু কৈছিল। মাৰ আঁচলৰ আঁৰত লুকাই ফেকুঁৰি ফেকুঁৰি কান্দিছিলোঁ। দুগাল তিতি গৈছিল শোকত। সৰুতে বৰমাৰ বুকুত সোমাই গোসাঁই নাম শুনি শুনি টোপনি যাবৰ পৰত মনটোৱে যমুনাৰ বালিত গৈ উমলি ফুৰিছিল। দোকমোকালিতে দেউতাৰ কণ্ঠৰ গুৰু গম্ভীৰ বৰগীত শুনি মনটো অজান-অনুভূতিৰে গভীৰ হৈছিল। কাতিৰ সংক্ৰান্তিত দেউতাই আমাক বিস্তৃত আহিনৰ পথাৰ দেখুৱাবলৈ নিছিল, বনৰ চৰাইৰ মাত শুনাইছিল, ৰবাব টেঙাৰ ফুলৰ গোন্ধ লবলৈ শিকাইছিল, স্থলপদ্মই প্ৰহৰে প্ৰহৰে ৰং সলোৱা দেখুৱাইছিল, ঋতুৰ সূক্ষ্ম পৰিৱৰ্তনৰ লগত পৰিচয় কৰাইছিল। ঘৰৰ প্ৰকাণ্ড বাৰীখনৰ প্ৰতিদাল ঘাঁহ বনৰ গোন্ধ এনেকৈয়ে মোৰ সত্তাত মিলিত হৈছিল।

ঘৰত হোৱা বৰসবাহ আৰু বিৰাট আকাৰত ঘৰত বাৰ্ষিক অনুষ্ঠিত হোৱা লক্ষীপূজা দেখিছিলোঁ। বিহুত হুচৰি ঘৰলৈ যোৱে যোৱে অহা দেখিছিলোঁ, মা-বৰমাহঁতৰ লগত গৈ নামঘৰৰ নাম শুনিছিলোঁ, মাঘ মাহত দিখৌ নৈত ব্ৰহ্মমুহূৰ্তত মাঘীস্নান কৰিবলৈ গৈছিলোঁ, অশোকাষ্টমীত গৈছিলোঁ বৰনৈ ব্ৰহ্মপুত্ৰলৈ। চ'তমাহৰ বিস্তৃত বালি, তৰাবছা আকাশৰ দৰে ব্ৰহ্মপুত্ৰৰ বালিত নিশা খপা অজস্ৰ তম্বুৰ পোহৰ ; সূৰ্য্যৰ কিৰণে আলোকিত কৰা নীলিম দিগন্ত, ব্ৰহ্মমুহূৰ্তৰ অপৰূপ শোভা দৰ্শনৰ সঁচ মনত মচিব নোৱৰা হৈ বল। সূৰ্য্য তথা পোহৰৰ পিনে চাই কৰা প্ৰাৰ্থনাৰ গুৰুত্বও নিশ্চয় কম নহয়। বিচিত্ৰ শিহৰণত আপ্লুত হৈ মনে পাহি মেলিছিল এনেকৈয়ে।

কল্পনাৰ পাখীও হয়তো গজিছিল এনেকৈয়ে। এধান এধানকৈ। মোৰ চউদিশক, মোৰ ওচৰ-চুবুৰীয়াক, মোৰ ঠাইখনক, মোৰ মাটিখিনিক, মোৰ দেশখনক মই ভাল পাবলৈ ধৰিছিলোঁ, এনেকৈয়ে প্ৰাণ দি, তাৰ ৰং লৈ, তাৰ ঘ্ৰান লৈ। দেশক ভাল পোৱাৰ এই আকুলতা ন বছৰীয়া এজনী কিশোৰীৰ এধানমান মনটোৱে প্ৰথম প্ৰকাশ কৰিছিল মন্দিৰ নামৰ প্ৰথম কবিতা এটাত— য'ত প্ৰকাশ হৈছিল এটা বাক্য— "বিদেশীয়ে চিন্তিব ত্ৰাহি ত্ৰাহি হৰি।" তেতিয়া আছিল বিয়াল্লিছৰ গণবিপ্লৱৰ সময়। সত্যাগ্ৰহী মানুহক ঘৰৰ আগেদি ফুলৰ মালা পিন্ধি যোৱা দেখিছিলোঁ। মনত জাগিছিল অজান উত্তেজনা। বিদেশী চাহাববোৰ ভাৰতৰপৰা যাবই লাগিব। দেশ এক মন্দিৰ। দেশৰ দেৱতাক যেন বিদেশীয়ে ধূলিত পেলাই দিছে —এয়েই আছিল সেই সময়ৰ জনা-নজনা ভাবৰ, জনা-নজনা প্ৰকাশ।

এই প্ৰেম দেশৰ প্ৰতি, প্ৰকৃতিৰ প্ৰতি নিৰবচ্ছিন্ন, শিহৰিত, স্বতস্ফূৰ্ত ভাৱেই স্ব প্ৰেৰণাৰে মণ্ডিত। মই ভাবোঁ প্ৰেৰণা এক স্বতঃ উৎসাৰিত বস্তু। জলধাৰাৰ উৎস মাটিৰ বুকুতে থকাৰ নিচিনা কথা। বাহিৰত অন্যজনৰ উৎসাহে ইয়াক কেৱল বৈ যোৱাতহে সহায় কৰিব পাৰে। কাৰণ সৃষ্টি ঠিক নিৰ্মাণ নহয়। সৃষ্টিৰ মূলৰ শিপাবোৰে বহুত গভীৰৰ বহুত ঠাইৰপৰা ৰস আহৰণ কৰে।

প্ৰকৃতিৰ সৌন্দৰ্য্যক, চৰাইৰ মাতক, নৈৰ গতিক তথা জীৱনৰ-সমগ্ৰতাক সুখৰ ৰূপত, দুখৰ ৰূপত ছন্দেৰে, কথাৰে ধৰি ৰাখিবলৈ মই যেন কেউদিশে লৰি ফুৰিছোঁ। অহৰহ অনুভৱ কৰোঁ "এই যায় এই যায় ভাব"। অসহায়তাত, অক্ষমতাত ভিতৰি ভিতৰি মই উচুপি থাকোঁ, কান্দি থাকোঁ। দুপতীয়াৰেপৰাই দেউতাৰ লাইব্ৰেৰিত সোমাই আৰব্য উপন্যাসকে আৰম্ভ কৰি শৰৎচন্দ্ৰ, ৰবীন্দ্ৰ নাথ ঠাকুৰ, লক্ষ্মীনাথ বেজবৰুৱা, দণ্ডিনাথ কলিতা, ৰজনীকান্ত বৰদলৈ, পদ্মনাথ গোহাঞি বৰুৱা আদিৰ উপন্যাসৰ উপৰিও সংগীতকোষ, সংগীত সাধনালৈকে একো বাদ নিদিয়াকৈ বুজাই নুবুজাই পটি ক্লাছ ফাইভ মানতে শেষ কৰি আকৌ ঘূৰাই ঘূৰাই পঢ়ি চমকি চমকি উঠিছিলোঁ, অকলে অকলে হাঁহিছিলোঁ, চকুৰ পানীৰে তিতি থাকিছিলোঁ। দেশ, বসুমতী, জয়ন্তী, আৱাহন একো বাদ নাযায়। এক অপাৰ্থিৱ, ভাষাৰে বুজাব নোৱৰা আনন্দৰ মাজত বিষাদৰ মাজত মই যেন আপ্লুত হৈ পৰোঁ। এই পৃথিৱীৰ বিচিত্ৰ চৰিত্ৰ, বিশ্বৰ ৰহস্যময়তাৰ লগত হোৱা পৰিচয়ে মোক তন্ময় কৰে, মোৰ মাজত অনুভূত হোৱা অনুভৱে, উপলব্ধিয়ে প্ৰকাশ বিচাৰি যেন ব্যাকুল হয়—মোৰ অসীম প্ৰেমক, অসীম বিষাদক মই শৈ



যাব খোজোঁ শব্দত। কিন্তু সেই শব্দ ক'ত ? পাৰ হয় তন্ময় প্ৰতীক্ষাৰ প্ৰহৰ—

পানী মুৰলিত হাত তিয়াই
দিনৰ পাছত দিন।
আঙুলিত খুটিয়াই
ক'ত যায় সেইবোৰ
লীলাৱতী, গৰ্ভৱতী মাছ
গুছি লৈ যায় নেকি
আঙুলিৰে বৈ যাব খোজা
ইচ্ছাৰ জান জুৰি বোৰ ?
নিমাও মাও
জয়াল সন্ধিয়া
এবুকু।

" কবিতা মনৰ এনে এটা ৰূপৰ লগত জড়িত য'ত ভাব সাধাৰণ ব্যৱহাৰিক চৰিত্ৰৰ নাইবা যুক্তি প্ৰক্ৰিয়াৰ চৰিত্ৰৰ মনৰ ভাব হৈ নাথাকে। সেই মন এক গোপন সাংগীতিক—আবেগৰ আনন্দই পোৱা, ছন্দগত আনন্দই পোৱা মন। সেই ভাব গোপনে, সূক্ষ্মভাৱে অস্পৰ্শভাৱে হলেও আৰম্ভণিৰেপৰা সংগীতায়িত (musicalized) হোৱা ভাব। তেনে ভাবক মূৰ্ত কৰাৰ সমস্যা—এটা অসাধাৰণ ভাষাৰ সন্ধানৰে সমস্যা।" * তথাপিও সৃষ্টিৰ আনন্দই অজানিতেই বহুদূৰ বাট লৈ যায়। বহুদূৰ বাট মোকো লৈ গল। প্ৰকাশ নকৰিলে মোৰ যেন পৰিত্ৰাণ নাই !

মন কৰিছোঁ, জীৱনৰ অজস্ৰ সংঘাতেও কিবা একোটা লিখাৰ পটভূমিত বিশেষভাৱে ক্ৰিয়া কৰে। ব্যক্তিগত জীৱনৰ সংঘাত আৰু সমাজ জীৱনৰ সামূহিক সংঘাত দুয়োটাই ইয়াত গুৰুত্বপূৰ্ণ স্থান লয়। ব্যক্তিগতভাৱে কবলৈ গলে, লৰালিৰ পাছতেই মই যেন বুকুৰে বগুৱা বাই পাৰ হৈ যাব লগা হল এক সংকীৰ্ণ তোৰণ, এক জয়াল, উত্তপ্ত মৰুভূমি। ৰামায়ণৰ সীতাৰ দৰে ময়ো যেন এক অগ্নি পৰীক্ষাৰ মাজেদি গলোঁ। পুৰুষ-প্ৰধান সমাজৰ নিষ্ঠুৰ স্বেচ্ছাচাৰিতা, গোড়া ৰক্ষণশীল বিচাৰহীন সমাজৰ নিৰ্বি-কাৰতা আৰু যুগসন্ধিৰ নিৰ্য্যাতনৰ বলি হৈছিল অখ্যাত আন দহজনী ছোৱালীৰ দৰে মোৰ জীৱনো। কেউকাষে যেন অন্ধকাৰ, অসহানু-ভূতিশীল শুকান, ৰুক্ষ বতাহ। বতাহৰ মাজত ভয়ংকৰ বিস্ফোৰণৰ মাজেদি যেন মেল খাই গৈছিল জীৱনৰ আন এখন দুৱাৰ। জীৱনৰ যে এক অসুন্দৰ দিশ আছে, তাক এজনী কৈশ্য বছৰীয়া কিশোৰীয়ে প্ৰত্যক্ষ কৰিলে। দশমহাবিদ্যাৰ উগ্ৰৰূপ শিৱই প্ৰত্যক্ষ কৰাৰ দৰে মই প্ৰত্যক্ষ কৰিলোঁ ধুমুহা, গাঁজনি, উল্কাপাতৰ ভয়ংকৰতা। কতো যেন মানুহ নাই—কেৱল যন্ত্ৰৰ শিৰত মানুহৰ মুখা। এই প্ৰলয়ৰ মাজত কেৱল দেউতাৰ এষাৰ মাত অহৰহ ধ্বনিত হৈ থাকিল—" জীৱন অস্থায়ী, কীৰ্ত্তি চিৰস্থায়ী। উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰান্নিবোধত।" বাঁওহাতে মোৰ ছোৱালীজনী প্ৰমুখ্যে কেবাখনো সংসাৰৰ সমগ্ৰ দায়িত্ব, সোঁহাতত মোৰ গীতা। ভাৰতীয় দৰ্শনৰ ত্যাগ আৰু তীব্ৰ কৰ্তব্যবোধৰ পোহৰত মই যেন মহাজীৱনৰ পোহৰ পালোঁ। মহামানৱ গান্ধীজীৰ ত্যাগৰ আদৰ্শইও মোৰ শিপাৰ মূললৈকে যেন কঁপাই তুলিলে। টলষ্টয়ৰ বাণী, ৰবীন্দ্ৰনাথ ঠাকুৰৰ বাণী, লক্ষ্মীনাথ বেজবৰুৱাৰ একাগ্ৰনিষ্ঠা, জ্যোতিপ্ৰসাদৰ গীতৰ বাণী একেলগে মোৰ অন্তৰাত্মাত যেন বাজিবলৈ ধৰিলে : "...... আলোকেৰে যাত্ৰা অৰ্থ্য, আমি পালোঁ জীৱনৰ অৰ্থ অভিনৱ।" কবিগুৰুৰ লগত মোৰ কণ্ঠ যেন একাত্ম হল—"মোৰ লাগি কৰিওনা শোক, আমাৰ ৰয়েছে কৰ্ম, আমাৰ ৰয়েছে বিশ্বলোক।"

দেউতাই কালীয়দমনৰ, মহিষাসুৰ বধৰ তাত্বিক ব্যাখ্যা প্ৰসংগ ক্ৰমে কৈছিল। সেই ব্যাখ্যা যেন উদ্দেশ্য প্ৰণোদিত ব্যাখ্যা। সামাজিক শত অন্যায়ৰ শিৰত উঠি সেই অন্যায় ৰক্তাক্ত, চূৰ্ণ কৰিবৰ কাৰণে মই যেন জানি-নাজানি ভিতৰে ভিতৰে সাজু

* ভবেন বৰুৱা। পাতনি, দিনৰ পাছত দিন

* ভবেন বৰুৱা। পাতনি, দিনৰ পাছত দিন




OKDISCD

হৈছিলোঁ! ৰক্ষণশীল অজ্ঞ অন্ধকাৰ সমাজৰ মিছা নিয়মৰ শিকলি মনে ছিঙিব খোজাৰ বক্তব্য স্পষ্ট হৈছিল "অস্তিত্ব" নামৰ কবিতাতে—

মই মোক সঁজাত ভৰাওঁ
আৰু একোটা যুক্তিৰে
শলখা মাৰি থওঁ।
মই মোক পাল্লাত উঠাওঁ
আৰু বিভিন্ন মূল্যেৰে
জুখিব খোজোঁ।
সকলো যুক্তি ব্যৰ্থ
সকলো মূল্য নিৰুপায়।

মোৰ অস্তিত্বই অট্টহাস্য কৰে
মই বৈ যাওঁ সকলো নিষিদ্ধতাৰ শুকুভাৱে
আৰু ৰূপ সলাই থাকোঁ।
কেতিয়াবা ফুল, কেতিয়াবা তৰোৱাল
কেতিয়াবা...... কেতিয়াবা...... ।
(অস্তিত্ব। সমীপেষু, পৃ· ২৪)

মোৰ অবচেতন মন যেন ক্ৰমান্বয়ে এক "চেলেঞ্জ" (প্ৰত্যাহ্বান) লৈ ৰূপান্তৰিত হল। মই উপলব্ধি কৰিলোঁ মোৰ সত্ত্বাৰ যেন এক নিজস্ব স্থিতি আছে। "স্থিতিৰ অহংকাৰ আছে, সি হাত নিমিলায় আওঁজা চকীত বহা ৰুচি কিম্বা মূল্যৰ লগত। তাৰ ৰক্ত মাংসত অতীজতে ৰুই থোৱা স্থিৰ বিশ্বাসৰ সহস্ৰ শিপাক অহৰহ ঘৰ্ষিত দাঁতৰ কৰতেৰে কাটি, সি যাব অকলেই যাব, আগে আগে সি পাছে পাছে পথ।" (স্থিতি, সমীপেষু)। অন্ধ ট্ৰেডিশ্যন যিবোৰ আছে তাৰ লগত হাত মিলাব নোখোজা, অকলে হলেও আগলৈ যোৱাৰ পথ সৃষ্টি কৰিব খোজা মনটো যেন মোৰ নিজৰ ওচৰতে স্পষ্ট হল!

বাস্তৱৰ কঠিন মাটিত ভৰি দিব খুজি মই চালোঁ আগলৈ, মই চালোঁ পিছলৈ—"কপউৰ ৰুণত ৰ লাগি মোৰ লবালি, মোৰ যৌৱন পাকঘূৰনি খাই খাই ওলমি ৰোৱা শুকান বতাহত! শেলুৱৈ ভৰা সেউজীয়া পুখুৰীটোৰ থৰ পানীৰে নামি যোৱা ঘাটত মোৰ বৰ্তমান। শিলত পৰি ফাটি যোৱা পকাফলৰ গোন্ধত মোৰ স্বপ্ন......। তলত মাটি আছে নে মাটি?? (ৰুদ্ৰ প্ৰহৰ, দিনৰ পাছত দিন)

যুগৰ দ্ৰুত অবক্ষয় পৰিলক্ষিত হোৱাৰ লগে লগে, কৃষিযুগৰ বিশালতাৰ ঠাইত শিল্পযুগৰ সংকোচন দেখি, আদৰ্শৰ স্খলন দেখি, মূল্যবোধৰ সলনিয়ে অনা যন্ত্ৰণাত জন্ম পালে "মৰ্মান্তিক" বাতৰি এটা: "তেওঁক মই যোৱাগৈ দেখিছিলোঁ, বেলি লহিওৱাৰ পৰত, পথাৰৰ বাঁকিয়াইদি। মূৰত জাপি, কান্ধত মেটমৰা দুটা ডাঙৰিব জিৰিক্ জিৰিক্ মাত। তেওঁৰ পাছে পাছেই গ'লগৈ আঘোণৰ সোণবৰণীয়া ৰ'দ, খেৰৰ চুবুৰীটো, বাঁহ বননিৰ কেঁচা আলিটো আৰু গান গোৱা চৰাইজাক, গৈ আছিল আৰু গ'লগৈ। কোনে জানে তেওঁ আৰু এই জন্মত উভতি আহিবনে নাহে!! (মৰ্মান্তিক, দিনৰ পাছত দিন, পৃঃ ৭৭)

দুৰ্নীতিৰ ভয়ংকৰ গ্ৰাসত পতিত, দেশ আৰু জাতীয় চৰিত্ৰৰ চূড়ান্ত পতন দেখি ক্ৰমান্বয়ে অনুভৱ হৈ আহিল—"ভৰিৰ পতাৰ পৰা ক্ৰমে কলাফুল, আঁঠু, কৰ্কাল, এতিয়া বুকু চোওঁ চোওঁ, পাতালৰ পানী, ক'লা পাথৰৰ পানী, কেউকাষে বাঢ়ি অহা নিৰুশ্বাস কংক্ৰীটৰ অপাৰ্থিব পানী। আমি ডুবিছোঁ, ডুবি গৈ আছোঁ। (বিস্বাদৰ বিবৰ্ণ হাতৰ দোঁ খোৱা সুবৰ্ণ পতাকা সিহঁতত দিছোঁ। সোঁ হাত উকা কৰি ললোঁ। হাত পাতি লোৱাৰ আগতে শিল ভঙা শিল্পৰ মহা অভিজ্ঞান, আঠা আজি সমস্বৰে গাই লওঁ বসন্তৰ প্ৰহসিত গান।")—(সমীপেষু)॥ ক্ৰমান্বয়ে অনুভৱ হৈ আহিল আমাৰ অনিকেত অৱস্থাৰ কথা: "আহিনৰ পথাৰৰ গোন্ধ কেনেবাকে নাকত আহি লাগিলে মই হেৰা পাওঁ মোৰ দেউতাক। দোকানৰ জাপ ভঙা গামোচাৰ সুবাসত হেৰা পাওঁ মোৰ আইক। মই মোক সন্তানৰ কাৰণে ক'ত থৈ যাম, ক'ত??"

কিন্তু এয়াইনে? ইয়াতেই মোৰ দায়িত্ব শেষ নে? যুগৰ যন্ত্ৰণা অনুভৱ কৰাতেই মোৰ কৰ্তব্যৰ শেষ নে? "সুদীৰ্ঘ দিন ৰাতি ধৰি, সুদীৰ্ঘ ৰাতি দিন ধৰি, ইচ্ছাৰ ঘৰটোত মই পায়চাৰী কৰোঁ। সমগ্ৰ দিন এনেকৈয়ে। সমগ্ৰ ৰাতি এনেকৈয়ে। অন্ধকাৰ জৰাজীৰ্ণ কোঠাটোত বহি কেৱল পায়চাৰী। মই শুব নোৱাৰোঁ, মই উঠিব নোৱাৰোঁ, জানো দুকটো অলপ ওপৰতে। হাত তুলিব নোৱাৰোঁ, মই মাতিব নোৱাৰোঁ, কেৱল পায়চাৰী, কেৱল অন্ধ, উদাসীন আশা: এদিন কিবা এটা হব এনেকৈয়ে।" (সমীপেষু, পৃষ্ঠা ১৩)। মই অনুভৱ কৰোঁ, ক'লাজামুৰ লগ: এজোপা গছত ওলমি বেতালৰ দৰে তুমি, মই, আমি। দুয়োহাত মেলি দিছোঁ, আঙুলি পোত গৈছে নিঃসীম শূন্য তাত, ভৰি এঙাৰ বঙৰ ক'লাজামু চুই। বতাহত ইফাল সিফাল কৰি কেৰকেৰাই আছে বাঁহৰ কাঠীৰ দেহ। চকুত কেৱল ক'লাজামু, ক'লাজামু, ক'লাজামু॥ (সমীপেষু পৃষ্ঠা ১২)। এনে অসহনীয় দুখৰ বাতৰি পঠাব খোজোঁ সমগোত্ৰীয় কবিলৈ: "মৰমৰ সুনীল, কি আৰু লিখিম! মাজে মাজে ভাব হয়, কোনো অৰ্থ নাই একোৰেই। শব্দই অৰ্থ বহন নকৰে। তুমি আঁকা জুইৰ ছবিত হাত সেকিব পৰা হলে! নাই, নোৱাৰি। কাগজত আঁকা বেলিত ৰাতি নুপুৱায়। যাওক দিয়া সেইবোৰ। তোমালৈ সেই একেটাই খবৰ পঠালোঁ। আমাৰ ইয়াত ৰাতিৰ অন্ধকাৰত বেৰৰ পিনে মু কৰি আমি আটায়ে অকলে কেঁকুৰোঁ, পুৱা যে আকউ উঠিব লাগিব কান্দিবলৈকে, দাৰুণ সেই দুখত।" (সমীপেষু, সুনীল গংগোপাধ্যায়; সমীপেষু, পৃষ্ঠা ৩২)॥

মোৰ মাজতে সমান্তৰালভাৱে বা ওপৰা-উপৰিকৈ দুটা ধাৰাই কাম কৰি থকাৰ মই উমান পাওঁ। অসহায় নিসংগ আত্মাৰ ক্ৰন্দনে প্ৰকাশ পায় তেতিয়াই—মই যেতিয়া লিখোঁ—"সীমাৰ সিপাৰে তৃপ্তি আমাৰ মাজত তৃষাৰ নৈ, সাগৰ তীৰত পৰি ৰলোঁ আমি শামুকৰ খোলা হৈ" (কণ্ঠ: ড· ভূপেন হাজৰিকা) জীৱনে কি বিচাৰে? "জীৱনে বিচাৰে কি? দূচকুত থকা নীল নিবিড়তা, হৃদয়ত থকা গভীৰ মমতা, তাকেই বিচাৰে কি? নদীয়ে জানে সাগৰেই গতি এই লহৰৰ, প্ৰাণ প্ৰবাহৰ শিল ভাঙি যায় কঠিন বাটৰ, যোৱাৰ প্ৰেৰণা থাকে ক'ত বাৰু মৰমে দিয়েনেকি?" (কণ্ঠ: পুলক বন্দোপাধ্যায়)। জীৱনে কি বিচাৰে আজিলৈকে তাৰ সঠিক উত্তৰ নাপালোঁ। কিন্তু হাজাৰ বিপৰ্যয়ৰ

# দুটা কবিতা

**নীলমণি ফুকন**

১

আহক ওলাই যাওঁ সাংঘাতিক কথা কোনেও বিশ্বাস
কৰা নাছিল যি কোনো মুহূৰ্ততে উশাহ বন্ধ হৈ যাব পাৰে
বৰষুণ পৰাদি তেজ মৃত্যুৰ আগলৈকে কোনেও ক'ব নোৱাৰে
কাৰ্ত্তবীৰ্যৰ এহেজাৰ হাত তেওঁ তেওঁৰ আইনাত দেখা মানুহটো
এটা কন্ধ মৃত দেউতাই মোক মাজে মাজে বিচাৰে ননী আছ নে

তেওঁলোকৰ চকুলৈ চাওক কি দেখিছে আপুনি কাক ভাল পাই
জীৱনৰ লগত হেতালি সপোন দেখেনে আপুনি এইখিনিতে ৰাস্তাটো
পূবলৈ ঘূৰিছে ইয়াৰপৰাই বেলিটো বলিকটা ছাগলীৰ জিভাখনৰ
দৰে দেখি শিলটোত কি লিখা আছে আহি ক্ষয়প্ৰাপ্ত হ'ল
ৰাতি যমডাকিনীৰ মাত উত্তপ্ত নীৰৱতা শিয়ালৰ হোৱা হোৱা

কোনেও নাজানিলে টেক্সিখনত কোন আছিল পৰিকল্পিত হত্যা
বহুত পৰলৈ আকাশখন ধোঁৱাই আছিল জজ খেল পথাৰত
যুধিষ্ঠিৰৰ বক্তৃতা ল'ৰাহঁতৰ মূৰত বেঙেজ কাতিৰ চুটি দিন
হাতীৰে গছকাইছিল বকৰাই বাঘটোৱে অৰ্দ্ধহাৰী তিৰোতাবোৰৰ
পিয়াহ কামুৰি খাই পানী বিচাৰিছিল পানী পেট্ৰল পাম্পত জুই

আহক গৈ থাকোঁ সাংঘাতিক কথা ঘাঁহ গজিছে চাৰিওপিনে
ঘাঁহ গজিছে কালিয়নীয়েদি উটি আহে পানীতোলা সবাহৰ
চাকিৰ পোহৰ সময়ৰ কি ৰং সত্যৰ সতে ভেটা ভেটি
সেই কথা অস্ত হ'ল ক্ৰুদ্ধ কাটি ভাঙি থিয় হ'ল ওৰঝক'ৰ
দুৰন্ত যীশু বীভৎস ভীষণ অমঙ্গ কবিতা হো হোৱনি হুলস্থুল

২

হঠাৎ এদিন দুপৰ ৰাতি ওলাইছিলহি মানুহজন
পলাই আহিছিল

উলঙ্গ মানুহজন বহুত পৰলৈ কঁপি আছিল
কেনেকৈ তেওঁৰ হাতৰ মুঠিত কঁপিছিল
মৃত্যু

দুহাতেৰে সাবটি ধৰিছিল মোক স্তব্ধতা নদী এখন
মচি থৈছিল মোৰ মুখত তেওঁৰ মুখৰ তেজ

জুই একুৰাৰ দৰে জ্বলিছিল কোঠাটো
খিৰিকীত এটা নিৰ্জন চিৎকাৰ
শূন্য ৰাস্তাটো দূৰৰ হাবিখন

মোক সুধিছিল তোৰ পিয়াহ লগা নাইনে পিয়াহ
শুকাল নে সিহঁতৰ ঘাবোৰ
ক'ত পুতি থৈছ তহঁতে পেটতে মৰা কেঁচুৱাবোৰ

মানুহজনে এবাৰ হাঁহিবলৈ চেষ্টা কৰি কান্দি পেলাইছিল
আন্ধাৰত বাঘৰ চকুৰ দৰে তিৰবিৰাই উঠিছিল
তেওঁৰ চকু দুটা

অ' মোৰ নিদাৰুণ সময়ৰ মানুহ

দুৰন্ত যীশু॥ মেক্সিকোৰ বিশ্ববিখ্যাত চিত্ৰকৰ ওৰঝক'ৰ কালজয়ী চিত্ৰ,—ক্ৰাইষ্ট ডিষ্ট্ৰয়িং হিজ ক্ৰছ॥

OKDISCD

মাজতো জীৱনৰ অবিকৃত সুন্দৰতাক মই আলফুলে আগুৰাই নিবলৈ বিচাৰোঁ। অসীম তৃষ্ণাৰে মই জানিব খোজোঁ জীৱনৰ যাদু ক'ত ? "সাৰ পাব খোজোঁ পুৱতী নিশাতে, নিয়ৰ যেতিয়া সৰে বাটৰ শুকান ধূলিক সেমেকা যিটো প্ৰহৰে কৰে। মই চাব খোজোঁ হেঙুলী বেলিয়ে আন্ধাৰ কেনেকে নাশে, ফুলাৰ মন্ত্ৰ কেনেকৈ সিচেঁ কুসুমৰ কাষে কাষে, উদং বতাহৰ বুকু কেনেদৰে মিঠা সুবাসেৰে ভৰে। জানিব খুজিছোঁ গোপন মন্ত্ৰ সৃষ্টিত থকা আই, জানিব খুজিছোঁ কি গীত গালে শূন্য আওঁৰি যায় ফুলি উঠিবৰ মোৰো পণ আছে সূৰ্য্যমুখীৰ দৰে।" ( কণ্ঠ : জয়ন্ত হাজৰিকা ) ।

ইহাতে মই অনুভৱ কৰোঁ মোতেই আটাইৰে অস্তিত্ব। অধ্যয়ন, অধ্যাপনা, জীৱনৰ বিচিত্ৰ অভিজ্ঞতাই দিয়া সুতীব্ৰ চেতনাৰ দংশন মই প্ৰতিক্ষণ অনুভৱ কৰোঁ। একেসময়তে মই যেনেকৈ এক নিসংগ ব্যক্তি, একে-সময়তে মই তেনেকৈ এক সামাজিক নাগৰিকো। মই কবি। আনে নৌ দেখোঁতেই, নৌ শুনোতেই আটাইৰে ( অতীত, বৰ্তমান, ভৱিষ্যতৰ ) বাতৰি আটাইকে দিব খোজোঁ। মই বাতৰি দিব খোজোঁ বিস্ময়াম্বিত শৈশৱৰ ( শিশুৰ কাৰণে আঠখন গ্ৰন্থ লেখাৰ মূলতেও সেয়ে ), উত্থলীমুত্থলী প্ৰাক যৌৱনৰ, উচ্ছসিত, অনিৰুদ্ধ ব্যক্তিৰ আৰু জাতীয় যৌৱনৰ, নিসংগ আত্মাৰ, ভগ্নস্বপ্নৰ, তেজস্বী আদৰ্শৰ, ৰক্তাক্ত সংঘাতৰ, সূক্ষ্ম বেদনাৰ, বাৰ্দ্ধক্যৰ হুমুনিয়াৰ। মই আটাইৰে সৈতে একাত্ম হওঁ। একাত্ম হওঁ শিশুৰ লগত, প্ৰকৃতিৰ লগত ( বশিষ্ঠত দুপৰীয়া, দিনৰ পাছত দিন, পৃঃ ৭৩), একাত্ম হওঁ শোষিত জনগণৰ অসহায় ক্ৰন্দনৰ লগত, তেওঁবিলাকৰ ক্ৰোধৰ লগত। সমাজৰ শ্ৰেণী বৈষম্য, ধনী আৰু দুখীয়াৰ পাৰ্থক্যই মোক চিৰদিন বৰ যন্ত্ৰণা, বৰ আঘাত দি আহিছে। মই মুহূৰ্তে মুহূৰ্তে উঠা নমা কৰি থাকোঁ। অসহায়তাত, শিহৰণত, উত্তেজনাত। মই বতাহৰ সতে বতাহ হওঁ, ধুমুহাৰ সতে ধুমুহা— "ধুমুহাত মই থৈ যাওঁ মোৰ গতি। এই পৃথিৱীৰ ধূলি উকৰাওঁ, বৰ বৰ গছ উভালি পেলাওঁ, সৃষ্টিৰ ন সহঁাৰি বিলাওঁ, পুৰণিক দিওঁ যতি। মোৰ দুৰন্ত বিশাল প্ৰেমে, অনন্ত আকাশ চুমে, যেন হাজাৰ শ্ৰাৱণে প্লাৱন আনে, সেই জোৱাৰত সক-বৰ আদি যাওক উটি ভাহি, মই দুৰ্ব্বাৰ বেগে যাওঁ আগবাঢ়ি সীমাৰ পৰিধি ভাঙি। মই মৃত্যু নকৰোঁ ভয় পাছলে নেচাওঁ মই, নতুন দিনৰ সৃষ্টি বিচাৰি কৰোঁ নব প্ৰস্তুতি।" ( কণ্ঠ : ড° ভুপেন হাজৰিকা ) ।

একেসময়তে মই বাতৰি লওঁ ৰ'দৰ, বাতৰি লওঁ ফুলৰ, লওঁ প্ৰেমৰ, বাতৰি দিব খোজোঁ তৰপে-তৰপে থকা জীৱনৰ বিচিত্ৰ ৰূপৰ। মই দিব খোজোঁ প্ৰেমৰ সংজ্ঞা : (ক) কেঁচা মাটিৰ ঘৰটোৰ চালবেৰ খহি পৰিল হাবিতলীয়া চৰাইটোৰ মাতত। চেচুকীয়া ঠাইখন এতিয়া ডুবি আছে সৰিয়হ ফুলৰ গোন্ধেৰে। (খ) কিজানি তেতিয়াই সোমাই পৰেহি বিশাল নীলা আকাশখন ফুলৰ পাহিটোত। খহি পৰে অন্ধকাৰ ভৰিৰ তলুৱালৈ, গৰ্ভলৈ গৰ্বেৰে যায় বিদ্যুৎ, ছাই হয় জংঘা-স্তন শৰীৰৰ সক খেৰী ঘৰ। ( অন্তৰংগ, পৃঃ ১) ।

মুহূৰ্তে মুহূৰ্তে লাভ কৰা আনন্দৰ, বিষাদৰ, উত্তেজনাৰ, গভীৰতাৰ একো একোটা উপলব্ধি কথাত বা ছন্দত থৈ যাবৰ মন যায়। সৃষ্টিৰ কাৰণে এটা madness, এটা সম্পূৰ্ণ প্ৰেৰণা মণ্ডিত অৱস্থা লাগে বুলি আটায়ে কয়। কিন্তু ক্ষিপ্ৰ গতিৰ বিক্ষিপ্ত জীৱনত তন্ময় হবৰ বাবে অৱকাশ ক'ত ? যান্ত্ৰিক যুগৰ নিষ্ঠুৰ হাতুৰীৰ আঘাতত যেন টুকুৰাটুকুৰ হৈ পৰোঁ। বাতৰি পাওঁ সংকটৰ, বাতৰি পাওঁ শীৰ্ণ প্ৰহৰৰ। "এইটো প্ৰহৰ শীৰ্ণ প্ৰহৰ, শীৰ্ণ, শূন্য হাত, সংকট আজি প্ৰতি পদে পদে, ধুৰঁলী-কুঁৰলী বাট।" তেতিয়াই মনে হাহাঁকাৰ কৰি চিঞৰি উঠে : "মই বিচাৰিছোঁ হাজাৰ চকুত দীপ্ত সূৰ্য্য শিখা, এই ভয়াবহ যুগসন্ধিৰ নাশিবলে বিভীষিকা" ( কণ্ঠঃ ড° ভুপেন হাজৰিকা )। মন যায় শ্ৰমৰ মৰ্য্যাদাৰ কথা কোৱাৰ, মন যায় বুদ্ধিজীৱিৰ মিছা ভেমৰ ভুৱা সাজ খুলি পেলোৱাৰ" (কণ্ঠঃ ড° ভুপেন হাজৰিকা) ।

প্ৰতিটো গীতত দিব খোজা 'বাণী' (message)ৰ প্ৰতিক্ৰিয়া সমাজত নেদেখিলে বা যি ধৰণে পাব লাগে নাপালে নিৰুৎসাহত মনৰ শিপা উভলি পৰিব খোজে। "কাৰ মুখ চাই জীয়াই থাকোঁ, দিন বঞ্চো, বঞ্চো ৰাতি, কাৰ মুখ চাই ? নিৰুৎসাহত উভলি পৰে অৱশিষ্ট শিপা বেসুৰা বিলাপৰ শয্যা, সংলাপ কাৰ মুখ চাই ?" (ৰামধেনু)। ধিক্কাৰ জন্মে নিজৰ শক্তিৰ ওপৰতো, পুতৌ হয় নিজলৈ : "আঃ মোৰ দুখন হাত, জন্তুৰ নেজৰ দৰে কেৱল ওলমি থকা মোৰ দুখন হাত !" দুখক উপেক্ষা কৰি তথাপিও জীৱন দেৱতাক কওঁ : "মই কাইলৈ মৰিম, আজি বাছি থাকিবলৈ দিয়া, হে মোৰ স্ৰোতস্বিনী দুখ, মোৰ শীৰ্ণ শিৰৰ অৰণ্যেৰে প্ৰৱাহিত হৈ থাকা, মই ভাগৰা নাই।" (সমীপেষু)। যন্ত্ৰণাৰ মাজতে অনুভৱ কৰোঁ—"মই মোক ইমানদিনে মোত বিচাৰি আছিলোঁ, ভুল হৈছিল তাতেই। অস্পষ্টতাৰ পাহাৰ বগাই এতিয়া দেখিলোঁ মই তোমালোকৰ উজাগৰী নিশাৰ অস্বস্তিত। তোমালোকৰ অস্থিৰ পদচালনাত, তোমালোকৰ কপালৰ থুপ খোৱা আঁকবাঁকত। মই তোমালোকৰ শিৰত, তোমালোকৰ মাজত, তোমালোকৰ বতাহত আৰু বতাহত উভলি নপৰাৰ খোপনিত। তোমালোকৰ শিপা সাৱটি থকা চপৰা-চপৰ মাটিত মোৰ সমগ্ৰতা এতিয়া॥" (এতিয়া, সমীপেষু, পৃ· ২৫)।

( ৪৫ পৃষ্ঠাত চাওক )




# বাঘ-বাঘিনীৰ ৰণ

শ্ৰীগণেশ দাস

বনৰ বাঘে ( ঢেকীয়াপতীয়া ) সাধাৰণতে বাঘিনীৰ সৈতে শত্ৰুতা নকৰে। কিন্তু অৰণ্যত বিচৰণ কৰা কালত নাইবা চিকাৰ বিচৰা সময়ত ভুলবশতঃ ভীতি-গ্ৰস্ত হৈ বাঘ আৰু বাঘিনীয়ে যুজ-বাগৰ কৰি আওমৰণে মৰা দৃশ্যও নজৰত পৰে। অৱশ্যে এনেকৈ বাঘ-বাঘিনীয়ে পৰস্পৰে শত্ৰুতা আচৰণ কৰি, নিজৰ মৰণ নিজে মাতি অনা ঘটনা কাচিৎহে ঘটে। পৰিস্থিতি আৰু পৰিবেশৰ পৰিপ্ৰেক্ষিতত কেতিয়াবা বাঘ আৰু বাঘিনী উভয়ে ভয় খাই আত্মৰক্ষাৰ বাবে এটাই আন এটাৰ ওপৰত আক্ৰমণ চলায়।

—১৯৬১ চনৰ ঘটনা, আজিৰ পৰা প্ৰায় কুৰি বছৰ আগৰ এটা দিনত মানাহৰ কাহিবাৰী অঞ্চলত গেম বিজাৰ্ভৰ সীমামূৰীয়া জংঘলত এজোপা গছত উঠি বাঘ-বাঘিনীৰ যুদ্ধ আৰু শেষত দুয়োৰে মৃত্যু ঘটাৰ যি দৃশ্য প্ৰত্যক্ষ কৰোঁ, সেই অবিস্মৰণীয় দৃশ্য মানস পটত উজ্জ্বল হৈ আছে। গছজোপা কি গছ আছিল মনত নাই, নাইবা তেতিয়া সেইবোৰৰ বিচাৰ লোৱাৰো—অবকাশ নাছিল। বনত জুই দিয়াৰ পাছত নতুনকৈ মেলা বনৰ গজালিয়ে ঠন ধৰি উঠিছে। সেই অঞ্চললৈ জাকে জাকে খুটীয়া পহু নামে। পাইদল-চিকাৰীৰ বাবে (খোজ কাঢ়ি গৈ বনত চোৰাং চিকাৰ কৰাকে এই অঞ্চলত "পাইদল-চিকাৰ" বোলা হয়,) পহু চিকাৰৰ এইয়া উত্তম সময়। দুৰ্বাৰ সাহসৰ অধিকাৰী চিকাৰী সংগীৰ সাহসতে শেহ-নিশা আন্ধাৰৰ আঁৰে আঁৰে, খেতি-পথাৰৰ মাজে মাজে থকা লুংলুঙীয়া পথেৰে চিকাৰী বন্ধুৰ ঘৰৰপৰা প্ৰায় ৪।৫ মাইল পথ খোজ কাঢ়ি গৈ লক্ষ্য স্থল পাওঁ।

পহু, বাঘ, হাতী, গঁড়, মহ, যেথোন আদি অৰণ্যৰ বন্য-প্ৰাণীৰ আচৰণ আৰু বিচৰণ সম্বন্ধে চিকাৰী-বন্ধুৰ ভাল জ্ঞান আছে। বিস্তৃত ঘাঁহনিৰ মাজে মাজে অ'ত ত'ত দুই এজোপা গছ। জুয়ে আংশিক ভাৱে পোৰে যদিও- চ'ত মাহৰ শেষৰ পিনে আৰু বহাগ মাহত দিয়া বৰষুণ কেইজাকতে গছ-বোৰে পুনৰ সেউজীয়া ৰূপ লয়। চিকাৰীৰ ইংগিত মতে মুখেৰে কোনো শব্দ নকৰাকৈ গছত উঠি এটা ডালৰ ফেৰেঙনিত বহি লওঁ। চিকাৰীয়েও বন্দুক চালনা কৰিব পৰাকৈ সুবিধা-



মতে বহি লয়। উদ্দেশ্য,-খুটীয়া পহু চিকাৰ কৰা।

পুৱাৰ পোহৰত গছৰ পৰা দুশ গজ মান আঁতৰত ঘাঁহ খাই আনন্দতে জপিয়াই ইফাল-সিফাল কৰি থকা খুটীয়া পহু কেইবাটাও নজৰত পৰে। চিকাৰীয়ে বন্দুক সাজু কৰি লৈ পহুকেইটা গছৰ আৰু অধিক কাষ চপাৰ আশাত অপেক্ষা কৰি ৰৈ আছে। হঠাতে এবাৰ চিকাৰী উদ্বিগ্ন হৈ পৰে। তেওঁ মোক চুপ হৈ থাকিবলৈ ইংগিত দিয়ে। মই শংকিত হৈ পৰোঁ। কাৰণ মই চুপে-চাপে আঁছোৱেই; তেনেস্থলত তেওঁ বাৰু কিয় তেনেখন কৰিছে ! চিকাৰীৰ দৃষ্টিক অনুসৰণ কৰি আঁতৰৰ বননিত স্থিৰ দৃষ্টি পেলাওঁ, এটা ডাঙৰ খুটীয়া পহুৱে নিশ্চিন্ত মনে ঘাঁহ খাই আছে। তাৰ অলপ দূৰতে এচমকা ডাঠ বননি। বননিৰ উত্তৰ আৰু পূব পিনে দুটা অংশত বনৰ আগ বোৰ লৰি আছে। সহজে অনুমান কৰা হৈছিল যে পহুটোক লক্ষ্য কৰি দুই পিনৰপৰা দুটা জন্তু আগ বাঢ়ি আছে। এটা সময়ত বন-বিৰিণাখিনি স্থিৰ হৈ পৰে। পহুটোৱে উজাৰ খোৱা ধৰণে একেজাপে আমি উঠি থকা গছৰ পিনে জাপ মাৰি লৰ দিয়ে। ঠিক তেনেতে নজৰত পৰে, পহুক লক্ষ্য কৰি একে সময়তে দুটা প্ৰায় একে আকাৰৰ ঢেকীয়াপতীয়া বাঘ গভীৰ বনৰপৰা ওচৰৰ নতুনকৈ গজালি মেলা ঘাঁহনিত জপিয়াই পৰিছে। একেটা পহুলৈকে দুয়োটা বাঘৰ লক্ষ্য আছিল। বাঘ দুটাই পৰস্পৰে পৰস্পৰৰ অৱস্থিতি সম্বন্ধে উমান পোৱা নাছিল। একে সময়তে, একেটা পহুক লক্ষ্য কৰি চিকাৰ ধৰাৰ আশাত জপিয়াই পৰাৰ ফলত,—পহুৰ

( ৪৫ পৃষ্ঠাত চাওক )



OKDISCD

# কলা সংস্কৃতি

## ৰাজ্যিক নাট সমাৰোহৰ নাট্যাভিনয়

অক্টোবৰৰ ২০, ২১, ২২ আৰু ২৩ তাৰিখে আমাৰ সাংস্কৃতিক সঞ্চালকালয়ে ৰাজ্যিক নাট সমাৰোহ নামকৰণেৰে অসমৰ কেইটিমান নাট্য গোষ্ঠীৰ কেইখনিমান নাটৰ অভিনয় প্ৰদৰ্শন কৰে। সমাৰোহ উপলক্ষে নিৰ্বাচিত নাটসমূহ **বায়নৰ খোল, এখন নাটকৰ জন্ম, আজি, লাচিত বৰফুকন** আৰু **লভিতা**। সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত, ১৯ অক্টোবৰত, নগাঁৱৰ মহিলা সম্থা এটিৰ সৌজন্যত চেমনীয়া জীয়ৰী শিল্পীবৃন্দৰ দ্বাৰা পৰিবেশিত হয় কাবেঙৰ লিগিৰী।

কাবেঙৰ লিগিৰী : নগা কণ মইনা কেইটি-মানৰ বাহিৰে নাটখনৰ প্ৰায়বোৰ চৰিত্ৰই যুৱক-যুৱতী কিম্বা প্ৰৌঢ়-প্ৰৌঢ়া। কিন্তু শিশু আৰু কিশোৰীয়ে নাটখনিৰ চৰিত্ৰাৱলী ৰূপায়ণ কৰিলে কিয়? এনে এখনি নাট সমাৰোহৰ প্ৰস্তাৱনা নাট অথবা উদ্বোধনী সমবেত সংগীত স্বৰূপে সাংস্কৃতিক সঞ্চালকালয়ে নিৰ্বাচন কৰিলে কিয়? উদ্বোধনী সন্ধিয়াৰ আৰম্ভনিতে দৰ্শকৰ বহুতৰে মনত এই ধৰণৰ প্ৰশ্ন।

নাট আগ বঢ়াৰ লগে লগে দৰ্শকে যেন উত্তৰ-বোৰ পাবলৈ ধৰিলে। অভিনয়েৰে তেওঁলোকে ক'লে ডেকাই বুঢ়াৰ ভাও লোৱাৰ দৰে, বুঢ়াই ডেকাৰ ভাও লোৱাৰ দৰে, আমাৰ দেশৰ থিয়েটাৰৰ প্ৰৱেশৰ সময়ছোৱাত পুৰুষে মহিলাৰ অভিনয় কৰাৰ দৰে—আজিৰ অপ্ৰাপ্ত বয়স্কই প্ৰাপ্তবয়স্কৰ ৰূপত একেই সফলতাৰে অৱতীৰ্ণ হৈছে। পঞ্চমমান শ্ৰেণীৰ ছাত্ৰী এগৰাকীয়ে পাহাৰী ছোৱালী এজনীৰ ভৈয়ামৰ ছোৱালী এজনীৰ প্ৰতি ওপজা দৰদ উপলব্ধি কৰা সম্ভৱ নে? সম্ভৱ বুলিয়েই উত্তৰত ক'লে অভিনয়েৰে। প্ৰাক বিশ্ববিদ্যালয়ৰ ছাত্ৰী এগৰাকীয়ে সুন্দৰ কোঁৱৰৰ মানসিকতাত ধৰা দিওঁ দিওঁ কৈ নিদিয়া সেই সময়ৰ সমাজৰ শ্ৰেণী-দ্বন্দ্বৰ স্বৰূপ উপলব্ধি কৰিব পাৰেনে? পাৰে বুলি সমিধান দিলে নগাঁৱৰ অসমীয়া জীয়ৰী অভিনেত্ৰীয়ে অভিনয়ৰ ভাষাৰে। ছোৱালীয়ে ল'ৰাৰ চাল-চলনৰ অনুকৰণ তিনিঘণ্টা সময় অটুট ৰখাটো সম্ভৱনে? অভিনেতা সজা সকলোকেইজনী অভিনেত্ৰীয়ে উত্তৰ দিলে—সম্ভৱ।

নগাঁৱৰ শিশু-কিশোৰী-জীয়ৰী অভিনেত্ৰী দলটিলৈ আমাৰ আন্তৰিক অভিনন্দন আৰু শুভ-কামনা। তেওঁলোকে যে শিশু বা চেমনীয়াৰ উপযোগী নাট মঞ্চত মেলাৰ সুযোগ পালে নিজ নিজ প্ৰতিভা উজ্জ্বলতৰ কৰি বেক্ত কৰিব পাৰিব এই বিষয়ে আমি নিশ্চিত।

সমাৰোহৰ প্ৰথম নাট 'বায়নৰ খোল'। নিবেদক শিৱসাগৰ যুৱদল। পৰিচালকৰ পৰিশ্ৰম-সিক্ত পৰিচালনাৰ স্বাক্ষৰেৰে ভৰা এই নাট্য নিবেদন। বায়নে গা ধুই চুৰিয়াখন গাত লৈ দৰ্শকক পিঠি দি চোতালেৰে ঘৰ সোমাওঁতে শৰীৰৰ যিবোৰ স্থানত বস্ত্ৰখনি সচৰাচৰ তিতে—তালৈ দৃষ্টি ৰখা-লৈকে পৰিচালকে দায়িত্ব পালন কৰিছে। কিন্তু অভিনয়ৰ অৱয়ৱ সজাওঁতে-পৰাওঁতে প্ৰাণ প্ৰতিষ্ঠাৰ প্ৰয়াসৰ বাবে অৱকাশ কম পালে যেন লাগিল। শংকৰী সংস্কৃতিয়েই অসমীয়া সংস্কৃতিৰ স্যমন্তক-মনি স্বৰূপে থকা যুগৰ শেহৰ ফালে পশ্চিমীয়া সংস্কৃতিৰ প্ৰৱেশ-প্ৰচেষ্টাৰ সময়। সেইসময়ৰ ৰক্ষণশীল যেন লগা সঁচা সংস্কৃতিৰ পূজাৰী আৰু নতুনক আদৰা যেন লগা সংস্কৃতিৰ অৰ্থ বুজিবলৈ চেষ্টা নকৰা তথা কথিত নতুন পুৰুষৰ মাজৰ আদৰ্শৰ সংঘাটেই বায়নৰ খোলৰ মূল বোল। এই বোল কিদৰে বজোৱা হলে দৰ্শকৰ মনত নাট্যকাৰৰ বক্তব্যই ৰেখাপাত কৰিলেহেঁতেন সেই দিশত পৰিচালকৰ ধ্যান হয় কম হ'ল, নহয় তেওঁ ধ্যানকেই নিদিলে। ফলত দৰ্শকে, মঞ্চই পোহৰ, সংগীত আৰু মঞ্চসজ্জাৰ নবীকৰণৰ মাধ্যমেৰে গতি পোৱা যুগতো ইটি দৃশ্যৰপৰা সিটি দৃশ্যলৈ আগ বঢ়াৰ বিৱৰ্তিত তামোল এখন খাবলৈ বা ছিগাৰেট এটা জ্বলোৱাৰ সুযোগ পোৱা আমনিকণ পাহৰিব পাৰিলেও বক্তব্যৰ প্ৰতিফলন হ'ল জানো বুলি প্ৰশ্ন কৰিবলৈ নাপাহৰিলে।

'এখন নাটকৰ জন্ম' সমাৰোহৰ দ্বিতীয় নাট। নিবেদন কৰে মৰাণ নাট্য সমাজে। শ্ৰেণী বৈষম্যৰ সংঘাত প্ৰকাশ কৰিবলৈ বিচৰা এই নাটখনিৰ অভিনয়াংশত থকা অভিনেতা-অভিনেত্ৰীসকলে প্ৰয়োজনীয় চৰ্চা বা অনুশীলনৰ অথবা পৰিচালকৰ সুসমন্বিত নাট্যাভিনয় চিন্তাৰ অভাৱত নিজৰ মাজতে কেইবাটিও শ্ৰেণীৰ সৃষ্টি কৰিলে। সংঘাত যেন আৰম্ভ হ'ল মঞ্চত। সংঘাত বচন পাহৰাৰ; সংঘাত পোহৰৰ মণ্ডল ব্যৱহাৰ কৰিবলৈ সফল নোহোৱাৰ; সংঘাত একেই বচনৰ, ঘটনাৰ পুনৰা-বৃত্তিৰ।

গুৱাহাটীৰ প্ৰগ্ৰেছিভ ইয়ুথ ক্লাবে আগবঢ়ায় তৃতীয় নাটখনি। আজি। আজিৰ খণ্ডচিত্ৰৰে পুষ্ট নাট আজি। আজিৰ অভিনয় পদ্ধতিৰে পৰিবেশিত আজি।

আজিত নাট ৰচনা আৰু অভিনয়ৰ মাজেৰে আজিৰ জীয়া চিত্ৰ কিছুমান জীৱন্ত ৰূপত দাঙি ধৰা হৈছে যদিও পৰিচালক আৰু নাট্যকাৰৰ মাজত ঠায়ে ঠায়ে সংঘাতৰ সৃষ্টি হোৱা যেন লাগে। উদাহৰণ স্বৰূপে—নাট্যকাৰে হয়তো এটা দৃশ্যত কোনো জীৱনবিমুখ গায়ক এজনৰ ছবি এখন



সমাৰোহৰ প্ৰথম নাট বায়নৰ খোল।
নিবেদক শিৱসাগৰ যুৱদল।

ফুটাই তুলিবলৈ বিচাৰিছিল। পৰিচালকৰ অভিনয় ব্যাখ্যাৰে কিন্তু এক বিশেষ সুপৰিচিত শিল্পীৰ খণ্ডৰূপ এটা ফুটাই তোলাৰ বন্দৱস্ত কৰা হ'ল। পৰিচালকৰ পৰিবেশনৰ ব্যাখ্যাৰে নাট্যকাৰৰ বক্তব্য বেকতহে কৰিব লাগে—বেকা কৰাৰ প্ৰচেষ্টা দলীয় ৰাজনৈতিক নেতা কিছুমানলৈ এৰাই শ্ৰেয়।

সমাৰোহৰ সামৰণি নাট নগাঁও নাট্য সমিতি নিবেদিত 'লাচিত বৰফুকন'। এখন দেশ ৰাখি-বলৈ যে বণুৱা-বনুৱা-হজুৱা-চহুৱা-বোৱাৰী-দাৱণী সকলোৱে সমভাৱে অংশ গ্ৰহণ কৰিব লাগিব—এনে এক সুচানেকীৰ দৃশ্যেৰে পাতনি মেলা লাচিত বৰফুকন প্ৰতিগৰাকী দৰ্শকে এখনি যুগ-পোযোগী নাট চোৱাৰ আশাৰে চাবলৈ আৰম্ভিছিল। কিন্তু নাট আগ বঢ়াৰ লগে লগে—আবেগিক সংলাপ, আওপুৰণি ঠাঁচৰ বাটকৰাৰ দৃশ্য (পাছৰ দৃশ্যসজ্জাৰ বাবে, দৰ্শকক হঁহুৱাৰ নামত এসময়ত প্ৰচলিত), বহুতো অভিনেতাৰ সংলাপ আয়ত্বৰ প্ৰতি অৱজ্ঞাৰ ফলশ্ৰুতিত স্মাৰকৰ কণ্ঠস্বৰ, নাট্যকাৰৰ কাহিনী সংলাপেৰে আগবঢ়োৱাৰ প্ৰয়োগ-নীতি; আৰু চক্ৰধ্বজ সিংহ, ৰাম সিংহ আৰু বাইজক প্ৰাধান্য দিয়াৰ ফলত লাচিত বৰফুকন নামত হে ৰ'ল। দৰ্শকৰ মনত ৰ'ল আজিৰ গুৱাহাটীত দৃশ্যান্তৰৰ বিৱৰ্তিৰ দৈৰ্ঘ্য।

'লভিতা' নহ'ল। জানিবলৈ পোৱামতে গুৱাহাটীৰ নিউ আৰ্ট প্লেয়াৰ্ছে নাটখনি প্ৰথম সন্ধিয়া নিবেদন কৰিবলৈ বিচাৰিছিল। ইয়াৰ অৰ্থ আছে। ভালদৰে নাট এখনি মঞ্চস্থ কৰিবলৈ হলে অতি কমেও এনিশা মঞ্চত পোহৰ আৰু সংগীতৰ সহযোগত আখৰা কৰিব লাগে। ৰাজ্যিক নাট সমাৰোহত যিহেতু একে লেঠাৰিয়ে নাটসমূহ নিবেদিত হব, প্ৰথম খনৰ বাহিৰে আন কোনো এখন নাটেই নিবেদনৰ আগ নিশা মঞ্চ খালী নাপায়। ফলত পোহৰ, সঙ্গীত আৰু অন্যান্য অভিনয়-স্থান-মণ্ডলৰ ক্ষেত্ৰত পৰিচালক-অভিনেতা-অভিনেত্ৰীয়ে "চলি যাব দিয়ক"ৰ ওপৰত নিৰ্ভৰশীল হয়। যদি প্ৰতি নাট্যাভিনয়ৰ পাছৰ সন্ধিয়া পৰৱৰ্তী নাট-নিবেদন দলক মঞ্চত চূড়ান্ত আখৰা কৰাৰ সুবিধা দিব নোৱাৰি, তেনেহলে নিজ নিজ দলৰ পোহৰ সঞ্চালক আদি আনিব পৰাকৈ অধিক ধন মঞ্জুৰীৰ ব্যৱস্থা কৰা উচিত। নাট্য দলসমূহেও আগৰ নাটখন হৈ যোৱাৰ পাছত মাজনিশালৈকে নিজৰ নাটকৰ আখৰা কৰি লব লাগে। আৰু দুটামান পৰামৰ্শ :

* আমি জনা মতে সমাৰোহৰ নাটবোৰ পাণ্ডুলিপি পঢ়ি তাৰে ভিত্তিত নিৰ্বাচন কৰা হয়। এই কাৰ্য্য এই বাবেই ঠিক নহয় যে নাট্যকাৰৰ বক্তব্য পৰিচালক আৰু অভিনেতা-অভিনেত্ৰীৰ স্বকীয়া ব্যাখ্যাৰে সম্পূৰ্ণ পৃথক ৰূপে পৰিবেশিত হোৱাৰ আশংকা থাকে। গতিকে অসমৰ প্ৰত্যেক জিলাতে একোখনি বিশেষ স্থানৰ বিশেষ মঞ্চত সেই জিলাৰ নাট্যদল সমূহৰ নাট্যাভিনয় চাই সমাৰোহলৈ শ্ৰেষ্ঠ নিৰ্বাচন কৰিব লাগে।

* সমাৰোহত অংশ গ্ৰহণকাৰী শিল্পিসকলক সমাৰোহৰ কেউদিন ৰখাৰ ব্যৱস্থা থাকিব লাগে। তেনে কৰিলেহে ভাব আৰু কাৰ্যৰ আদান প্ৰদান হব।

* আলোচনা চক্ৰৰো ব্যৱস্থা সমাৰোহৰ দিন কেইটিৰ ভিতৰতে ৰাখিব লাগে।

* আৰু লাগে প্ৰীতি সন্মিলন।

## সত্যজিতৰ পৰৱৰ্তী ছবি 'ঘৰে বাইৰে'



সত্যজিত ৰায়ৰ ছবি সম্পৰ্কে সকলোৰে স্বাভাৱিকতে কৌতূহল থাকে। 'জয়বাবা ফেলুনাথৰ' পাছত সত্যজিতে কোনো কাহিনী-চিত্ৰত হাত দিয়া নাই। ইয়াৰ মাজতে তেওঁ অৱশ্যে টেলিভিছনৰ বাবে 'সদগতি' নামৰ ছবি এখন শেষ কৰিছে। 'সদগতি' মুন্সী প্ৰেমচান্দৰ কাহিনী। ছবিৰ মূল থিম হৰিজন সমস্যা। কিন্তু সম্পূৰ্ণভাৱে পূৰ্ণদৈৰ্ঘ ছবি নিৰ্মাণৰ কাম সত্যজিতে এতিয়াও হাতত লোৱা নাই। বহুদিন আগতে ঘোষণা কৰা চায়েন্স-ফিকছনজাতীয় ছবি 'দি এলিয়েন'ৰ কামো মাজতে আৰম্ভ হ'ব বুলি কৈ আকৌ নীৰৱ হোৱা দেখা গৈছে। প্ৰথমে এই ছবি সত্যজিতে হলিউডৰ সৈতে-যুটীয়াভাৱে নিৰ্মাণ কৰিবলৈ স্থিৰ কৰিছিল। সম্প্ৰতি 'ষ্টাৰ ৱাৰ', 'স্পেচ অডেছি' আদি চায়েন্স-ফিকছনজাতীয় ছবিৰ জনপ্ৰিয়তা লক্ষ্য কৰি আৰু কলা-কৌশলৰ কামৰ অভিনৱত্ব প্ৰকাশৰ শক্তিশালী মাধ্যম হিচাপে হয়তো তেওঁ উক্ত ছবি নিৰ্মাণত পুনৰ আগ্ৰহী হৈ উঠিছিল।

সজোৰে প্ৰচাৰ হোৱা মতে সত্যজিত ৰায়ৰ পৰৱৰ্তী কাহিনী ছবি হোৱাৰ প্ৰচুৰ সম্ভাৱনা আছে ৰবীন্দ্ৰনাথৰ উপন্যাস 'ঘৰে বাইৰে'। সত্যজিত ৰায়ে বহু বছৰ আগতে এই উপন্যাসৰ চিত্ৰনাট্য আদি তেওঁৰ নিজস্ব শৈলীৰে কাৰি থৈ দিছে। অথচ ছবিখন হৈ উঠা নাই নানান কাৰণত। এইবাৰ তেওঁ মনস্থিৰ কৰা বুলি গম পোৱা গৈছে। সত্যজিতৰ ৰবীন্দ্ৰ-কাহিনীৰ শেষ ছবি আছিল 'চাৰুলতা'। এয়া ৰবীন্দ্ৰনাথৰ 'নষ্টনীড়'ৰ চিত্ৰৰূপ আছিল।

অলপতে সত্যজিত ৰায়ৰ ছবি আৰু ছবিৰ পৰিচালক হিচাপে তেওঁৰ ভূমিকা সম্পৰ্কে এখনি মনোমোহা বিশ্লেষণধৰ্মী কিতাপ প্ৰকাশ পাইছে। কিতাপৰ নাম: চলচ্চিত্ৰ, সমাজ ও সত্যজিত ৰায়। আচানচোলৰ ফিল্ম ষ্টাডি চেণ্টাৰৰ দ্বাৰা প্ৰকাশিত ২৫ টকীয়া এই কিতাপৰ লেখক অমিতাভ চট্টোপাধ্যায়। আমাৰ দেশত জীৱিত কালতে চিত্ৰ নিৰ্মাতা-সৰৰ ছবি আৰু ছবি কৰাৰ পদ্ধতি তথা নিৰ্মাতাৰ নিজস্ব দৰ্শণ সম্পৰ্কে খুব কম আলোচনাই হয়। বিদেশত এনে গ্ৰন্থ প্ৰচুৰ।

## নায়কৰ উঠন-পতন

গুৱাহাটীৰ চিটি বাছত সকলো বহা ঠাই ভৰি গলে, মাজৰ থিয় হ'ব পৰা ঠাইখিনি ঠাহ খাই গলে বাছখন ভৰ্তি হ'ল বুলি ভবা নহয়। "এই পৰিল, এই মৰিল" চেহেৰাৰে দুয়োখন দুৱাৰত চাৰিজনমানকৈ ওলমি গলে বাছখনক ভৰ্তি হ'ল বুলি কোৱা হয়। এনেকুৱা এটা পৰিবেশ চিনেমা হলবোৰতো হ'ল। কেৱল ধৰণটো অলপ বেলেগ। হলটোৰ প্ৰত্যেকখন আসনত মানুহ, তাক হাউছ ফুল বুলি স্বীকাৰ কৰা নহয়। প্ৰকৃত হাউছ ফুলটো নিৰ্ভৰ কৰে কিমান বেছি টিকেট ব্লেক মাৰ্কেটত বিক্ৰি হৈছে, আৰু একোখন টিকেটৰ ব্লেক মাৰ্কেটত দাম কিমান বেছিলৈ উঠিছে এই দুটা কথাৰ ওপৰত। বোম্বাইৰ এজন প্ৰযোজক আবেলি লণ্ডনৰপৰা বোম্বাই পালেহি। সেইদিনা তেওঁৰ ছবি এখনে মুক্তি লাভ কৰিছে। তেওঁ লৰালৰিকৈ ছবিখন মুক্তি লাভ কৰা মুখ্য হলটোলৈ গল। ইতিমধ্যে ছবিৰ প্ৰদৰ্শন আৰম্ভ হৈছে। হাউছ ফুলৰ ছাইন-বৰ্ড জ্বলি আছে। "কি খবৰ?" তেওঁ হলৰ মানুহক সুধিলে। অৰ্থাৎ ব্লেক মাৰ্কেটৰ খবৰ কি? হলৰ মানুহে কলে, "বিছ টকা।" "কি?"—প্ৰযোজকজন হতাশ হ'ল; "পঞ্চাছ টকা হোৱা নাই?"

বোম্বাইৰ এজনে বোলে ছিনেমাৰ টিকেট ব্লেক মাৰ্কেটত বেছিয়েই এটা সৰু ফ্লেট কিনিলে, দুজনী ভনীয়েকক বিয়া দিলে। এতিয়া তেওঁৰ ডাঙৰ চিন্তা হৈছে, অমিতাভ বচ্চন সঁচাকৈয়ে পৰি গৈছে নেকি? একোখন অমিতাভ বচ্চন থকা ছবি আহে, তেওঁ কঁকালত টঙালি বান্ধে, ভবা মতে কামো হয়। কিন্তু কিছুদিনৰপৰা অমিতাভ বচ্চনে হেনো তেওঁক ঠিকমতে সহায় কৰিব পৰা নাই। বচ্চনৰ ছবিত তেওঁৰ ব্যৱসায় বেয়া হৈ গৈছে।

এইবোৰ ভাৰতীয় চলচিত্ৰ আলোচনীৰপৰা

সংগ্ৰহ কৰা কথা। যিজন সাংবাদিকে এই অনুসন্ধান কৰিছিল, তেওঁ ব্লেক মাৰ্কেটৰ পৰিস্থিতি অনুসন্ধান কৰিবলৈ গৈ ব্লেক মাৰ্কেটিয়েৰজনক লগ ধৰিছিলগৈ নে? তেওঁ অনুসন্ধান কৰিছিল অমিতাভ বচ্চনৰ উঠন-পতন সম্বন্ধে। তেওঁৰ মূল বিষয়বস্তু আছিল অমিতাভ বচ্চন এতিয়া নায়কৰ তালিকাত এক নম্বৰত আছেনে নাই। অকল তেৱেঁই নহয়, ভালেমান চলচিত্ৰ সাংবাদিকে কিছুদিন ধৰি এই কথাটো লৈ দীঘল-দীঘল প্ৰবন্ধ লিখিছে। বচ্চন পৰিছে, নাই পৰা একে ঠাইতে আছে, উঠিছে, অলপ পৰিছে—কিন্তু নছীব আৰু লাৰাবিছে আকৌ ঠিক কৰি দিব; ছিলছিলাই অমিতাভ বচ্চনৰ কপালত ফাইনেল ফুটাটো কৰি দিলে, তেওঁ আৰু এক নম্বৰত থকাৰ কোনো উপায় নাই;—এই ধৰণৰ কত কথা! কেতিয়াবা এনেকুৱা লাগে, এই সাংবাদিকসকল যেন কাৰোবাক উঠোৱা, কাৰোবাক নমোৱা—এইবোৰ কামত দায়বদ্ধ হৈ সক্ৰিয়ভাৱে কাম কৰিছে।

আচল কথাটো হ'ল—অমিতাভ বচ্চন এজন গুণী অভিনেতা। কিন্তু চতুৰ্থ শ্ৰেণীৰ পৰিচালকৰ চতুৰ্থ শ্ৰেণীৰ ছবি দৰ্শকে নাকচ কৰে; আৰু সেই ছবিৰ নায়ক যদি অমিতাভ বচ্চন হয়; তেন্তে বদনাম হয় তেওঁৰ। তেওঁ পৰিল। কিন্তু সেইখন ছবিতো তেওঁক কৰিবলৈ দিয়াখিনি যে তেওঁ কিমান নিয়াৰিকৈ কৰিছে, সেইটো কোনেও লক্ষ্য নকৰে। ছবিখন চুপাৰহিট হ'লে বচ্চনো চুপাৰ হিৰ', ছবিখন ফ্লপ হলে বচ্চনো ফ্লপ। এনে বিচাৰেই চলি আছে।

কথাটো আমাৰ সকলো অঞ্চলতেই খাটে কাৰণে উল্লেখ কৰা হ'ল। বেয়া ছবি-নিৰ্মাতাই ভাল অভিনেতা-অভিনেত্ৰী নষ্ট কৰাৰ উদাহৰণ অসমৰ ছবি-জগততো আছে। অভিনয় কৰি সক্ৰিয় হৈ থাকিবলৈ হেঁপাহ আছে, আৰ্থিক প্ৰয়োজনো আছে, গতিকে এজন গুণী অভিনেতাই নিমন্ত্ৰণ পালেই গ্ৰহণ কৰে, আৰু নিৰ্মাতাৰ দোষত ছবি বেয়া হলেও তেওঁ অপযশ গোটায়। আনহাতে বাচ-বিচাৰ কৰি নিমন্ত্ৰণ ৰক্ষা কৰাটোও তেওঁৰ পক্ষে, উপৰোক্ত কাৰণ দুটাৰ বাবে, সম্ভৱ নহয়। সকলো বুজি শুনিও আমাৰ কবলৈ মন যায়,—প্ৰতিভাৰ অপচয় বন্ধ কৰিবৰ বাবে গুণী অভিনেতা-অভিনেত্ৰীয়ে যিমান দূৰ সম্ভৱ বাচ-বিচাৰ কৰিব লাগে, পাৰিলে ছবি-নিৰ্মাতাৰ ওপৰত ওভোতাই হেঁচা দিব লাগে। বোম্বাইৰ কোটি-টকীয়া চিত্ৰ-জগতখনত আমাৰ মতামতেৰে সুৰসুৰণি তুলিবৰ আমাৰ কোনো অভিপ্ৰায় সম্প্ৰতি নাই, কিন্তু আঞ্চলিক ভাষাৰ চিত্ৰ-জগতত অভিনেতা-অভিনেত্ৰীৰ এনে দৃষ্টিভংগীৰ শক্তি যথেষ্ট বুলি ভাবোঁ কাৰণে কথাটো কৈছোঁ। বচ্চনহঁতে শিল্পীসুলভ দৃষ্টিভংগীৰে বহু ভাল কাম কৰিব পাৰিলেহেঁতেন, কিন্তু মান, যশ, লোভে তেওঁলোকক এনে এখন জগতলৈ লৈ গল—য'ত এইবোৰ কথাৰ গুৰুত্ব নাই।


প্ৰসংগ ক্ৰম। অমিতাভ বচ্চনৰ এতিয়া নাৰ্গিছৰ মৃত্যুত খালী হোৱা ৰাজ্যসভাৰ আসনখনৰ প্ৰতি লোভ হৈছে বুলি প্ৰকাশ। প্ৰতিযোগী দিলীপ কুমাৰ। বচ্চন প্ৰতিযোগিতাত জিকাৰেই সম্ভাৱনা, পিছে উৰ্ধ্বত থকা ৰাজনৈতিক মহলৰ চিন্তা,—ৰাজ্যসভা বহি থকা কালছোৱাত পাৰ্লিয়ামেণ্ট ভৱনৰ চৌকাষত ভীৰ চম্ভালা যাব কেনেকৈ? তদুপৰি এই লম্বা মানুহটোৱে, অসাধাৰণ কণ্ঠস্বৰেৰে বাকীসকলক যদি ম্লান কৰি দিয়ে! অৱশ্যে দিলীপ কুমাৰ-বচ্চনৰ প্ৰতিযোগিতা চলি থাকোঁতেই মাজেদি জয়াকাৰ নামৰ ভদ্ৰমহিলা এগৰাকীও হেনো সৰকি যাব পাৰে। ●

মি. কু. ভ.

## এই বছৰ ভাল ছবিৰ ক্ষেত্ৰত

যোৱা ২৩ অক্টোবৰ তাৰিখে ভাৰতৰ তথ্য আৰু অনাতাঁৰ দপ্তৰৰ মন্ত্ৰী শ্ৰীবসন্ত ছাথেই আগন্তুক আন্তৰ্জাতিক চলচিত্ৰ মহোৎসৱৰ আয়োজন সংক্ৰান্তত কলিকতা গ্ৰেণ্ড হোটেলত এক ভোজমেলৰ আয়োজন কৰিছিল। উপস্থিত থকা চলচিত্ৰ পৰিচালক আৰু শিল্পীসকলৰ ভিতৰত আছিল সত্যজিৎ ৰয়, মৃণাল সেন, তৰুণ মজুমদাৰ, মনমোহন কৃষ্ণ, অপৰ্ণা সেন, বসন্ত চৌধুৰী, তপন সিনহা, ভবেন শইকীয়া আদি। ইজনে-সিজনৰ মাজত কথা পাতোঁতে বহুতো প্ৰসংগ উত্থাপিত হ'ল। এইবাৰ ৰাষ্ট্ৰীয় চলচিত্ৰ উন্নয়ন নিগমে 'ফিল্মোৎসৱ' পতাত প্ৰত্যক্ষ ভূমিকা লৈছে। নিগমে তৃতীয় বিশ্বৰ ছবি যিমান পাৰে বেছিকৈ সংগ্ৰহ কৰাত জোৰ দিছে। পশ্চিম বংগ চৰকাৰে মহোৎসৱৰ কৃতকাৰ্য্যতাৰ বাবে সৰ্বতোপ্ৰকাৰে সহায় কৰিবলৈ আগবাঢ়ি আহিছে। সত্যজিৎ ৰয়ে টেলিভিছনৰ বাবে ছবিৰ কাম শেষ কৰি ঘৰে-বাইৰে ৰ চিত্ৰৰূপৰ কথা ভাবিছে। এলিয়েন? —"এলিয়েন নহৰ যেনেই পাইছোঁ। বাহিৰৰ টকা, বাহিৰৰ ঠাই, কাম কৰাত বহুত অসুবিধা।" ৰাষ্ট্ৰীয় চলচিত্ৰ উন্নয়ন নিগমে দেশৰ একেবাৰে পূৱ অঞ্চলৰ বাবে কিবা কৰিবনে? নিশ্চয়। নিগমে কলিকতাত অফিছ পাতি লৈছে, উপযুক্ত প্ৰ'প'জেল পালে নিশ্চয় টকাৰে সহায় কৰিব। যোগাযোগৰ ঠিকনা: D. Majumdar, Regional Manager, National Film Development Corporation, Shanti Niketan, 3rd Floor, 8 Camac Street, P. B. No. 16043, Calcutta 700017. বহুত কথাৰ আদান-প্ৰদান।

কিন্তু, ভাৰত আৰু পশ্চিম বংগ চৰকাৰৰ মন্ত্ৰী, উচ্চ পদস্থ বিষয়াবৰ্গ, চলচিত্ৰ জগতৰ ইমানখিনি মানুহৰ মাজত সেইদিনা বাৰে বাৰে আলোচনাৰ কেন্দ্ৰৰ ব্যক্তি হৈ পৰিছিল অপৰ্ণা সেন। তেওঁ পৰিচালনা কৰা ছবি ৩৬ চৌৰংগী লেন ইমান ভাল হৈছে যে ছবিখন চোৱা-নোচোৱা সকলোৱে তেওঁক বাৰে বাৰে বেৰি ধৰিছে। ছবিখন নোচোৱা এজনে তেওঁক এবাৰ সৰু মাতেৰে কলে, —এজন ডাক্তৰে মোক কৈছে, ছবিখনৰ কোনো কোনো ঠাইৰ ট্ৰিটমেণ্ট বোলে ৰয়ৰ ট্ৰিটমেণ্টতকৈও ভাল হৈছে?






অপৰ্ণা সেনে লগে লগে জিভাখন উলিয়াই দাঁতেৰে কামুৰি ধৰিলে; তাৰ পাছত কলে,—ছি ছি ছি, তেনেকুৱা কথা নকব। ●



# ক্ৰীড়াংগন

### 'জয়ৰ বাবে ভাৰতীয় দলক আম্পায়াৰৰ সাহায্যৰ প্ৰয়োজন নাছিল'

ওপৰৰ মন্তব্যটো লণ্ডনৰপৰা প্ৰকাশিত ইভিনিং ষ্টেণ্ডাৰ্ড কাকতৰ। যোৱা ১ ডিছেম্বৰত বোম্বেত শেষ হোৱা ভাৰত আৰু ইংলণ্ডৰ প্ৰথম টেষ্ট খনত ভাৰতৰ জয়লাভ সম্পৰ্কে ইতিমধ্যে বিদেশত প্ৰচুৰ সমালোচনা হৈছে। বিশেষকৈ বৃটেইনৰ কিছুমান বাতৰি কাকতত ভাৰতৰ বিজয়ৰ কাৰণ হিচাপে ভাৰতীয় আম্পায়ৰৰ পক্ষপাতিত্বৰ কথা কোৱা হৈছে।


কোনো দলকে সাহায্য নকৰা বোম্বাইৰ ৱানখাড়ে ষ্টেডিয়ামৰ পিটচত ভাৰতীয় দুই চুইং বোলাৰ কপিলদেৱ আৰু মদন লালৰ মাৰাত্মক বোলিঙৰ ফলত ঘটা ইংলণ্ড দলৰ পৰাজয়ৰ বাবে বৃটিছ কাকতসমূহে বোলাৰৰ প্ৰসংশা কৰাৰ পৰিবৰ্তে আম্পায়ৰৰ কটু সমালোচনা কৰিছে। টাইমছ কাকতে কৰা মন্তব্য অনুসৰি আম্পায়াৰ ৰামাস্বামীয়ে হেনো ভাৰতীয় বলাৰে আবেদন কৰাৰ আগতেই আপুনি ওপৰলৈ তুলি আউট হোৱা নিৰ্দেশ কৰে। ছানডেটাইমছ আৰু দি গাৰ্ডিয়ান কাকতেও ভাৰতীয় আম্পায়ৰৰ কটু সমালোচনা কৰিছে। ডেইলি মেইল কাকতে কোৱা মতে ভাৰতৰ উনৈছটা উইকেট দখল কৰাৰ বাবে ইংলণ্ডৰ খেলুৱৈসকলে হেনো ত্ৰিছটা ন্যায্য আবেদন জনাবলগীয়া হৈছে। আনহাতে ইংলণ্ডৰ প্ৰথম ইনিংছত হেনো কমপক্ষেও তিনিজন ইংলণ্ডৰ বেটছমেনক বিনা কাৰণত আউট ঘোষণা কৰা হৈছিল।

ইংলণ্ডৰপৰা প্ৰকাশিত নানা কাকতৰ মাজত একমাত্ৰ ব্যতিক্ৰম হৈছে ইভিনিং ষ্টেণ্ডাৰ্ড। ইয়াৰ খেল বিভাগীয় সাংবাদিক জন থিকনেছৰ মতে ইংলণ্ডৰ পৰাজয়ৰ বাবে স্বয়ং ইংলণ্ডেই দায়ী কিয়নো তেওঁলোকৰ বেটিঙক ভাৰতীয় বোলাৰে সহজেই ধ্বংসমুখী কৰিছে। তেওঁ তিনিওজন ভাৰতীয় বোলাৰকে প্ৰশংসা কৰে।

### এটা দ্বীপৰ ৰজা বিয়ন বৰ্গ

পৃথিবীৰ অন্যতম টেনিছ তাৰকা বিয়ন বৰ্গে অলপতে তেওঁৰ সম্পতি সংৰক্ষণৰ বাবে চুইডেনৰ পূব উপকূলৰ এটা সাগৰীয় দ্বীপ কিনি লৈছে। এতিয়া সেই দ্বীপত বিয়ন বৰ্গৰ সম্পত্তি সংৰক্ষণৰ বাবে চাৰিও ফালে এখন বেষ্টনী তৈয়াৰ কৰাৰ যো-জা চলিছে। ইয়াত বিয়ন বৰ্গক সহায় কৰিব চুইডিছ লেবাৰ মাৰ্কেট ব'ৰ্ডে। আজি কেইবাবছৰো আগতে বৰ্গে এই দ্বীপটো পাঁচ মিলিয়ন চুইডিছ ক্ৰোনাৰৰ বিনিময়ত (৬০ ক্ৰোনাৰ ভাৰতীয় ১০০ টকাৰ সমান) কিনি লৈছিল।

বিয়ন বৰ্গৰ সম্পত্তিৰ বিষয়ে প্ৰকৃত তথ্য প্ৰকাশিত নহলেও তেওঁৰ সম্পতিৰ মূল্য ৪০০ মিলিয়ন মাৰ্কিন ডলাৰ বুলি অনুমান কৰা হৈছে।



এইক্ষেত্ৰত ইংলণ্ড দলৰ লগত অহা দলৰ মেনেজাৰ ৰমন চুব্বাৰাওৰ মতে আম্পায়াৰিঙৰ ক্ষেত্ৰত যথেষ্ট ভুল আছে যদিও ভাৰতীয় আম্পায়াৰে ভাৰতীয় দলক কোনো প্ৰকাৰে সাহায্য কৰা নাই। সেয়ে তেওঁ কেৱল নিয়ম অনুসৰি বৰ্ডৰ ওচৰত ৰিপৰ্ট দাখিল কৰিব। ইংলণ্ডৰ কেইবাখনো কাকতে তেওঁক আম্পায়াৰিং সম্পৰ্কে প্ৰতিবাদ কৰিবলৈ উচতাই দিয়া সত্ত্বেও তেওঁ নীৰৱতা ৰক্ষা কৰিবলগীয়াত পৰে। মা. কু. ব.

### পঞ্চম বিশ্বকাপ হকীতো বৰ্ণ বৈষম্য

এইমাহৰ শেষৰ পৰা বোম্বেত অনুষ্ঠিত হবলগীয়া পঞ্চম বিশ্বকাপ হকীৰ ক্ষেত্ৰটো বৰ্ণ বৈষম্যৰ গোলমালে দেখা দিয়াৰ কথা শেহতীয়াভাৱে হোৱা সাংবাদিক মেলত এই খেলৰ সাংগঠনিক সম্পাদক এছ. কে. ৱানখাড়েই উল্লেখ কৰিছে। আন্তৰ্জাতিক হকী ফেডাৰেছনৰ সভাপতি ৰেনেফ্ৰেংকেও উদ্বেগ প্ৰকাশ কৰিছে।

ইতিমধ্যে সকলো আয়োজন সমাপ্ত হোৱা এই প্ৰতিযোগিতা ডিছেম্বৰ মাহৰ ২৯ তাৰিখৰপৰা ১৯৮২ চনৰ জানুৱাৰীৰ ১২ তাৰিখলৈকে চলাৰ কথা।

প্ৰাপ্ত বাতৰি মতে এই প্ৰতিযোগিতাৰ আগতে ভাৰতলৈ অহা ইংলণ্ডৰ

□ ডিছেম্বৰৰ এক তাৰিখ □

ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়ৰ মুখ্য বিচাৰপতি শ্ৰীচন্দ্ৰচূড়, বিচাৰপতি শ্ৰীদেশাই আৰু শ্ৰীসেনে বিচাৰকক্ষত এটা মোকৰ্দমাৰ বিতৰ্ক শুনিছে। কথা শেষ হোৱা পাছতে শ্ৰীচন্দ্ৰচূড়ে উপস্থিত-সকলক উদ্দেশ্যে কৰি কলে, "আপোনালোকে যুক্তি-তৰ্কত ব্যস্ত থাকোঁতে সিফালে স্ক'ৰ হ'ল চাৰি উইকেটৰ পতন, চৌৱিছ ৰান।"



OKDISCD

ক্ৰিকেট দলটোৰ ক্ষেত্ৰত যি গোলমালে দেখা দিছিল অনুৰূপ গোলমালে ইয়াতো দেখা দিছে। প্ৰতিযোগিতাত ভাগ লব লগীয়া তিনিখন দেশৰ দক্ষিণ আফ্ৰিকাৰ লগত ক্ৰীড়া-সম্পৰ্ক আছে। অৱশেষত এতিয়ালৈকে ভাৰত চৰকাৰৰ ফালৰ পৰা কোনো বাধা প্ৰদান কৰা হোৱা নাই।

ভাৰত চৰকাৰে যদি দক্ষিণ আফ্ৰিকাৰ লগত ক্ৰীড়া সম্পৰ্ক থকা বুলি নিউজিলেণ্ড, হলেণ্ড আৰু পশ্চিম জাৰ্মেনিৰ ক্ষেত্ৰত কোনো বিৰূপ মনোভাৱ নলয়, তেনেহলে এই খেল সময়মতে আৰম্ভ হব। এই খেলৰ বাবে ব্যয় হব প্ৰায় ৭০ লাখ টকা।

পঞ্চম বিশ্বকাপ হকী প্ৰতিযোগিতাৰ খেলবোৰ ছুখন ষ্টেডিয়ামত অনুষ্ঠিত হব। গধূলি হোৱা খেলবোৰ দূৰ-দৰ্শনে প্ৰচাৰ কৰিব বুলি ইতিমধ্যে ঘোষণা কৰা হৈছে। খেল চলি থকা কালত দলবোৰে অনুশীলন কৰিবৰ বাবে বিশ্ববিদ্যালয়ৰ খেলপথাৰ, কৰ্ণাটক ক্ৰীড়া সন্থাৰ খেলপথাৰ আৰু বোম্বেৰ জিমখানাত ব্যৱস্থা কৰি দিয়া হৈছে।




গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃকলেজ ক্ৰীড়া মহোৎসৱত দেশ, জাতি আৰু ক্ৰীড়াৰ মহানতাৰ নামত সংকল্প গ্ৰহণ অনুষ্ঠান।

গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃকলেজ ক্ৰীড়াৰ মাৰ্চ-পাষ্টৰ এটি মুহূৰ্ত। মুখ্য অতিথিয়ে প্ৰতিযোগীদলসমূহৰ অভিবাদন গ্ৰহণ কৰিছে।



### বিব্ৰতকাৰী ছিক্সাৰ

অলপতে অষ্ট্ৰেলিয়াৰ ছিডনিত অনুষ্ঠিত হোৱা ৱেষ্ট ইণ্ডিজ বনাম নিউ ছাউথ ৱেলজৰ ক্ৰিকেট খেল এখনত ৱেষ্ট ইণ্ডিজৰ ডেজমণ্ড হেইনজৰ এটা পূৰ্ণহতীয়া ছিক্সাৰৰ কোবত বলটো দৰ্শকৰ গেলাৰী পাৰ হৈ একেবাৰে মহিলাসকলৰ হাত-মুখ ধোৱা ঘৰত সোমালগৈ। খেল বন্ধ কৰি ৰখাৰ উপৰিও এই ঘটনাই খেলৰ উদ্যোক্তাসকলক যথেষ্ট বিব্ৰত কৰিলে। ভালেমান পৰ চুচুক-চামাক কৈ থকাৰ পাছত মহিলা এগৰাকী বিচাৰি আনি কোনোমতে বলটো উদ্ধাৰ কৰিব পৰা হ'ল।



আন্তঃজিলা টেবুল টেনিছত মহিলাৰ চেম্পিয়ন অঞ্জনা ৰৰা।

আৰু পুৰুষৰ চেম্পিয়ন ৰাজীৱ শইকীয়া।



৩৮ পৃষ্ঠাৰ পৰা

### সৃষ্টিৰ প্ৰেৰণা

জীৱনক উদ্বুদ্ধ কৰিবৰ কাৰণে গীত লিখিছোঁ অজস্ৰ (১) জীৱন জীৱন ৰঙ অনুপম, মৰণ-বিজয়ী সাধনা (২) মোৰ নাম অনিৰুদ্ধ, এক অপৰূপ সৌন্দৰ্য্য স্বপ্নই মোক কৰি থৈছে মুগ্ধ। এক ৰমনীয় উষাৰ পোহৰে উন্মনা মোক কৰে, সীমাৰ পৰিধি, সমাজৰ বিধি ভাঙিছিঙি গতি লৱে, এই দুৰ্গম পথৰ শেষতে আকাশ স্বৰ্ণদীপ্ত। (৩) সৰু পদুলিৰে সৰু আলিয়েদি সেন্দুৰী আলিলে যাওঁ, সেন্দুৰী আলিৰে শিৱৰে মণিকূট কিজানি বিচাৰি পাওঁ। ইত্যাদি। কাৰণ মই জানো জীৱনক উদ্বুদ্ধ কৰি নাথাকিলে জীৱন জীয়াই নাথাকে। জীৱনৰ সকলো স্তৰতে এই কথা সঁচা। মই গীত লিখোঁ সৰ্বসাধাৰণ সকলো শ্ৰোতাৰ অন্তৰত একোটা সুস্থ বাণী পোনপটীয়াকৈ প্ৰবেশ কৰিবৰ কাৰণে। কবিতাত কওঁ, কেৱতিৰূপীয়া কথা, ইংগিতেৰে, ব্যঞ্জনাৰে ;—"কন্দুকৰ শব্দত ৰাত্তি পুৱায়নে ? ওঁহো। পুৱায় সেই চৰাইটোৰ মাততহে, যি কুটি খায় ৰাতিৰ আন্ধাৰবোৰ লাহে লাহে।" (শব্দত, দিনৰ পাছত দিন)। নাটকো লিখিছোঁ ইংগিতকে প্ৰাধান্য দি।

পোহৰত, সকলো ষড়যন্ত্ৰৰ উৰ্ধত, অনৈতিকতা ছুৰ্নীতিৰ উৰ্ধত, শুভ-চেতনাৰে জীৱন জীয়াই থাকিব লাগিব ; জীয়াই থাকিব লাগিব দেশ, দেশৰ মানুহ। বিপন্ন অস্তিত্বৰ উদ্ধাৰৰ কাৰণেও পোহৰৰ মন্ত্ৰ গাব লাগিব কবি সাহিত্যিকে। মানবীয়তা, প্ৰেম, ভাৰতীয় গভীৰ আদৰ্শ, আৰু পৃথিৱীৰ প্ৰতিটো উচ্চ স্তৰৰ কথাই জীৱনৰ আদৰ্শ গঢ়াত প্ৰেৰণা দিয়ে, আদৰ্শই প্ৰেৰণা দিয়ে নিৰ্ভীক হবলৈ, সুস্থ, শক্তিশালী ৰূপত জীৱনক সজাবলৈ আৰু জীৱনৰ বিচিত্ৰ অভিজ্ঞতা, উপলব্ধিয়েই প্ৰেৰণা দিয়ে প্ৰকাশৰ কাৰণে। প্ৰকাশে দিয়ে এক সুগভীৰ "আনন্দ"। ঐহিক, আধ্যাত্মিক সংযোগৰ আনন্দ। ইয়াৰ তুলনা নাই।

৩৯ পৃষ্ঠাৰ পিছৰ পৰা

### বাঘ-বাঘিনীৰ যুদ্ধ

পৰিবৰ্তে বাঘ ছুটাৰ এটাই আনটোৰ ওপৰত পৰি চিকাৰ ধৰাৰ বাবে মেল খাই পৰা নখেৰে খামোচ মাৰি ধৰে। আক্ৰান্ত বাঘটোৱেও অপ্ৰত্যাশিতভাৱে আন জন্তুৰ কবলত পৰি আত্মৰক্ষাৰ বাবে ওভোতাই আক্ৰমণ চলায়।

ছুই বাঘৰ জোতা পোতা আৰু নিকট গোঁজৰণিত অৰণ্যভূমি এক ৰণাংগনত পৰিণত হয়। তেতিয়া মোৰ মনৰ অৱস্থা কি হৈছিল মনত নাই, কিন্তু অত্যন্ত ভয় যে খাইছিলো সেইটো ঠিক। সুদীৰ্ঘ সময় ধৰি যুঁজ-বাগৰ কৰাৰ পাছত ছুয়োটা বাঘ ঘটনাস্থলীৰপৰা ৫০-৬০ গজ আঁতৰত নিতাল মাৰি শুই পৰিছিল। চিকাৰীয়ে নিশ্চিতভাৱে বাঘ ছুটা মৰা বুলি কোৰাত সাহ পাই বাঘ ছুটা ওচৰৰ পৰা চোৱাৰ আগ্ৰহ প্ৰকাশ কৰে। তেনে অৱস্থাত বাঘৰ ওচৰলৈ যোৱা কিমান বিপদজনক বন্ধুৱে সেই কথা কোৱাতহে মৰা বাঘ চোৱাৰ আশা ত্যাগ কৰি সাৱধানে গছৰপৰা নামি ঘৰমুৱা হওঁ। গঞা ৰাইজে গম পাই বাঘ ছুটা চাই যায়। তেওঁলোকৰ পৰাই জানিব পাৰোঁ যে সেইহালৰ এটা মতা আৰু এজনী মাইকী আছিল। পোৱালি লগত থকা বাঘিনী কেতিয়াবা কেতিয়াবা বাঘৰ প্ৰতি ক্ৰুদ্ধ হোৱা বহুত ঘটনাৰ কথা শুনিছোঁ আৰু পঢ়িছোঁ। দ্বিতীয়তে মতা বাঘে আন মতা বাঘৰ সৈতে যুঁজ বাগৰ কৰাও বাঘৰ স্বভাৱ। কিন্তু স্বাভাৱিক অৱস্থাত চিকাৰ কৰা বা বনত বিচৰণ কৰা সময়ত বাঘ আৰু বাঘিনীয়ে এনেকৈ যুঁজি মৰণ মাতি অনা ঘটনাৰ কথা শুনা নাই।

যুঁজ কৰা সময়ত বাঘ ছুটাৰ কোনো এটাই আত্মৰক্ষাৰ বাবে পলাবলৈ যত্ন কৰা নাছিল। ক্ষাত্ৰিয় বীৰৰ দৰে যুঁজি যুঁজিয়েই ছুয়োটাই মৃত্যু বৰণ কৰিছিল। ইংৰাজসকলে ইয়াক 'ৰয়েল-টাইগাৰ' নাম দিয়াৰ ইও হয়তো অন্যতম কাৰণ আছিল।

### সাঁথৰৰ উত্তৰ

১। আঠজন মানুহৰ প্ৰত্যেকেই ইজনে সিজনৰ লগত কৰমৰ্দন কৰিলে ২৮ বাৰ কৰমৰ্দন কৰা হ'ব। আপোনালোকৰ বহুতেই হয়তো ৫৬ বাৰ হ'ব বুলি ভাবিছিল। আচলতে কই যেতিয়া খৰ লগত কৰমৰ্দন কৰিলে, খই তেতিয়াই কৰ লগত কৰমৰ্দন কৰাৰ প্ৰশ্ন নুঠে।

২। বাৰখন পাঁচবাৰ বৈছিল।

৩। (ক) ৩৯ (প্ৰতিটো সংখ্যাক ছুগুণ কৰি ক্ৰমে ১, ২, ৩, ৪ আৰু ৫ বিয়োগ কৰা হৈছে।)

(খ) ১৬ (তলৰ সোঁ ফালৰ সংখ্যাটোৰে ওপৰৰ সংখ্যাটো হৰণ কৰি হৰণফল ছুগুণ কৰা হৈছে।)

(গ) ৫২ (মাজৰ বৃত্তৰপৰা আৰম্ভ কৰিলে দেখা যায় যে প্ৰতিটো সংখ্যা ছুগুণকৈ বাঢ়িছে।)

(ঘ) ওপৰত ১৮ আৰু তলত ৩০ (ওপৰৰ সংখ্যাবোৰ −১, +২, −৩, +৪ আৰু তলৰ সংখ্যাবোৰ +১, −২, +৩, −৪ এই ক্ৰমত আছে।)

(ঙ) ২১ (প্ৰতিটো ত্ৰিভুজৰ দাঁতিৰ সংখ্যা ছুটাৰ পুৰণফলৰপৰা তলৰ সংখ্যাটো বিয়োগ কৰা হৈছে।)

৪। (ক) ১ (বাকী সকলোবোৰতে সমান্তৰাল চুটি ৰেখাবোৰে ত্ৰিভুজ-কেইটাৰ পাতল বাহু এটা কাটিছে।)

(খ) ৪ (বগা পটল আটাইকেইটা কাঁড়ডালৰ বাওঁফালে বা তললৈ আছে; ক'লা পটল কেইটা কাঁড়ডালৰ ওপৰ-ফালে বা সোঁফালে আছে।)

(গ) ২ (একে ধৰণৰ ফিছাৰ মাছ কেইটা একেফালে মুখ কৰি আছে।)

(ঘ) ৩ (ঘড়িৰ কাটা ঘূৰা হিচাপত চালে বাকী কেইটা নক্সাত ক'লা ফুটটো ক'লা ত্ৰিভুজৰ আগত আছে।)

(ঙ) ২ (বাকী কেইটা নক্সাত এডাল হ'লেও পথালি ৰেখা আছে।)

# শেষ পৃষ্ঠা

## অসম সাহিত্য সভা আৰু অসম চৰকাৰ

অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশনবোৰ পতাত অসম চৰকাৰে বহু বছৰ ধৰি উদাৰভাৱে সহায় কৰি আহিছে । ৰাস্তা-ঘাট, ৰভা নিৰ্মাণ, পানী যোগান, যান-বাহনৰ ব্যৱস্থা, শান্তি-শৃংখলা ৰক্ষা আদি নানান কাম চৰকাৰে নিজৰ বিভিন্ন বিভাগৰ হতুৱাই কৰোৱাৰ দৃষ্টান্তও লাহে লাহে বাঢ়ি আহিছিল। হেলিকপ্টাৰৰ পৰা নমা ৰাষ্ট্ৰপতি, মঞ্চত মন্ত্ৰীৰ ভীৰ—ইত্যাদি দেখি এটা সময়ত "সাহিত্য সভাত চৰকাৰ বৰ বেছিকৈ সোমাল" বা "সাহিত্য সভা চৰকাৰৰ বৰ বেছি ওচৰ চাপিছে" বুলি সমালোচনা আৰম্ভ হৈছিল। চৰকাৰ আৰু সভাৰ সম্পৰ্ক সেই অৱস্থাৰপৰা—ডিফু অধিবেশনত এটা শিক্ষানুষ্ঠানৰ ঘৰ, চৌহদ আদি ব্যৱহাৰৰ পথত চৰকাৰৰ ফালৰপৰা বাধাৰ সৃষ্টি—এই অৱস্থালৈ পতন হোৱাটো এটা ডাঙৰ পৰিৱৰ্তন। এই পৰিৱৰ্তনৰ ৰূপ আৰু পৰিমাণ সদায় একে নাথাকিব, কাৰণ ই কোনো গভীৰ চিন্তা আৰু আদৰ্শ অনুসৰণ কৰাৰ ফলস্বৰূপে সংঘটিত হোৱা নাই। বিদেশী স্থানান্তৰৰ আন্দোলন সন্দৰ্ভত সভাৰ বৰ্তমানৰ কাৰ্য্যসূচী আৰু দৃষ্টিভংগী বৰ্তমান শাসনত থকাসকলৰ মনঃপূত হোৱা নাই, পৰিৱৰ্তনৰ কাৰণ সিমানেই । এই আন্দোলনো চিৰদিন নাথাকে, এই চৰকাৰো চিৰদিন নাথাকে। সৎ উদ্দেশ্য আৰু আদৰ্শেৰে, ৰাইজৰ সমৰ্থনেৰে পুষ্ট হব পাৰিলে সভাও কোনো এক বিশেষ শক্তিৰ মুখাপেক্ষী হোৱাৰ প্ৰয়োজন নাই । কিন্তু শেষ পৰ্য্যন্ত যদি চৰকাৰৰ বৰ্তমানৰ কাৰ্য্যই ডিফু অধিবেশনৰ কৃতকাৰ্য্যতাত বাধা জন্মায়, তেন্তে গোটেই ঘটনাটো অশোভনীয় বুলি পৰিগণিত হ'ব। "তইঁতে এনেকুৱা কৰ, ঠিক আছে তইঁতকো চাই লম"—এনেকুৱা নিম্ন পৰ্য্যায়ৰ প্ৰতিশোধমূলক কামতকৈ এইটো একো ডাঙৰ কাম নহ'ব। সাহিত্য সভা, বিশ্ববিদ্যালয় আদিৰ নিচিনা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ লগত লেন-দেন কৰোঁতে কেৱল ফাইলৰ বিধি-বিধান আৰু সাময়িক ৰাজনৈতিক বিচাৰ-বিবেচনাই প্ৰাধান্য পাব নালাগে; এই অনুষ্ঠান-প্ৰতিষ্ঠানবিলাকৰ ঐতিহাসিক অৱস্থানো লক্ষ্য কৰিব লাগে। যি পইচা দিয়ে, তেওঁৰ সুৰতে নাচিব লাগে—এই নীতিৰ সন্তুষ্টি সকলো স্তৰতে আশা কৰিব নোৱাৰি।

(বৰ্তমানৰ ৰাষ্ট্ৰপতিৰ শাসনৰ সময়ত চৰকাৰী সিদ্ধান্তসমূহ কোন পৰ্য্যায়ত কোনে লয়, সেই সম্পৰ্কে বহু ধৰণৰ সন্দেহৰ উদ্ৰেক হয়। কিন্তু যি গৰাকী বিষয়াই এটা সিদ্ধান্তৰ কাগজত চহী কৰে, সেই গৰাকী বিষয়াৰ নাম ৰাইজৰ মাজত সদৰি হয়। এই সন্দৰ্ভত এই সংখ্যা প্ৰান্তিকৰ পত্ৰালাপ শিতানৰ 'নিৰ্দোষ পাঠক' শীৰ্ষক চিঠিখন পঠনীয়)।

## যিসকল প্ৰণিধানযোগ্য

আমাৰ সহকৰ্মী এগৰাকীয়ে দুৰ্নীতি, অপকৰ্ম আদিৰ 'গৰম' বাতৰি পৰিৱেশনৰ পয়োভৰ সম্পৰ্কে ক্ষোভ প্ৰকাশ কৰিছে । ভাৰতৰ শাসন-ব্যৱস্থাৰ কৰ্ণধাৰসকলেও আণ্টুলে-কাহিনীৰ নিচিনা কাহিনীক প্ৰয়োজনাধিক গুৰুত্ব দি হৈ-চৈ কৰাৰ বাবে সংবাদ-জগতক দোষাৰোপ কৰে । কিন্তু এই দুবিধ প্ৰতিক্ৰিয়াৰ পাৰ্থক্য আছে । শাসন-কৰ্তাসকলৰ ক্ষোভৰ কাৰণ হ'ল সংবাদ-জগতে তেওঁলোকক বিৰক্ত কৰে, শান্তিৰে থাকিবলৈ নিদিয়ে। আমাৰ সহকৰ্মী গৰাকীৰ বক্তব্যৰ অন্তৰ্নিহিত সুৰটো হ'ল—পৰনিন্দা, পৰশ্ৰী-কাতৰতা, উত্তেজনা আদি প্ৰক্ৰিয়া-সমূহে সহজে প্ৰভাৱিত কৰা আমাৰ সাধাৰণ মানুহক এনেধৰণে আচ্ছন্ন কৰা হৈছে যে সুনীতি, সুকৰ্ম, সততা আদিৰ দৃষ্টান্ত তেওঁলোকৰ মন আৰু দৃষ্টিৰপৰা আঁৰ হৈ গৈছে। সংবাদ-সেৱী শ্ৰীকুলদীপ নায়াৰে দুৰ্নীতিৰ বাতৰি পৰিৱেশন সম্পৰ্কত এঠাইত কৈছে যে দুৰ্নীতিমূলক কাৰ্য্য ৰাজহুৱাভাৱে প্ৰকট কৰিলে নিশ্চিতভাৱে এক নৈতিক বাতাৱৰণৰ সৃষ্টি হয় আৰু এনেকৈয়ে সমাজে 'মূল্য'ৰ গুৰুত্ব উপলব্ধি কৰে। বহল অৰ্থত শ্ৰীনায়াৰৰ কথাৰ যুক্তিযুক্ততা আছে। কিন্তু অহৰ্নিশে চাৰিওফালে কেৱল দুৰ্নীতিৰ উপস্থিতি উপলব্ধি কৰিবলগীয়া পৰিৱেশৰ সৃষ্টি হ'লে সাধাৰণ মানুহৰ মানসিক স্খলনো হয়। এনে পৰিৱেশত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হয়—যিসকলে নৈতিকতাৰ ওপৰত অবিচল আস্থা ৰাখি সমাজৰ সেৱা কৰিবলৈ বিচাৰে—সেইসকল। ইঞ্জিনিয়াৰে ঘোচ খায়, এই কথা আমি সঁচানে মিছা বিচাৰ নকৰাকৈয়ে এনেকৈ বিশ্বাস কৰোঁ যে কৰবাত ঘোচ নোখোৱা ইঞ্জিনিয়াৰ এজন থাকিব পাৰে বুলি আমি ভাবিবই নোৱাৰোঁ। সেই সৎ ইঞ্জিনিয়াৰজনৰ যি মানসিক কষ্ট, হতাশা, সি সমগ্ৰ সৎ-গোষ্ঠীটোৰ শক্তি নাশ কৰে। এদিন প্ৰত্যেকজন অসৎ লোকক চিনাক্ত কৰা হ'ব, তেওঁলোকক শাস্তি দিয়া হ'ব, তেতিয়া সৎ লোকসকলে স্বস্তি অনুভৱ কৰিব,—সেইটো দিন এইখন দেশলৈ সহজে নাহে। সেইকাৰণে অন্ততঃ সামাজিক স্তৰত সৎ লোকসকলক বিচাৰি উলিয়াবলৈ, তেওঁলোকক আশ্বস্ত কৰিবলৈ এটা চেষ্টা নকৰিলে অবিশ্বাস, নীচতা, হতাশাই আমাক সম্পূৰ্ণৰূপে গ্ৰাস কৰিব।

OKDISCD